www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ লাগে অফুৰন্ত কৰ্ম শক্তি, সংযত বিবেক আৰু সেৱাৰ মনোভাৱ। - ৰাজা ৰামমোহন ৰায়

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ১৮৫ | বুধবাৰ | ৩ ছেপ্তেম্বৰ, ২০২৫ চন | ১৭ ভাদ, ১৯৪৭ শক | VOL - 6 | NO.- 185 | Wednesday | 3rd September, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮



## ওদালগুৰিত বিটিচি পৰিষদীয় নিৰ্বাচনৰ ঢৌ

### বিজেপি আৰু অন্যান্য দলৰ ৫১ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২ ছেপ্তেম্বৰ ঃ** সমাগত বিটিচি নিৰ্বাচনৰ বাবে সকলো ৰাজনৈতিক ▸▸৬ পৃষ্ঠাত

### বজেপিত মোক্ষম আঘাত

## কোকৰাঝাৰ জিলা বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য নিলেশ্বৰ ৰায়ৰ পদত্যাগ

**অসম বাৰ্তা, তামাৰহাট, ২ ছেপ্তেম্বৰ ঃ** বি টি চি পৰিষদীয় নিৰ্বাচনৰ আগ মুহূৰ্তত ▸▸৬ পৃষ্ঠাত

### ৬ মাহৰ বাবে সাময়িক অব্যাহতি ২ প্ৰশিক্ষাৰ্থী চিকিৎসকক

# নৱজাতক মৃত্যুৰ বাবে দোষী ৭ জনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ

## ২ চিকিৎসক, ষ্টাফ নাৰ্ছ, নাৰ্ছ ইনচাৰ্জ, ICU টেকনিচিয়ানক নিলম্বন

**নিউজ ডেস্ক, গুৱাহাটী, ২ ছেপ্তেম্বৰ ঃ** গুৱাহাটী মেডিকেল কলেজ হাস্পাতালত (জিএমচিএইচ) ১৮ আগষ্টত সংঘটিত এক মৰ্মান্তিক ঘটনাই সমগ্ৰ ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এনআইচিইউত বিছনাৰ পৰা পৰি এক নৱজাতকৰ মৃত্যুৰ ঘটনাই স্বাস্থ্যখণ্ডত গুৰুতৰ প্ৰশ্নৰ উত্থাপন কৰিছিল। জন্মৰ পাছত জণ্ডিছত আক্ৰান্ত হৈ এই শিশুটিক এনআইচিইউত ▸▸৬ পৃষ্ঠাত






## SMCHত স্ত্ৰী-ৰোগ বিশেষজ্ঞৰ ৰূপত ভুৱা চিকিৎসক

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিলচৰ, ৩ ছেপ্তেম্বৰ ঃ** কাছাৰ আৰক্ষীয়ে আজি শিলচৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ পৰা এজন ভুৱা চিকিৎসকক আটক কৰিছে। স্ত্ৰী ৰোগ বিশেষজ্ঞ হিচাপে কৰ্তব্যৰত মীৰ হুছেইন ▸▸৬ পৃষ্ঠাত

## আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটৰ পৰা মিচেল ষ্টাৰ্কৰ অৱসৰ



**ক্ৰীড়া ডেস্ক, অসম বাৰ্তা, ২ ছেপ্তেম্বৰ ঃ** টেষ্ট আৰু এদিনীয়া ক্ৰিকেটত গুৰুত্ব দিবলৈ অষ্ট্ৰেলিয়াৰ তাৰকা বেগী বলাৰ মিচেল ষ্টাৰ্কে টি-২০ আন্তঃৰাষ্ট্ৰীয়ৰ পৰা ▸▸৬ পৃষ্ঠাত



### আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা কৰোঁতে আৰক্ষীৰ গুলীচালনা

## গোৱালপাৰাৰ মাটিয়াত এনকাউণ্টাৰত গুলীবিদ্ধ দুৰ্ধৰ্ষ ডকাইত ৰাজিবুল

### ডকাইটিৰে লুটি নিছিল ২০ লক্ষাধিক টকাৰ সোণৰ গহণাৰ লগতে ডেৰ লক্ষাধিক নগদ টকা

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২ ছেপ্তেম্বৰ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া থানাৰ অন্তৰ্গত ট্ৰেনজিট কেম্পৰ কাষত যোৱা নিশা আৰক্ষীৰ একাউণ্টাৰত গুলীবিদ্ধ হয় দুৰ্ধৰ্ষ ডকাইত ৰাজিবুল ▸▸৬ পৃষ্ঠাত

### চিনাকি লোকেই হত্যা কৰিলে ঠিকাদাৰ বীৰেন তামোলীক !

## ক্লু-লেছ আৰক্ষী ! হত্যা কৰি চুৰি-ডকাইতিৰ ৰূপ দিয়াৰ চেষ্টা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩ ছেপ্তেম্বৰ ঃ** জল জীৱন মিছনৰ ঠিকাদাৰ বীৰেন তামোলীৰ হত্যাকাণ্ডৰ চাৰিদিন অতিক্ৰম হৈ গৈছে, কিন্তু স্মাৰ্ট গুৱাহাটী আৰক্ষীয়ে এতিয়াও হত্যাকাৰীক গ্ৰেপ্তাৰ কৰাৰ ▸▸৬ পৃষ্ঠাত

### গুৱাহাটীত জমিয়ত-উলেমা-ই-হিন্দৰ সভাপতি মৌলানা মেহমুদ মাদানীৰ সংবাদমেল

## যদি মুখ্যমন্ত্ৰীয়ে মোৰ কাৰ্যকলাপত ভুল দেখিছে, তেন্তে ব্যৱস্থা ল'ব পাৰে ঃ মাদানী



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২ ছেপ্তেম্বৰ ঃ** জমিয়ত-উলেমা-ই-হিন্দৰ সভাপতি মৌলানা মেহমুদ মাদানীয়ে গুৱাহাটীত আয়োজিত এক সংবাদমেলত উচ্ছেদ অভিযানৰ বিষয়ে গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিছে। তেওঁ অসম চৰকাৰৰ চলিত উচ্ছেদ অভিযানৰ পদ্ধতিৰ সমালোচনা কৰি কয় যে, এই অভিযানসমূহ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰণ কৰি আইনৰ শাসন মানি চলা উচিত। তেওঁ স্পষ্ট কৰি কয়, ▸▸৬ পৃষ্ঠাত

### মাদানীৰ অসম ভ্ৰমণক লৈ সৰৱ অজাপ

## মাদানী-মুখ্যমন্ত্ৰীৰ মাজত আছে বিশেষ বুজাবুজি ঃ লুৰীণজ্যোতি গগৈ

### বিজেপিৰ এজেন্ট হিচাপে কাম কৰি আহিছে মাদানীয়ে



**নিউজ ডেস্ক, অসম বাৰ্তা, ২ ছেপ্তেম্বৰ ঃ** জমিয়ত-উলেমা-ই-হিন্দৰ সভাপতি মৌলানা মেহমুদ মাদানীৰ অসম ভ্ৰমণে ▸▸৬ পৃষ্ঠাত



### হোজাইত মহিলা সবলীকৰণ আঁচনিৰ ৩২ কোটি বিতৰণ

## মাদানী ফাদানী এইবোৰ বাদ দিয়ক

**অসম বাৰ্তা, ডবকা, ২ ছেপ্তেম্বৰ ঃ** "মাদানী ফাদানী এইবোৰ বাদ দিয়ক"—হোজাইত ▸▸৬ পৃষ্ঠাত

### আৰজেডি আৰু কংগ্ৰেছক বিৰুদ্ধে প্ৰধানমন্ত্ৰীৰ মাতৃৰ অপমানৰ অভিযোগ

## এই অপমান কেৱল মোৰ মাতৃৰ প্ৰতি নহয়, দেশৰ মাতৃ, ভগ্নী আৰু কন্যাসকলৰ প্ৰতি অপমান ঃ মোদী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ ছেপ্তেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মঙলবাৰে ৰাষ্ট্ৰীয় জনতা দল (আৰজেডি) আৰু কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। বিহাৰত যোৱা সপ্তাহত অনুষ্ঠিত ভোটাৰ অধিকাৰ যাত্ৰাৰ



এক অনুষ্ঠানত তেওঁ আৰু তেওঁৰ মাতৃৰ বিৰুদ্ধে কৰা অপমানজনক মন্তব্যৰ কথা উল্লেখ কৰি মোদীয়ে দুয়োটা দলৰ বিৰুদ্ধে কঠোৰ হৈ পৰে। তেওঁ কয় যে, এই ধৰণৰ মন্তব্য কেৱল তেওঁৰ মাতৃৰ প্ৰতি অপমান নহয়, বৰং ▸▸৬ পৃষ্ঠাত

## জনজাতিকৰণৰ দাবীত মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত ধাৰাবাহিক আন্দোলন আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২ ছেপ্তেম্বৰ ঃ** অসমৰ অন্যতম আদিম জনজাতি মৰাণসকলৰ অনুসূচীকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসনৰ দীৰ্ঘদিনীয়া দাবীত সদৌ মৰাণ ছাত্ৰ সন্থাৰ অন্তৰ্গত তথা মৰাণ জনজাতিৰ ▸▸৬ পৃষ্ঠাত



### তালাপত বিশাল জোৰ সমদল বাহিৰ

## বিটিচি নিৰ্বাচনৰ মনোনয়ন দাখিল পৰ্বৰ সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ৩ ছেপ্তেম্বৰ ঃ** অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ মনোনয়ন দাখিল পৰ্বৰ আজি বিয়লি ৪ বজাত সামৰণি পৰে। তামোলপুৰত পাঁচটা পৰিষদীয় সমষ্টিৰ একাংশ প্ৰাৰ্থীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। দৰঙাজুলি, নাগ্ৰীজুলি ▸▸৬ পৃষ্ঠাত

## ভাৰতত বিদেশীৰ প্ৰৱেশ আৰু অৱস্থানৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণৰ নতুন নিৰ্দেশ জাৰি

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৩ ছেপ্তেম্বৰ ঃ** গৃহ মন্ত্ৰালয়ে জাৰি কৰা নতুন নিৰ্দেশ অনুসৰি, বিদেশী নাগৰিকসকলৰ ভাৰতত প্ৰৱেশ আৰু অৱস্থানৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ আৰোপ কৰা হৈছে। ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ, চোৰাংচোৱাগিৰি, ধৰ্ষণ, হত্যা, সন্ত্ৰাসবাদী কাৰ্যকলাপ, শিশু সৰবৰাহ বা নিষিদ্ধ সংগঠনৰ সৈতে জড়িত থকাৰ দোষী সাব্যস্ত হ'লে ▸▸৬ পৃষ্ঠাত






# গায়ন বায়নেৰে আদৰিলে অৱসৰপ্ৰাপ্ত আৰক্ষী কনিষ্টবলক

**অসম বাৰ্তা, উজনী মাজুলী, ২ ছেপ্তেম্বৰ ঃ** মাজুলী জিলাৰ কুঁহিয়াৰ বাৰী গাঁৱৰ নিৱাসী তথা অসম ষ্টাস্ক ফৰ্চৰ অৱসৰপ্ৰাপ্ত কনিষ্টবল ৰাজেন শইকীয়াক আজি কুঁহিয়াৰ বাৰী তিনিআলিৰ পৰা গাঁও খনৰ সমূহ পুৰুষ মহিলা আৰু যুৱক যুৱতী সকলে গায়ন-বায়ন সহ নিজ বাসগৃহলৈ আদৰণি জনায় আনে। এই উপলক্ষে কুঁহিয়াৰ বাৰী তিনিআলিত আয়োজন কৰা চমু কাৰ্যসূচীৰ আঁত ধৰে কুঁহিয়াৰ গাঁও নামঘৰ উন্নয়ন আৰু পৰিচালনা সমিতিৰ সম্পাদক সঞ্জীৱ কুমাৰ দত্তই। অৱসৰপ্ৰাপ্ত কনিষ্টবল ৰাজেন শইকীয়াক প্ৰথমে কুঁহিয়াৰ বাৰী গাঁও উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি গিৰিধৰ কলিতা আৰু সম্পাদক সঞ্জীৱ কুমাৰ দত্তই একোখনকৈ চেলেং চাদৰ আৰু গামোচাৰে আদৰণি জনায়। গাঁৱৰ ভালে সংখ্যক লোকেও ব্যক্তিগত ভাৱে চেলেং আৰু গামোচাৰে কনিষ্টবল গৰাকীক আদৰণি জনায়। উল্লেখ্য যে ১৯৮৬ চনত অসম গৃহৰক্ষী বিভাগৰ চাকৰিত যোগদান কৰা ৰাজেন শইকীয়াই পৰৱৰ্তী সময়ত অসম ট্ৰাস্ক ফৰ্চৰ কনিষ্টবল হিচাপে যোগদান কৰে। সুদীৰ্ঘ কাল চাকৰি কৰা ৰাজেন শইকীয়াই ৩০ আগষ্ট ২০২৫ তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। আজি ৰাজেন শইকীয়া কৰ্মস্থলী ডিমাপুৰ পৰা নিজ গৃহলৈ অহাত ৰাজহুৱা ভাৱে আদৰণি জনোৱা হয়। উক্ত অনুষ্ঠানত ৰাজেন শইকীয়াৰ নিকত আত্মীয় জয়ন্ত নেওগ, পত্নী মঞ্জীৰা শইকীয়া, জি জোৱাই, একমাত্ৰ পুত্ৰ এডভোকেত হিৰকজ্যোতি শইকীয়াকে আদি কৰি বহু আত্মীয়ই অংশগ্ৰহণ কৰে।

## কুঁহিয়াৰবাৰী গাঁৱৰ নামঘৰ উন্নয়ন আৰু পৰিচালনা সমিতিৰ উদ্যোগ



# ভূৰাগাঁৱত লাখপতি বাইদেউ আঁচনিৰ পৰা বঞ্চিত সদস্যৰ প্ৰতিবাদ

**অসম বাৰ্তা, ভূৰাগাঁও, ২ ছেপ্তেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত ৪৫ টাকৈ গোটৰ সদস্যই আজি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। লাখপতি বাইদেউ আচনিৰ সুবিধাৰ পৰা বঞ্চিত শতাধিক মহিলাই ইয়াৰ বালিডোংগা গাঁৱত কেইগৰাকীমান দালাল ৰূপী মধ্যভোগী মহিলাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি উত্তাল পৰিবেশৰ সৃষ্টি কৰে। ঘটনাৰ বিৱৰণী মতে বিগত এটা বছৰ ধৰি একাংশ গোটৰ মহিলাক লাখপতি বাইদেউ আঁচনিত নাম সন্নিৱিষ্ট কৰি দিয়াৰ প্ৰলোভন দি বিভিন্ন অচিলাৰে ধন সংগ্ৰহ কৰিছিল কেইগৰাকী মান মধ্যভোগী মহিলাই। অভিযোগ অনুসৰি ছাজিদা বেগম, মাছুমা খাতুন, মমিনা খাতুন আৰু মাজেদা বেগম নামৰ চাৰি মহিলাই ভূৰাগাঁৱৰ ৪৫টা গোটৰ মহিলাৰ পৰা সংগ্ৰহ কৰিছিল টকা। প্ৰথমে প্ৰ-পত্ৰ দিয়াৰ নামত গোটৰ প্ৰতি গৰাকী মহিলাৰ পৰা ৫০০ টকাকৈ আৰু একাউণ্ট খোলাৰ বাবত ১০০০ টকাকৈ সংগ্ৰহ কৰিছিল এই চাৰি মহিলাই। তদুপৰি বিভিন্ন সময়ত ৫০ - ৬০ টকাকৈ সঘনাই বিভিন্ন উজুহাট দেখুৱাই খৰচৰ বাবত দুবছৰ ধৰি ধন সংগ্ৰহ কৰিছিল ৪৫টা গোটৰ সদস্যৰ পৰা। এনেদৰে লাখপতি বাইদেউৰ সপোন দেখুৱাই এই চাৰি মহিলা নিজেই লাখপতি হ'ল যদিও চৰকাৰৰ লাখপতি বাইদেউ আচনিৰ তালিকাত নাম নোসোমাল ৪৫ গোটৰ মহিলা সকলৰ। ১০ হাজাৰ টকাৰ আশাত প্ৰতি গৰাকী মহিলাই ১৫০০-২০০০ টকা হেৰুৱাই আজি প্ৰতিবাদ সাব্যস্ত কৰি মধ্যভোগী মহিলা কেইগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাই চৰকাৰক।

# দখলা শ্ৰীশ্ৰী লক্ষ্মী পূজা উদ্‌যাপন সমিতিৰ অস্থায়ী কাৰ্যালয় মুকলি

**অসম বাৰ্তা, মিৰ্জা, ২ ছেপ্তেম্বৰ ঃ** আজি কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত দখলা মঠাউৰীৰ চ'কত দখলা শ্ৰীশ্ৰী লক্ষ্মী পূজা উদযাপন সমিতিৰ অস্থায়ী কাৰ্যালয় মুকলি কৰাৰ লগতে আগন্তুক লক্ষ্মী পূজা উদযাপন বাবে লাইখুটা স্থাপন কৰা হয়। এই উপলক্ষে পুৱা অস্থায়ী কাৰ্যালয়ৰ সন্মুখত পতাকা উত্তোলন কৰা হয় উক্ত অনুষ্ঠানৰ আঁত ধৰে উদযাপন সমিতিৰ সাধাৰণ সম্পাদক শচিন্দ্ৰ দাসে আৰু প্ৰথম কাৰ্যসূচী হিচাপে পাতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি অনুপম বৰদলৈয়ে। ইয়াৰ পিছত লাইখুটা স্থাপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পূজাখনৰ প্ৰতিষ্ঠাপক সভাপতি তথা বিশিষ্ট শিল্পী অৰণী শৰ্মাৰ দ্বাৰা লাইখুটা স্থাপন কৰা হয়। ভাষণ প্ৰসংগত সভাপতি গৰাকীয়ে উক্ত পূজাত সমূহ ৰাইজক সহায় সহযোগিতা কৰাৰ আহ্বান জনাই। ইয়াৰ পিছত ৰঙাফিতা কাটি তথা নাৰিকল ভাঙি অস্থায়ী কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয় মুকলি কৰে পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। শেষত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। দখলাৰ কেইবাগৰাকীও জেষ্ঠ্য ব্যক্তিক উক্ত অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে ২০১৫ চনৰ পৰা দখলাৰ চ'কত অনুষ্ঠিত কৰি অহা এই ভাগ পূজা, এইবেলী অহা ৬ আৰু ৭ অক্টোবৰত অনুষ্ঠিত কৰা হ'ব। আজিৰ অনুষ্ঠানটোত দখলা শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ প্ৰতিষ্ঠাপক সভাপতি তথা ৰুবি পাপেট থিয়েটাৰৰ জৰিয়তে দক্ষিণ কামৰূপৰ একমাত্ৰ পুতলা নাচৰ সংস্কৃতি ধৰি ৰখা ব্যক্তি অৰণি শৰ্মা, লক্ষ্মী পূজা উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি হৰেণ দাস প্ৰমুখ্যে আন আন বিষয়ববীয়াই অংশ গ্ৰহণ কৰে। সমিতিৰ সাধাৰণ সম্পাদক শচিন্দ্ৰ দাসে জানিব দিয়া অনুসৰি উক্ত পূজা ভাগৰ বিশেষ অনুষ্ঠান লক্ষ্মী দেৱীৰ ৰূপ প্ৰদৰ্শন প্ৰতিযোগিতাত এইবেলী বিশেষ কিছু নীতি নিয়ম অন্তৰ্ভুক্ত কৰা হৈছে। পূজাৰ কিছু দিন পূৰ্বৰ পৰা প্ৰতিযোগীৰ নাম সমূহ গ্ৰহণ কৰিব সমিতিয়ে আৰু এইবেলী কেৱল মাত্ৰ নামভৰ্তি কৰা প্ৰথম ৫০ গৰাকীৰ প্ৰতিযোগীৰ মাজতহে প্ৰতিযোগিতা খনি অনুষ্ঠিত কৰা হব।

# হাজো বহ্নিমান কাৰাটে একাডেমীলৈ শ্ৰেষ্ঠ দলৰ খিতাপ; বিধায়িকাৰ শুভেচ্ছা

**অসম বাৰ্তা, হাজো, ২ ছেপ্তেম্বৰ ঃ** সদৌ অসম কাৰাটে সন্থাৰ সহযোগত আৰু কামৰূপ জিলা কাৰাটে সন্থাৰ উদ্যোগত চৌকি আঞ্চলিক হাইস্কুল প্ৰাঙ্গণত কালি সামৰণি পৰা পঞ্চম বাৰ্ষিক কামৰূপ জিলা কাৰাটে প্ৰতিযোগিতাত ৩৩টা সোণ, ২২টা ৰূপ, ২১টা ব্ৰঞ্জসহ মুঠ ৭৬টা পদকৰে শীৰ্ষস্থানত থাকি শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে হাজো বহ্নিমান কাৰাটে একাডেমীয়ে। এই প্ৰতিযোগিতাখনিত হাজো বহ্নিমান কাৰাটে একাডেমীয়ে শ্ৰেষ্ঠ দল হোৱাৰ বিপৰীতে ২৮টা পদকৰে পলাশবাৰী আঞ্চলিক ছটোকান কাৰাটে ইনষ্টিটিউটে দ্বিতীয় আৰু ২০টা সোণৰ পদক লাভ কৰি দমদমা কাৰাটে একাডেমীয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। ইয়াৰোপৰি পেৰা ইভেণ্টত বহ্নিমান কাৰাটে একাডেমীৰ দিব্যাংগ খেলুৱৈ বশিষ্ঠ কলিতাই আগন্তুক প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হৈছে। কামৰূপ জিলাৰ ১৮টা ক্লাবৰ প্ৰায় পাঁচশ খেলুৱৈয়ে অংশগ্ৰহণ কৰে প্ৰতিযোগিতাখনিত। উল্লেখ্য যে ২০২১ বৰ্ষতো বহ্নিমান কাৰাটে একাডেমীয়ে শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰিছিল। বহ্নিমান কাৰাটে একাডেমীৰ এই সফলতাত হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই শুভেচ্ছা জ্ঞাপন কৰে।



# অভয়াপুৰী বন বিভাগৰ অভিযানত অবৈধ কাঠৰ গোলাই আৰু মিল জব্দ

**অসম বাৰ্তা সেৱা, সৃজনগ্ৰাম, ২ ছেপ্তেম্বৰ ঃ** অভয়াপুৰীৰ নিকটৱৰ্তী পল্টন বজাৰত আজি বন বিভাগে এক গোপন সূত্ৰৰ ভিত্তিত বিশেষ অভিযান চলাই অবৈধভাৱে চলি থকা কাঠৰ গোলাই আৰু কাঠ ফলা মেচিন জব্দ কৰিবলৈ সক্ষম হয়। অভয়াপুৰী আঞ্চলিক বন বিষয়া দলৰ সক্ৰিয় নেতৃত্বত চলোৱা এই অভিযানত মিলখনৰ মেচিনৰ লগতে বিভিন্ন প্ৰকাৰৰ মূল্যবান কাঠৰ গোলাই উদ্ধাৰ কৰা হয়। স্থানীয় লোকসকলে বহুদিন ধৰি উক্ত মিলটোৰ সন্দেহজনক কাৰ্যকলাপৰ অভিযোগ উত্থাপন কৰি আহিছিল। কিন্তু ইয়াৰ পাছতো মিলটো গোপনে চলি থকা বুলি অভিযোগ উত্থাপিত হৈ আহিছিল। অৱশেষত বন বিভাগে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি অভিযান চলাই মিলখন বন্ধ কৰি দিয়ে। ইতিমধ্যে জব্দ কৰা কাঠৰ গোলাই আৰু মিলৰ মেচিন বন বিভাগৰ কাৰ্যালয়লৈ লৈ যোৱা হৈছে। এনে ধৰণৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে বন বিভাগে আগলৈও অভিযান চলাই যোৱাৰ সংকেত দিছে। আজিৰ এই অভিযানটোৰে স্থানীয় ৰাইজৰ মাজত বন বিভাগৰ এই পদক্ষেপক আদৰণি জনাই কয় যে অবৈধভাৱে পৰিবেশ নষ্ট কৰা এই ধৰণৰ কামৰ বিৰুদ্ধে সদায় কঠোৰ পদক্ষেপ গ্ৰহণ হ'ব লাগে।

# 'আই' অসমৰ উদ্যোগত দিপীলাত মানৱ সত্তা গৱেষণা কেন্দ্ৰ মুকলি

**অসম বাৰ্তা, পাথৰিঘাট, ২ ছেপ্তেম্বৰ ঃ** দৰঙৰ ঐতিহাসিক খটৰা সত্ৰৰ নাতি দূৰৈৰ অৰ্জুনতলাত অহা পাঁচ ছেপ্টেম্বৰত মানৱ সত্তা গৱেষণা কেন্দ্ৰ এটি মুকলি কৰা হ'ব। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ৰূপায়ণ কৰিবলগীয়া অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা উপাসনা সুৰভি, পৰিবেশ নিষ্কাষণ, গছপুলি ৰোপণ, আবেলি ৪ বজাত তিনিমহীয়া কৰ্মশালাৰ শিক্ষাৰ্থীৰ নাম পঞ্জীয়নৰ পিছতে মানৱ সত্তা গৱেষণা কেন্দ্ৰৰ দ্বাৰ উন্মোচন কৰিব অসমীয়া ভাষা সাহিত্যৰ গৱেষক, কৃতী শিক্ষক ৰাজীৱ শৰ্মাই। সন্ধিয়া ছয় বজাত অনুষ্ঠিত হ'ব অসম ৰাজ্যিক শিক্ষক শিৰোমণি বঁটা আৰু সাধনাৰতী শিক্ষকক অভিনন্দন প্ৰদান অনুষ্ঠান। বিশিষ্ট সাহিত্যিক, অৱসৰপ্ৰাপ্ত শিক্ষক কমলাকান্ত ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানত খটৰা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি যাদৱ চন্দ্ৰ মহন্ত, সমাজকৰ্মী গজেন শৰ্মা আমন্ত্ৰিত অতিথি আৰু সাংবাদিক ডাবু নাৰায়ণ কোঁৱৰ আৰু পশ্চিম দৰং প্ৰেছ ক্লাবৰ সভাপতি জয়ন্ত কাকতিয়ে নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব। নিশা ৮-০০ বজাত অসমীয়া গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা আৰু পুৰস্কাৰ বিতৰণী সভা অনুষ্ঠিত হ'ব।

# বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱৰ প্ৰথম কাৰ্যসূচী

**অসম বাৰ্তা, বটদ্ৰৱা, ২ ছেপ্তেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱৰ প্ৰথম কাৰ্যসূচী। "মহাৰজত জয়ন্তী ২০২৫-২৬ বৰ্ষৰ শুভাৰম্ভণি মহোৎসৱ" উপলক্ষে আজি বিদ্যালয় প্ৰাংগনত উখল মাখল পৰিৱেশৰ সৃষ্টি হয়। ছাত্ৰী, প্ৰাক্তন শিক্ষাৰ্থী পুৱা ৯ বজাত মহাৰজত জয়ন্তীৰ পতাকা উত্তোলন কৰে মহাৰজত জয়ন্তী উৎসৱ উদযাপন সমিতিৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই। জ্যেষ্ঠ শিক্ষক দিপাংক গিৰি দেৱ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত মংগল উৰুলিৰ ধ্বনিৰ মাজেৰে মহাৰজত জয়ন্তীৰ স্থায়ী স্মাৰকৰ আধাৰশিলা স্থাপন কৰা হয়। অনুষ্ঠানটিত অংশগ্ৰহণ কৰি বিধায়ক ৰূপক শৰ্মাই "যিসকল মহান ব্যক্তিৰ ত্যাগৰ বলত জন্মলাভ কৰা বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল ৭৫ বছৰ ভৰি দিছে, সেইসকলক স্মৰণ কৰিছো। আজি আৰম্ভণি হোৱা অনুষ্ঠানটিৰ সামৰণি জানুৱাৰী মাহত কৰা হব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানৰ তেওঁৰ নামেৰে প্ৰতিস্থিত বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সকলো কাৰ্যসূচীত অঞ্চলবাসী ৰাইজৰ সহায় সহযোগিতা কামনা কৰিলো।" বুলি প্ৰকাশ কৰে। ইফালে দুপৰীয়া বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ভাৰপ্ৰাপ্ত অধ্যক্ষা হিৰামনি বৰুৱাই শুভাৰম্ভ কৰা শুভাৰম্ভ কৰা শোভাযাত্ৰাত ছাত্ৰ ছাত্ৰী সকলে গায়ন বায়ন, ভাওনা সংস্কৃতি, তিৱা, বৰো, কাৰ্বি আদি জনগোষ্ঠীয় সংস্কৃতি প্ৰতিফলিত কৰি সমগ্ৰ বটদ্ৰৱা অঞ্চল পদব্ৰজে পদক্ষিন কৰে। বিয়লি প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ অন্তৰংগ আলাপ আৰু মহাৰজত জয়ন্তীৰ শুভাৰম্ভ অনুষ্ঠান অনুষ্ঠিত হয়।

# সদৌ অসম মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ কাৰ্য্যনিৰ্বাহ সভা বকোত সম্পন্ন

**অসম বাৰ্তা, বকো, ২ ছেপ্তেম্বৰ ঃ** সদৌ অসম মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ বিশেষ কাৰ্য্যনিৰ্বাহক সভা এখন কামৰূপ জিলাৰ বকো শিক্ষা খণ্ডৰ বকো মজলীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। উল্লেখ্য যে; যোৱা ৩১ আগষ্টৰ দিনা দিন জোৰা বিস্তৃত কাৰ্য্যসূচীৰে সদৌ অসম মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ কাৰ্য্যনিৰ্বাহ সভাখন অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বিগত কাৰ্য্যকালৰ সভাপতি ৰঞ্জিত বৰ ঠাকুৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সন্থাৰ সম্পাদক জয়ন্ত কুমাৰ দাসে। সভাৰ আৰম্ভণিতে গুৰু বন্দনা গোৱা হয়। সভাত নৱ নিৰ্বাচিত ৰাজ্যিক কাৰ্য্যনিৰ্বাহকৰ বিষয় ববীয়া সকলক শপত বাক্য পাঠ কৰোৱায় দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ নৰকান্ত অধিকাৰীয়ে। সভাত অংশগ্ৰহণ কৰা সকলো শিক্ষক শিক্ষয়িত্ৰীক ৰাভা গামোচাৰে সম্বোধিত কৰা হয়। চা-চিনাকি পৰ্বৰ পিছতে আদৰণি ভাষণ ৰাখে বকো মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা শিক্ষক সন্থাৰ বকো ব্লক সমিতিৰ সভাপতি বলেন চন্দ্ৰ দাসে। তেখেতে সকলো জিলাৰ পৰা অহা বিষয় ববীয়া সকলক আন্তৰিক অভিনন্দন জনায়। লগতে বকো মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ শিক্ষক সকলে সন্থাৰ প্ৰতি আস্থা নথকাত দুখো প্ৰকাশ কৰে। আদৰণি ভাষণত দাসে বিগত ১৪ বছৰ কাল সম্পাদক হিচাপে কাম কৰি শিক্ষকৰ বহুতো সমস্যা জিলা আৰু ৰাজ্যিক মজলীয়া বিদ্যালয় সন্থাৰ লগত লগ লাগি সমাধান কৰিবলৈ সক্ষম হৈছে বুলি জানিব দিয়ে। নতুন কৈ বকো শিক্ষা খণ্ডত যোগদান কৰা এন, পি, এছ তথা টেট শিক্ষক শিক্ষয়িত্ৰী সকলক মূল সন্থাৰ লগত সহযোগিতা কৰিবলৈ অনুৰোধ জনায়। সন্থা তথা ঐক্য সমন্বয় নহ'লে শিক্ষক সমাজৰ ভৱিষ্যতে অন্ধকাৰ হ'ব বুলি দৃঢ় ভাবে মত ব্যক্ত কৰে। ইফালে কৰ্ম জীৱনত সন্মুখীন হোৱা প্ৰতিটো সমস্যা সন্থাই সমাধান কৰিব পাৰে বুলিও প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰে। ইয়াৰ উপৰিও বকো শিক্ষা খণ্ডৰ পৰা চৰকাৰে অন লাইন আৰু প'ৰ্টেল খুলি শিক্ষক শিক্ষয়িত্ৰী সকলক অন্য ঠাইলৈ নিয়াৰ ফলত মুঠ ৮খন মজলীয়া বিদ্যালয়ৰ ৬৮জন শিক্ষক শিক্ষয়িত্ৰীৰ পদৰ বিপৰীতে ২৬জন শিক্ষক শিক্ষয়িত্ৰীহে সেৱা আগবঢ়ায় আছে বুলি আক্ষেপ কৰে। যোৱা মাহৰ হিচাবত মুঠ ৪৬টা উক্ত বিদ্যালয় সমূহত শিক্ষকৰ পদ খালী হৈ পৰিছে বুলি তাৎপৰ্যপূৰ্ণ ভাষণ ৰাখে। ইফালে বকো শিক্ষা খণ্ডৰ অন্তৰ্গত চক্ৰপাণি মজলীয়া বিদ্যালয়ত মাত্ৰ এজন শিক্ষকে ৮২ গৰাকী ছাত্ৰ ছাত্ৰী পঢ়ুৱাব লগা হৈছে। চৰকাৰে প্ৰতিখন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যা আৰু শিক্ষক শিক্ষয়িত্ৰী সংখ্যা তথ্য চাই বদলি কৰিব লাগিছিল বুলি বিভাগীয় কৰ্তৃপক্ষক আবেদন কৰে। সভাত সকলো বিষয় ববীয়া আৰু শিক্ষক শিক্ষয়িত্ৰী সকলক চাহ, জলপান, পিঠা, মাছ, মঙহ আদিৰে প্ৰীতিভোজৰে আপ্যায়ণ কৰে। বকো মজলীয়া বিদ্যালয় শিক্ষক নৱ কুমাৰ নাথ আৰু নিৰঞ্জন ৰাভাই অতিথি সকলক তদাৰক কৰে। আজিৰ সভাত পূৰ্বৰ সভাপতি ৰঞ্জিত বৰঠাকুৰৰ পৰা নৱ-নিৰ্বাচিত সভাপতি মুকুট গগৈয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰে। বকো মজলীয়া বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলে সেৱা কাৰ্যত সহায় সহযোগ কৰে। আবেলি ৩ বজাত সভাপতিৰ চমু ভাষণেৰে সভা ভঙ্গ ঘোষণা কৰে। সভাত গোলাঘাট, লক্ষ্মীমপুৰ, শিৱসাগৰ, গোৱালপাৰা, তেজপুৰ, কামৰূপ, আদি বিভিন্ন শিক্ষা অনুষ্ঠানৰ পৰা অহা অতিথি বৃন্দই বকো মজলীয়া বিদ্যালয়ে কৰা আপ্যায়নক শলাগ লৈ ধন্যবাদ জ্ঞাপন কৰে। মজলীয়া বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে বকো ব্লক সমিতিৰ সভাপতি বলেন চন্দ্ৰ দাসে সভাখন পৰিচালনা কৰাত সহযোগ আগবঢ়ায়।

# হাটশিঙিমাৰীত উপস্থিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু

**অসম বাৰ্তা, হাটশিঙিমাৰী, ২ ছেপ্তেম্বৰ ঃ** আজি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীত উপস্থিত হয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু জিলা সভাকক্ষত বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীৰ লগত মত বিনিময় কৰে। এই জিলাখনৰ প্ৰাথমিক শিক্ষা, মাধ্যমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ বিষয়ে পৰ্যালোচনা কৰে। এই জিলা খনত শিক্ষা বিভাগত যোৱা চাৰি বছৰে ভাল ফল দেখুৱাইছে বুলি তেখেতে উল্লেখ কৰে। এই জিলা খনৰ শতকৰা ৪০ শতাংশ ভাগ ঠাই চৰ চাপৰিত যদিও শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি থকা নাই আৰু শিক্ষাৰ ক্ষেত্ৰত অসমৰ ভিতৰতে এই জিলাখনৰ সুনাম আছে বুলি মন্ত্ৰী জনে সাংবাদিকৰ আগত মন্তব্য কৰে। ইয়াৰ পিছত মন্ত্ৰী জনে জিলা বিজেপিৰ কাৰ্যালয়ত গৈ বিজেপিৰ কাৰ্যকৰ্তা সকলৰ লগত সাংগঠনিক দিশ সম্পৰ্কে আলোচনা বিলোচনা কৰে আৰু বিজেপি দলক শক্তিশালী কৰিবলৈ আহ্বান জনায়।

## প্ৰথম স্থান অনিমা গগৈৰ আশী হাজাৰ লাভ

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মহিলা উদ্যোগী সন্মিলন-অভ্যুদয় ২০২৫ৰ সামৰণি




**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ২ ছেপ্তেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰ আৰু স্বেচ্ছাসেৱী সংস্থা ছেভেন চিষ্টাৰ্চ ডেভেলপমেণ্ট এচিছটেন্স চমুকৈ SeSTAৰ উদ্যোগত আৰু এক্সিছ বেংক ফাউণ্ডেশ্যন আৰু অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযানৰ সহযোগত অভ্যুদয় ২০২৫ শীৰ্ষক দুদিনীয়া মহিলা উদ্যোগী সন্মিলন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত ২৯ আৰু ৩০ আগষ্টত সফলতাৰে অনুষ্ঠিত হয়। তৃণমূল পৰ্যায়ৰ মহিলা উদ্যোগীসকলৰ সৰলীকৰণৰ উদ্দেশ্যেৰে আয়োজিত এই সন্মিলনত অসমৰ উপৰিও মেঘালয় আৰু ত্ৰিপুৰাৰ পৰা নিৰ্বাচিত প্ৰতিশ্ৰুতিসম্পন্ন গ্ৰাম্য মহিলা উদ্যোগীসকলে অংশগ্ৰহণ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ Faculty of Social Sciences ডীন ড° ডলী ফুকনে মহিলাৰ অধিকাৰ তথা সৰ্বাংগীণ উন্নয়নক আগুৱাই নিয়াত মহিলা উদ্যোগীসকলৰ ভূমিকাক আলোকপাত কৰি উদ্বোধনী ভাষণ প্ৰদান কৰে। ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আত্মনিৰ্ভৰশীল অসম তথা ভাৰত গঢ় দিয়াৰ ক্ষেত্ৰত মহিলা উদ্যোগীৰ ভূমিকা লগতে মহিলা উদ্যোগীসকলৰ সৰলীকৰণৰ বাবে ৰূপায়িত চৰকাৰী আঁচনি, সুবিধাসমূহৰ বিষয়ে আলোকপাত কৰে। এক্সিছ বেংক ফাউণ্ডেশ্যনৰ হৰ্ষবৰ্ধন ধাৰনে মহিলা নেতৃত্বাধীন উদ্যোগসমূহক শক্তিশালী কৰাৰ বাবে আৰ্থিক আৰু প্ৰতিষ্ঠানিক সহায়ৰ প্ৰয়োজনীয়তাৰ আৰু Axis Bankৰ ভূমিকাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বহুকেইজন সফল উদ্যোগীয়ে তেওঁলোকৰ সফলতাৰ যাত্ৰা ব্যক্ত কৰাৰ লগতে অংশগ্ৰহণকাৰীসকলৰ সৈতে বাৰ্তালাপত অংশগ্ৰহণ কৰি নতুন উদ্যোগীসকলক দিকদৰ্শন দিয়া লগতে অত্যাৱশ্যকীয় ব্যৱসায়িক কৌশলসমূহৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত একাংশ মহিলা উদ্যোগীৰ সফলতাৰ কাহিনী প্ৰদৰ্শন কৰা হয়। দুদিনীয়া এই কাৰ্যসূচীত Breaking Barriers: Grassroots Entrepreneurship & Ecosystem শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰা ভিন্ন ক্ষেত্ৰৰ আলোচকসকলে বিভিন্ন দিশৰ প্ৰত্যাহ্বানসমূহ অতিক্ৰমী এক সহায়ক উদ্যোগীকৰণ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। দ্বিতীয় দিনা Dream, Dare and Deliver: Pitch to win শীৰ্ষক প্ৰতিযোগিতাত উদ্যোগীসকলে বিশেষজ্ঞসকলৰ আগত নিজৰ ব্যৱসায়িক ধাৰণাসমূহ প্ৰদৰ্শন কৰে আৰু পশ্চিম মঙ্গলদৈ উন্নয়ন খণ্ডৰ অনিমা গগৈয়ে প্ৰথম স্থান লাভেৰে ৮০ হাজাৰ টকা, পূব যোৰহাট উন্নয়ন খণ্ডৰ অমিয়া গগৈয়ে দ্বিতীয় স্থান লাভেৰে ৫০ হাজাৰ টকা, উজনি মাজুলী উন্নয়ন খণ্ডৰ ৰঞ্জিতা পেগুৱে তৃতীয় স্থান লাভেৰে ৩০ হাজাৰ টকা নিজ নিজ ব্যৱসায় সম্প্ৰসাৰণৰ বাবে লাভ কৰে। অনুষ্ঠানটোৰ সফল সমাপ্তিৰ বাবে আয়োজকসকলে অংশগ্ৰহণ কাৰীসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতেও এনেধৰণৰ অনুষ্ঠান আয়োজন কৰিবলৈ যত্নপৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

**AFFIDAVIT**

Swarn before Notary Public at Nagaon, dated on 29-08-2025, that in my child Sarif Ahmed's birth certificate issued by B.P. Civil Hospital, Nagaon vide Regd No.- 2327/11, dtd. 28-10-2011 my name has been wrongly recorded as Mustafa Ahmed instead of Mahammad Mustafa and my wife's name has been wrongly recorded as Mojida Begum instead of Mazida Khatun. Applying for correction at the appropriate authority.

Mahammad Mustafa
S/O. Abdul Guni
R/0. Vill- Chokitup, P.O.- Chotahaibor, P.S.- Sadar, Dist- Nagaon

AB-129/2025

**AFFIDAVIT**

Swarn before Notary Public at Dibrugarh, 25-08-2025, that I Abhijeet Bora and Abhijit Bora is same and one person.

Abhjit Bora
By lane 2,
Milan Nagar
Dibrugarh, Assam

AB-130/2025

**AFFIDAVIT**

I Saddik Hussain, S/O- Najrul Hussain swarn before Notary public at Jorhat that in my birth certificate my name has been wrongly recorded as Saddik Ahmed instead of Saddik Hussain. Therefore Saddik Hussain and Saddik Ahmed is the one and same person having single identity.

AB-131/2025

# বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ ৪৭ নং বুথত প্ৰধানমন্ত্ৰীৰ মন কি বাত অনুষ্ঠান

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২ ছেপ্তেম্বৰ ঃ** আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ১২৫ সংখ্যক মন কী বাত অনুষ্ঠান। বৰক্ষেত্ৰীৰ জাগাৰাৰ ৪৭ নং বুথৰ মন কী বাত অনুষ্ঠানত অংশ গ্ৰহণ কৰে GMDA ৰ অধ্যক্ষ নাৰায়ণ ডেকাই। নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ অন্তৰ্গত ৫৪ নং জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত ৪৭ নং বুথত আজি "প্ৰধানমন্ত্ৰীৰ মন কি বাত"- শীৰ্ষক কাৰ্যসূচী পালন কৰা হয়। জাগাৰা সভাখোলাত দিনৰ ১১ বজাত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি মহেশ বৰ্মণ, ৫৪ নং জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ ৩ নং খণ্ডৰ সদস্য পদৰ প্ৰাৰ্থী গীতা ডেকা, জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়ত সদস্য দীনেশ বৈশ্য প্ৰমুখ্যে ভালেমান লোকে অংশগ্ৰহণ কৰে। সভাত একাংশ লোকে অৰুণোদয় আঁচনি কৰ্তন সম্পৰ্কে প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাক ওজৰ আপত্তি দৰ্শাই যদিও ডেকাই এই সকলো অভিযোগ ১৭ ছেপ্টেম্বৰৰ ভিতৰত নিষ্পত্তি কৰি উপযুক্ত ব্যক্তিক এই আচঁনিৰ অন্তৰ্ভুক্ত কৰা হ'ব বুলিও আশ্বাস প্ৰদান কৰে।

# বদলা-ৰাংগাপানীত টিকট প্ৰত্যাশীৰে সভা

**অসম বাৰ্তা, সোণতলী, ২ ছেপ্তেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ বদলা-ৰাংগাপানী বজাৰত কংগ্ৰেছৰ টিকট প্ৰত্যাশীৰে অনুষ্ঠিত কৰে এখন মত বিনিময় সভা। আগন্তুক ২০২৬ৰ বিধান সভা নিৰ্বাচনক কেন্দ্ৰ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সদস্য তথা অধিবক্তা কোৰবান আলীয়ে কালি বদলা-ৰাংগাপানী বজাৰত সহস্ৰাধিক ৰাইজৰ সৈতে আলোচনাত মিলিত হৈ মত বিনিময় কৰে। সভাত স্থানীয় ব্যক্তি হিচাপে আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ হৈ ছমৰীয়া সমষ্টিৰ পৰা টিকট প্ৰত্যাশী গৰাকীয়ে নিজেও প্ৰাৰ্থীত্ব আগবঢ়াৱাৰ কথা ব্যক্ত কৰে। এগৰাকী নিষ্ঠাবান সেৱক হিচাপে ৰাইজৰ অধিকাৰ প্ৰতিষ্ঠাৰ স্বাৰ্থত কাম কৰি যাব বুলিও সভাত মন্তব্য আগবঢ়ায় কংগ্ৰেছৰ টিকট প্ৰত্যাশী কোৰবান আলীয়ে। লগতে ৰাইজক স্থানীয় প্ৰাৰ্থীক গুৰুত্ব দিবলৈ অঅনুৰোধ জনায়। আনকি ৰাইজে পুৰ্ণ সমৰ্থন আগবঢ়ালে কোৰবান আলীয়ে আগন্তুক ২০২৬ৰ বিধান সভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ কথাও ব্যক্ত কৰে। সভাত অধিবক্তা গৰাকীৰ লগতে কবা গৰাকী গণ্য-মান্য লোকে বক্তব্য প্ৰদান কৰে।

# গেলেকী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বিতীয় দ্বি-বাৰ্ষিক সন্মিলন

**অসম বাৰ্তা, গেলেকী, ২ ছেপ্তেম্বৰ ঃ** গেলেকী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বিতীয় দ্বি-বাৰ্ষিক সন্মিলনখন অনুষ্ঠিত হৈ যায়। গেলেকী বদ্ৰীদাস মুদী ছোৱালী হাইস্কুলত অনুষ্ঠিত এই অনুষ্ঠানতে পুৰণি সমিতি ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। এই উদ্দেশ্যে অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে গেলেকী কনিষ্ঠ মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ গেলেকী ৰত্ন সন্মানেৰে সন্মানিত সুৰেশ চেতিয়াই। অনুষ্ঠানত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ শিৱসাগৰ জিলাৰ বিষয়ববীয়াৰ উপৰিও স্থানীয় ভালেসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানতে পুৰণি সমিতি ভংগ কৰি নতুনকৈ উপদেষ্টা ডাঃ বেণু দুৱৰা, পুতুল গগৈ, ৰেজিয়া বেগম, ধিৰেণ খাতনিয়াৰ, ৰেণু হাতীমুৰীয়া, চম্পা বৰুৱা, হেম গগৈ সভাপতি আব্দুল হেলিম, কাৰ্যকৰী সভাপতি হেমন্ত ৰাজখোৱা, উপ-সভাপতি ৰেকিবুল হুছেইন, প্ৰেম বৰগোহাঁই, সাধাৰণ সম্পাদক বসন্ত গগৈ, সহ সম্পাদক মামণি শৰ্মা হাজৰিকা, সাংস্কৃতিক সম্পাদক বাসন্তী দত্ত বৰঠাকুৰ, সাংগাঁথনিক সম্পাদক তনু গগৈ, প্ৰিয়ৰাম শইকীয়া, শিক্ষা সম্পাদক চেনিৰাম বছা সদস্য দিলীপ দত্ত, আব্দুল মাজিদ, তুযেশ্বৰ গগৈ, অকণি পাংগিঙ, বিত্ত সম্পাদক হৰেণ ৰাজখোৱা, পদেন সদস্য - সুৰেশ চেতিয়া, ৰবিন বৰঠাকুৰক লৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়।

# লাহৰীঘাটত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিয়ানত ড্ৰাগছসহ আটক ১ মহিলা

**অসম বাৰ্তা, লাহৰীঘাট, ২ ছেপ্তেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত পুনৰ ড্ৰাগছ সহ এগৰাকী মহিলাক আৰক্ষীয়ে আটক কৰে। মৰিগাঁও আৰক্ষী চোৰাংচোৱা বিভাগ আৰু লাহৰীঘাট আৰক্ষীয়ে এক নিৰ্ভৰযোগ্যৰ খবৰ পমখেদি লাহৰীঘাট থানাৰ অধীনস্থ টেঙাগুৰীৰ কছাৰী গাৱঁত দেওবাৰে নিশা ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই। আৰক্ষীৰ অভিযানত ৯.১৭ গ্ৰাম নিষিদ্ধ ড্ৰাগছ, সহ মোছিদা বেগম নামৰ এগৰাকী মহিলাক নিজ বাসগৃহৰ পৰা হাতে-লোটে আটক কৰে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি এই মোছিদা বেগম মহিলা গৰাকী বাসগৃহৰ পৰাই এই নিষিদ্ধ ড্ৰাগছৰ বেহা চলি আহিছিল টেঙাগুৰি অঞ্চলতোত অভিযোগ উত্থাপন কৰে অঞ্চলটোৰ সচেতন ৰাইজে। বৰ্তমান লাহৰীঘাট আৰক্ষীয়ে ধৃত মহিলা ড্ৰাগছ সৰবৰাহকাৰী গৰাকী বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰি জেল হাজোত লৈ পঠোৱাযোৰ -যাৰ চলাইছে।

# বীৰঝৰা কন্যা মহাবিদ্যালয়ত পাতানি বিতৰণ অনুষ্ঠান

**অসম বাৰ্তা, বঙাইগাঁও, ২ ছেপ্তেম্বৰ ঃ** কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত আৰু সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত বঙাইগাঁও জিলাৰ বীৰঝৰা কন্যা মহাবিদ্যালয়ত সাংস্কৃতিক পোছাক (পাতানি) বিতৰণ কাৰ্যসূচী আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ উপাধ্যক্ষ সুখেন ৰায়, কাৰ্যবাহী সদস্যা পূৰবী সৰকাৰ, কাৰ্যবাহী সদস্য গোলাপ পাঠক, লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বসন্ত কুমাৰ দাস, শিক্ষক-শিক্ষয়িত্ৰী আৰু সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় আৰু জিলাৰ সম্পাদক আৰু সভাপতি। প্ৰায় ১০০ ৰো অধিক ছাত্ৰীয়ে পাতানি গ্ৰহণ কৰে। কাৰ্যবাহী সদস্যা পূৰবী সৰকাৰৰ বিভাগীয় পুঁজিৰ পৰা পাটানি বিতৰণ কৰা হয়। অনুষ্ঠানত অধ্যক্ষ ড° বসন্ত কুমাৰ দাসে মহাবিদ্যালয়ৰ কিছু অভাৱ যেনে—অডিটৰিয়াম, কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু ক্লাছৰ কোঠাৰ অভাৱৰ কথা উল্লেখ কৰি শীঘ্ৰ সমাধানৰ দাবী জনায় কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী পৰিষদ জীৱেশ ৰায়ৰ ওচৰত।

### ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত পৰিকল্পনা অত্যন্ত জৰুৰী ঃ অধ্যাপক যোগেন কলিতা

# টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২ ছেপ্তেম্বৰ** ঃ আগৰ বৰেণ্য মনীষী সকলৰ দ্বাৰা ৰচিত গ্ৰন্থ অধ্যয়ন কৰিলে তেওঁলোকৰ জীৱন চৰ্যাৰ বিষয়ে জানিব পাৰি। ছাত্ৰ- ছাত্ৰীসকলৰ বাবে ভৱিষ্যত পৰিকল্পনা অত্যন্ত জৰুৰী। টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্ৰ কলিতাই এই দৰে কয়। তেখেতে শিক্ষাৰ্থীক উদ্দেশ্যি কয় "আজিয়ে পৰিকল্পনা কৰিব লাগিব। ছাত্ৰ- ছাত্ৰীসকলে ভাবিব লাগিব যে মোৰ শিক্ষাই মোৰ জীৱন। বিশ্ববিদ্যালয়ে শিক্ষা নিদিয়ে, শিক্ষা গ্ৰহণৰ পৰিৱেশহে দিয়ে। নতুন প্ৰজন্মই সমাজৰ কথা ভবা উচিত। সকলোৰে উচ্চাকাংক্ষা থকা উচিত। "সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত সদৌ অসম ছাত্ৰ সন্থাৰ অন্যতম টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত টংলা মহাবিদ্যালয় গোট আৰু টংলা শাখা ছাত্ৰ সন্থাৰ সহযোগত শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত আজি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ২০২৫ বৰ্ষত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ মেধাৱী শিক্ষাৰ্থী আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰাপকক অভিনন্দন জনাবলৈ বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰে। পুৱা ৯ বজাত টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাসে সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু ৯-১৫ বজাত সম্পাদক কনকন দাসে শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে। টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাসৰ সভাপতিত্বত ১১ বজাৰ পৰা অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক চিণ্টুমনি চক্ৰৱৰ্তীয়ে উদ্বোধন কৰে। শিক্ষয়িত্ৰী গায়ত্ৰী দেৱীৰ পৰিচালনাত টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ শিল্পীবৃন্দই পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত আছুৰ সাহিত্য সম্পাদক নিহাৰিকা শইকীয়া, ওদালগুৰি জিলা ৰাভা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক অৰূপ জ্যোতি ৰাভা আৰু টংলা আঞ্চলিক বড়ো ছাত্ৰ সন্থাৰ সভাপতি ৰাজীৱ বড়োই ভাষণ দিয়ে। আসাম টকছৰ বাতৰি পৰিৱেশক, প্ৰযোজক অভিলাষা দাস আৰু এন বি নিউজৰ বাতৰি পৰিৱেশক, প্ৰযোজক অংশুমান গোস্বামীয়ে আঁত ধৰা ছাত্ৰ - ছাত্ৰীৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানত শিক্ষাৰ্থী সকলে গীত নৃত্য পৰিৱেশন কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক দীপজ্যোতি নাথ, সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি বিতোপন দাস, সাধাৰণ সম্পাদক মাধুৰ্য শৰ্মা, অসম সেনাৰ সংগঠক পংকজ শৰ্মা, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপসভাপতি হেমন্ত বড়া কোচ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতিৰ উপ সভাপতি দেৱজিৎ দাস বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অভিনন্দন অনুষ্ঠানত টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ৩৫৫ গৰাকী মেধাৱী শিক্ষাৰ্থী, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত ওদালগুৰি জিলাৰ ভিতৰতে সৰ্ব্বোচ্চ নম্বৰ প্ৰাপক কৃতী ছাত্ৰী নিশিতা শৰ্মা, ওদালগুৰি জিলাৰ ভিতৰতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰ প্ৰাপক বৰ্ণিল পাঠক, হাইস্কুল শিক্ষান্ত পৰীক্ষাত ওদালগুৰি জিলাৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ প্ৰাপক শিৱম জ্যোতি দাস আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰি সুনাম অৰ্জন কৰা জয়ন্ত কুমাৰ বড়ো, সংঘমিত্ৰা চহৰীয়া, চানু চৰকাৰ, প্ৰিয়ংকা তালুকদাৰ, দীপশিখা স্বৰ্গীয়াৰী, টামান্না শৰ্মা জোনমণি ৰাভা, কৌশিক হাজৰিকা আৰু নিমি বিশ্ব কৰ্মাক অভিনন্দন জনোৱা বুলি টংলা আঞ্চলিক ছাত্ৰ সন্থা, টংলা মহাবিদ্যালয় গোট আৰু টংলা শাখা ছাত্ৰ সন্থাৰ বিষয় ববীয়াই জানিবলৈ দিছে। আনহাতে উক্ত অনুষ্ঠানতে চক্ৰধৰ চহৰীয়া আৰু বিলেশ্বৰী চহৰীয়া সোঁৱৰণী শিক্ষা ন্যাসে ২০২৫ বৰ্ষত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ দুখীয়া পৰিয়ালৰ মেধাৱী ছাত্ৰ - ছাত্ৰীক তিনি হাজাৰ এক টকাকৈ আৰ্থিক অনুদান আগবঢ়ায়।

# ধিঙত নিৰাময় যোগ সাধনা কেন্দ্ৰ নামৰ এটি যোগ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**অসম বাৰ্তা, ধিং, ২ ছেপ্তেম্বৰ** ঃ নগাঁও জিলাৰ ধিং কে বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাজেন্দ্ৰ নাৰায়ণ মজুমদাৰ প্ৰেক্ষাগৃহত আজি নিৰাময় যোগ সাধনা কেন্দ্ৰ নামেৰে এটি যোগ প্ৰশিক্ষণ কেন্দ্ৰ আনুষ্ঠানিক ভাৱে মুকলি কৰা হয়। অনুষ্ঠানটিৰ উদ্বোধন কৰে শতদল শাখা সাহিত্য সভাৰ নগাঁও জিলাৰ সাংগাঁথনিক সম্পাদক নিত্যানন্দ বৰাই। এই উপলক্ষে অৱসৰ প্ৰাপ্ত শিক্ষক কুশ মহন্ত সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাৰ উদেশ্য ব্যাখ্যা কৰে মুনমী বৰাই। শিক্ষক হৰগোবিন্দ শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত ধিং জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক খগেন্দ্ৰ নাথ দেৱ শৰ্মা, নিত্যানন্দ বৰা, অৱসৰ প্ৰাপ্ত শিক্ষক তিলেশ্বৰ শইকীয়াই, ভোগৰাম মেধি, ৰীমা শইকীয়া আৰু অৱসৰ প্ৰাপ্ত শিক্ষক কমল শইকীয়া উপস্থিত থাকি ভাষণ প্ৰদান কৰে। সভাত কৃতী শিক্ষক ৰাজু শইকীয়াই, তপন শইকীয়া লগতে প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী অভিভাৱক সকল উপস্থিত থাকে। উল্লেখ্য যে নিৰাময় যোগ সাধনা কেন্দ্ৰত প্ৰত্যেক দিনা পুৱা ৫-৩০ বজাৰ পৰা ৬-৩০ বজালৈ আৰু আবেলি ৪-৩০ বজাৰ পৰা ৫-৩০ বজালৈ প্ৰশিক্ষণ প্ৰদান কৰা হব বুলি অনুষ্ঠানটি প্ৰশিক্ষক মুনমী বৰাই জানিবলৈ দিয়ে।

# লাওখোৱাত অৱসৰী কৃতী শিক্ষয়িত্ৰী, লেখিকা গুণদা দাস হাজৰিকাক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, ৰূপহীহাট, ২ ছেপ্তেম্বৰ** ঃ লাওখোৱা বনগাঁও প্ৰাথমিক বিদ্যালয়ৰ সদ্য অৱসৰী কৃতী শিক্ষয়িত্ৰী তথা লেখিকা গুণদা দাস হাজৰিকা অৱসৰ গ্ৰহণৰ কাৰণে বিদ্যালয়খনত এক বিদায় সভা অনুষ্ঠিত হয়। উক্ত বিদায় সভাত বৰ্তমানৰ বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বহু গণ্যমান্য লোক উপস্থিত থাকে। গুণদা দাস হাজৰিকা ১৯৯৯ চনৰ ১১ নৱেম্বৰত লাওখোৱা বনগাঁও প্ৰাথমিক বিদ্যালয়ত প্ৰথম নিজৰ কৰ্মজীৱনৰ পাতনি মেলিছিল। চাকৰিকালত তেওঁ নিজৰ দায়িত্ব অতি নিষ্ঠা আৰু সততাৰে পালন কৰিছিল। তেওঁ যোৱা ৩০ আগষ্টত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তদুপলে বিদ্যালয়খনত এখনি বিদায়ী সভা অনুষ্ঠিত কৰি কৃতী শিক্ষয়িত্ৰী গৰাকীক বিপুল সম্বৰ্ধনা জনায়। সভাখনত বিদ্যালয়খনৰ কৃতী শিক্ষয়িত্ৰী গৰাকীক বিদায়ী বেলাত এক আৱেগিক পৰিৱেশৰ দৃশ্য দেখিবলৈ পোৱা যায়। সভাখনত উপস্থিত সকলোৱে কৃতী শিক্ষয়িত্ৰী গৰাকীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। কৃতী শিক্ষয়িত্ৰী গুণদা দাস হাজৰিকা শিক্ষকতা কৰাৰ লগতে লিখা-মেলা কৰি কেবাটাও বঁটা লাভ কৰিবলৈ সক্ষম হয়। কৃতী শিক্ষয়িত্ৰী গুণদা দাস হাজৰিকাৰ প্ৰকাশিত গ্ৰন্থখন হ'ল- "ৰজনীগন্ধাৰ সুৱাস"। তেওঁ জীৱনত লাভ কৰা বঁটা সমূহ হল ২০২৪ চনত শিক্ষকতা জীৱনৰ মাদকতাৰ বাবে কৃতী শিক্ষয়িত্ৰীৰ বঁটা, ২০২৫ চনত অসম শিল্পী কাননৰ বঁটা, শিল্পী কাননৰ উদ্যোগত অসম ভাওনা সমাৰোহৰ প্ৰতিযোগিতাত নগাঁও জিলা পুথিভঁৰালত তৃতীয় পুৰস্কাৰ দখল, সদৌ অসম লেখিকা শাখাৰ আজীৱন সদস্যা ও লাওখোৱা ৰজনীগন্ধা শাখাৰ সম্পাদিকা, অসম সাহিত্য সভাৰ আজীৱন সদস্যা, কলিয়াবৰ মহকুমাৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভানেত্ৰী, কলিয়াবৰ জিলাৰ মইনা পাৰিজাতৰ অন্তৰ্গত লাওখোৱা সুগন্ধি মইনা পাৰিজাতৰ সম্পাদিকা, শিক্ষক দিৱস উপলক্ষে কৃতী শিক্ষক বঁটা ও প্ৰমাণ পত্ৰ লাভ ২০২৩ চনত আৰু ২০২৪ চনত ভাৰতীয় দলিত সাহিত্য একাডেমী বঁটা, অসম ৰাজ্যিক সমিতিৰ বঁটা লাভ কৰিছিল।

# ছৈখোৱাৰ হাঁহখাটিত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ হাঁহখাটী উপ-শাখা সমিতি গঠন

**অসম বাৰ্তা, ছৈখোৱা, ২ ছেপ্তেম্বৰ** ঃ যোৱা ইং ৩০ আগষ্ট ২০২৫ তাৰিখে হাঁহখাটী মুলুক গাঁৱৰ ক্লাৱ ভৱনত অসম চাহ জনজাতি ছাত্ৰ সন্থা হাহঁখাটী উপশাখা সমিতিৰ সপ্তম দ্বি- পূৰ্ণ পৰ্যায়ৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। উক্ত সভাত শ্ৰীযুত উপাচ গোৱালাক সভাপতি আৰু শ্ৰীযুত জিতেন উৰাংক সম্পাদক হিচাপে লৈ এখন শক্তিশালী অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ( আটছা) হাহঁখাটী উপ শাখা সমিতিখন গঠন কৰা হয়। সভাখনিত জিলা পৰ্যায়ৰ কেইবাজনো নেতা উপস্থিত থকাৰ উপৰিও কেইবাখনো উপ শাখাৰ কাৰ্যকৰ্তা উপস্থিত থাকি জনগোষ্ঠীটোৰ উত্তৰণৰ ক্ষেত্ৰত আলোচনা কৰে।

# নিৰ্মাণৰ এবছৰৰ নহওতেই বিধ্বস্ত কেইবা কোটিটকীয়া মালেগড়-কাবাইটাৰী পথ

**ষ্ট্যাফ ৰিপ'টাৰ, বঙাইগাঁও, ২ ছেপ্তেম্বৰ** ঃ বঙাইগাঁও জিলাৰ যোগীঘোপা অঞ্চলৰ কেবা কোটি টকীয়া মালেগড়-কাবাইটাৰী পথটো এবছৰ নৌ যাওঁতেই অঞ্চলে অঞ্চলে বিধ্বস্ত হ'বলৈ লোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, অভয়াপুৰীৰ পৰা মালেগড় হৈ কাবাইটাৰীলৈ যোৱা পথৰ পাহাৰীয়া পথ অংশ বাদ দি বাকী অংশ পথৰ দুয়োফালে এক মিটাৰকৈ বহল কৰাৰ বাবে আঁচনি গ্ৰহণ কৰে। সেইমতে মালেগড়ৰ পৰা কাবাইটাৰীলৈ যোৱা ৮ কিল'মিটাৰ ৩৯০ মিটাৰ দৈৰ্ঘ্যৰ পথৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰিছিল নলবাৰীৰ ঠিকাদাৰ মোঁ চৰিদ আলীয়ে। উল্লেখ্য যে, পথচোৱা নিৰ্মাণৰ বাবে ৩ কোটি ১৮ লাখ ৩৯ হাজাৰ ৪০৯ টকা আৱণ্টণ হোৱাৰ বিপৰীতে ৫ বছৰৰ মেৰামতিৰ বাবে ৭৮ লাখ ৭৩ হাজাৰ টকা ধাৰ্য কৰে যদিও পাছলৈ আৱণ্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰা হয়। ভাৰত চৰকাৰৰ গ্ৰামীণ বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা অনুমোদিত আৰু বঙাইগাঁও জিলা ক্ষেত্ৰীয় পথ সংমণ্ডৰ তদাৰকত পথটো আনুষ্ঠানিক ভাৱে নিৰ্মাণ কাৰ্য আৰম্ভ কৰে যদিও কিন্তু নিৰ্মাণ কাৰ্যৰ শামুকীয়া গতি আৰু নিম্ন মানদণ্ডৰ কামে ৰাইজক অতিষ্ঠ কৰি তোলে। স্মৰ্তব্য যে দায়িত্বৰত ঠিকাদাৰে অতি লেহেমীয়াকৈ পথটো নিৰ্মাণ কৰিবলৈ লোৱাত পথটো দুৰ্ঘটনাৰ কাৰক হৈ পৰে। এনে অৱস্থাত ৰাইজ প্ৰতিবামুখৰ হৈ থকাৰ পাছতে ঠিকাদাৰে ততাতয়াকৈ পালমৰা বিধেৰে পথটো পকীকৰণ কৰে। মনকৰিবলগীয়া যে পূৰ্বৰ ৩/৪ ইঞ্চিকৈ পকীকৰণ থকা পথটো ভাঙি মাত্ৰ ১ ইঞ্চি কৰবাত আধা ইঞ্চি ডাঠকৈ পথটো নিৰ্মাণ কৰাত নিৰ্মাণৰ এবছৰ নৌ হওঁতেই পথটো বিধ্বস্ত হৈ যাতায়তৰ অনুপোযোগী হ'বলৈ লৈছে। আনকি দায়িত্বৰত ঠিকাদাৰে ইমানেই পালমৰা বিধেৰে পথটো নিৰ্মাণ কৰিলে যে পথত কোনো যান-বাহন চলাচলৰ কোন সংকেত চিহ্ন নিদিয়াকৈ অন্তৰ্ধান হোৱাৰ পাছতো কোনো দায়িত্বৰত বিষয়াই ৰহস্যজনকভাৱে কোনো ব্যৱস্থা নোলোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ৰাইজৰ মাজত।

# জাজড়িত বিশাল জনগোষ্ঠীয় সমাৰোহ আয়োজন, অভ্যৰ্থনা সমিতি গঠন

**অসম বাৰ্তা, বেবেজীয়া, ২ ছেপ্তেম্বৰ** ঃ নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তৱৰ্তী জাজৰিৰ নিচানতল সমূহীয়া ভৱনত সদৌ অসম গৰিয়া- মৰিয়া- দেশী জাতীয় পৰিষদৰ এখনি সভা অনুষ্ঠিত হয়। পৰিষদৰ নগাঁও আৰু মৰিগাঁও জিলা সমিতিৰ যৌথ উদ্যোগত জাজড়িত চলিত বৰ্ষৰ ১৩ আৰু ১৪ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া বাৰেৰহণীয়া "বিশাল জনগোষ্ঠীয় সমাৰোহৰ" সফল আয়োজনাৰ্থে অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে অনুষ্ঠিত ৰাজহুৱা সভাত পাঁচ শতাধিক লোক সমবেত হয়। জাজৰি আঞ্চলিক সমিতি (মৰিগাঁও জিলাৰ খণ্ড)ৰ সভাপতি আব্দুল হাচিমৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকি সদৌ অসম গৰিয়া- মৰিয়া- দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সভাপতি নুৰুল হক, উত্তৰ-পুৱ যুটীয়া হজ কমিটিৰ অধ্যক্ষ তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা নেকিবুৰ জামান, গীতৰ মাজেৰে জনপ্ৰিয় কণ্ঠশিল্পী নেকিব আহমেদ, পৰিষদৰ উপদেষ্টা মুন আলী ঠাকুৰীয়া, নগাঁও জিলা সমিতিৰ সভাপতি জয়নুদ্দিন আহমেদ, মৰিগাঁও জিলা সমিতিৰ সভাপতি ইবাদুল আলীয়ে ভাষণ প্ৰদান কৰে। লগতে সভাখনিত পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা ফাইজুৰ ৰহমান, কেন্দ্ৰীয় উপসভাপতিদ্বয় চহিদ আলী আহমেদ, ইমৰান হুছেইন, সাংগঠনিক সম্পাদক ইস্তাকুদ্দিন হাজৰিকা, নগাঁও আৰু মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদকদ্বয় ক্ৰমে জাহিদুৰ ৰহমান আৰু মনোৱাৰ হুছেইনৰ উপৰি সমাজসেৱক ইলিয়াছ আহমেদ, আব্দুল বছিৰ, মফিজুদ্দিন আহমেদ, আব্দুল্লাহ আহমেদ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সভাৰ শোভাবৰ্দ্ধন কৰে। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা সভাখনত পৰিষদৰ জাজৰি আঞ্চলিক সমিতিৰ সম্পাদক জিয়াউৰ ৰহমানে উদ্দেশ্য ব্যাখ্যা কৰে। সভাত পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক আৰিফ উদ্দিন আহমেদে আদৰণি ভাষণ ৰখাৰ পিছতে নিলুফা চুলতানা আৰু তেওঁৰ সংগীবৃন্দৰ দ্বাৰা এটি সুন্দৰ জিকিৰ পৰিৱেশন কৰা হয়। আনহাতে, সভাত উপস্থিত থাকি নিজৰ ভাষণ প্ৰসংগত পৰিষদৰ কেন্দ্ৰীয় সভাপতি নুৰুল হকে জাজৰি গাঁওখন ৰাজ্যখনৰ ভিতৰতে এখনি ইতিহাস প্ৰসিদ্ধ গাঁও বুলি কোৱাৰ লগতে বয়ন শিল্পৰ বাবে সুখ্যাত জাজৰিক অসমৰ দ্বিতীয় শুৱালকুছি বুলিও তেওঁ অভিহিত কৰে। সভাত প্ৰাক্তন আছু নেতা তথা জ্যেষ্ঠ অধিবক্তা নেকিবুৰ জামানে ভাষণ প্ৰসংগত কয় যে - চৰকাৰে গৰিয়া, মৰিয়া, দেশী, চৈয়দ, আৰু চাহ জনগোষ্ঠীয় জলহা আদি সম্প্ৰদায়ৰ লোকসকলক অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ মৰ্যাদা দি তেওঁলোকৰ প্ৰাপ্য অধিকাৰ শীঘ্ৰে প্ৰদান কৰিব লাগে। ইয়াৰ পিছতে সৰ্বসন্মতি ক্ৰমে মৰিগাঁও বিধান সভা সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীক সভপতি, জিয়াউৰ ৰহমানক সাধাৰণ সম্পাদক, আৰু ফাইজুদ্দিন আহমেদৰ লগতে ইৰফান আলিক যুটীয়া সম্পাদক ৰূপে লৈ এখনি শক্তিশালী আৰু বৃহৎ আকাৰৰ অভ্যৰ্থনা সমিতি সৰ্বসন্মতিক্ৰমে গঠন কৰা হয়।

# পথালিপাহাৰত উত্তৰ-পূব অসম মটৰ চলক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বান্দৰদেৱা, ২ ছেপ্তেম্বৰ** ঃ উত্তৰ পূব অসম গাড়ী চালক কৰ্মচাৰী ইউনিয়নৰ উদ্যোগত লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰ টোলগেটৰ সমীপৰ কুণ্ডিমামা তিনিআলিত আজি ১ চেপ্টেম্বৰ তাৰিখে মটৰ চালক দিৱস হিচাপে উদযাপন কৰে। পুৱা ভাগতে সন্থাৰ পতাকা উত্তোলন কৰাৰ পাছতে এখনি মুকলি সভা অনুষ্ঠিত হয়। উক্ত সভাত চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ মটৰ চালক কৰ্মচাৰী ইউনিয়নৰ বিষয়ববীয়া সকল উপস্থিত থাকে। মটৰ চালক সকলৰ সমস্যাৰাজিৰ সম্পৰ্কত দুয়োখন ৰাজ্যৰ মাজত বুজা বুজিৰে আগন্তুক দিনত সহায় সহযোগিতা কৰাৰ আশ্বাস প্ৰদান কৰে। সভাত গাড়ী চালক কৰ্মচাৰী সকলৰ হৈ চৰকাৰৰ ওচৰত ১১ দফীয়া দাবী সম্বলিত প্ৰস্তাৱ পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত প্ৰস্তাৱ সমূহত গাড়ী চালক কৰ্মচাৰী সকলৰ চালক আয়োগ, বীমা আৰু ক্ষতিপূৰণ, পেঞ্চন আঁচনি, গৃহ নিৰ্মাণ আঁচনি, উচ্চ শিক্ষা, নিৰাপত্তা, আইনী সুৰক্ষা আদি দাবী সমূহ সন্নিৱিষ্ট কৰা হৈছে। তদুপৰি উক্ত সভাতে বিনোদ প্ৰধানক সভাপতি আৰু হেমন্ত শইকীয়াক সম্পাদক হিচাপে লৈ মটৰ চালক কৰ্মচাৰী ইউনিয়নৰ এখন শক্তিশালী নতুন সমিতি পুনৰ গঠন কৰে।

### প্ৰাৰ্থীৰ দৃঢ় উপস্থিতি গোসাঁইগাঁও মহকুমাৰ পাঁচটা সমষ্টিত

# গোসাঁইগাঁও মহকুমাধিপতি কাৰ্যালয়ত বিটিচি নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল

**অসম বাৰ্তা, গোসাঁইগাঁও, ২ ছেপ্তেম্বৰ** ঃ অহা ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি) নিৰ্বাচনৰ প্ৰাকক্ষণত আজি গোসাঁইগাঁও মহকুমাধিপতি কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ দিন পৰিলক্ষিত হয়। মহকুমাটোৰ অন্তৰ্গত পাঁচটা সমষ্টিৰ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। আজিৰ দিনটোত ৩ নং শ্ৰীৰামপুৰ, জমদুৱাৰ, শৰাইবিল, কচুগাঁও আৰু ২ নং গুমা সমষ্টিৰ পৰা বিপিএফ (BPF), ইউপিপিএল (UPPL) আৰু আম আদমি পাৰ্টি (AAP)-ৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। বিপিএফৰ প্ৰাৰ্থীসকল হ'লঃ ২ নং গুমা সমষ্টিৰ পৰা এন্তাজ আলী, কচুগাঁও সমষ্টিৰ পৰা ৰবিৰাম নাৰ্জাৰী, শৰাইবিল সমষ্টিৰ পৰা মৃত্যুঞ্জয় নাৰ্জাৰী, জমদুৱাৰ সমষ্টিৰ পৰা উইলিয়াম নাৰ্জাৰী, ৩ নং শ্ৰীৰামপুৰ সমষ্টিৰ পৰা মোখলেছুৰ ৰহমান। ইয়াৰ উপৰিও ইউপিপিএলৰ প্ৰাৰ্থীসকলঃ ২ নং গুমা সমষ্টিত মুশিদা বেগম, কচুগাঁও সমষ্টিত উকিল মুছাহাৰী, শৰাইবিল সমষ্টিত ৰাজু কুমাৰ নাৰ্জাৰী, জমদুৱাৰ সমষ্টিত চৰঞ্জীত বসুমতাৰী, ৩ নং শ্ৰীৰামপুৰ সমষ্টিত উইলছন হাচদা, আনহাতে আম আদমি পাৰ্টিৰ পৰা বিকালংগ প্ৰদিপ কুমাৰ মুছাহাৰীয়ে ২ নং গুমা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰতিজন প্ৰাৰ্থীক অনুসৰণ কৰি আহিছিল সমৰ্থকসকলৰ জনসমাগম। নিৰাপত্তাৰ দৃষ্টিকোণৰ পৰা জিলা প্ৰশাসনে অধিক সংখ্যক আৰক্ষী বাহিনী মোতায়েন কৰি প্ৰতিটো প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন কৰে। উল্লেখ্য যে আগন্তুক বিটিচি নিৰ্বাচন সমষ্টিবোৰত বহুদিনৰ আগৰ পৰা ৰাইজৰ মাজত এক উচ্ছাসৰ পৰিৱেশ সৃষ্টি কৰিছে। দলবোৰে জনসংযোগ আৰু প্ৰচাৰত গতি আনিবলৈ আৰম্ভ কৰিছে।

# এখন প্লাষ্টিকমুক্ত মায়ং গঢ়াৰ সংকল্পৰে ৰজামায়ং আৰু হাদুগপাৰ ইক' ডেভেল'পমেণ্ট সমিতিৰ অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২ ছেপ্তেম্বৰ** ঃ ৰজামায়ং ইক' ডেভেল'পমেণ্ট সমিতি আৰু হাদুগপাৰ ইক' ডেভেল'পমেণ্ট সমিতিৰ যৌথ উদ্যোগত আৰু পবিতৰা অভয়াৰণ্যৰ পূৰ্ণ সহযোগত আজি পবিতৰা অভয়াৰণ্যৰ সমীপৱৰ্তী এলেকাত প্লাষ্টিক আৱৰ্জনা আৰু পাৰ্থেনিয়াম দূৰীকৰণৰ অভিযান এটা সফলতাৰে সম্পন্ন হয়। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ খেলপথাৰত অভিযানটোৰ শুভ উদ্বোধন কৰে পবিতৰা অভয়াৰণ্যৰ বনাঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই। অভিযানটো শুভ উদ্বোধন কৰি তেখেতে কয় প্লাষ্টিকৰ আৱৰ্জনাই পবিতৰাৰ জৈৱ-বৈচিত্ৰ্যলৈ এক ভাবুকি কঢ়িয়াই আনিছে আৰু সেয়েহে প্লাষ্টিক ব্যৱহাৰৰ বিৰুদ্ধে এক জনমত গঠন কৰাটো অতি প্ৰয়োজন হৈ পৰিছে। মহাবিদ্যালয়ৰ খেলপথাৰৰ পৰা আৰম্ভ কৰি পবিতৰাৰ দাঁতি-কাষৰীয়া শিমলুগুৰি- তামোলী ডোভা হৈ গৰঙাপাৰলৈ চলা এই অভিযানত পথৰ দুয়োপাৰে পৰি থকা পৰ্যাপ্ত পৰিমাণৰ প্লাষ্টিক আৱৰ্জনা, পলিথিন, পানীৰ বটল, চিপছৰ পেকেট, শিখৰৰ পেকেট ইত্যাদি পেলনীয়া সামগ্ৰী সংগ্ৰহ কৰি অঞ্চলটো পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি তুলা হয়। উল্লেখ্য যে দেশী-বিদেশী পৰ্যটকৰ বাবে আকৰ্ষণীয় স্থল হৈ উঠা মায়ং-পবিতৰা অঞ্চলটোৰ সেউজীয়া ভুখণ্ডৰ বিভিন্ন স্থানত বিভিন্ন সময়ত অসচেতন ব্যক্তি সকলে পেলোৱা প্লাষ্টিকৰ আৱৰ্জনাই সেউজীয়া অঞ্চলটোৰ জৈৱ- বৈচিত্ৰ্যৰ প্ৰতি একপ্ৰকাৰ ভাবুকিৰ সৃষ্টি কৰিছে। সেয়েহে উল্লিখিত ইক' ডেভেল'পমেণ্ট সমিতি দুখনে এই অভিযানৰ জৰিয়তে অঞ্চলটো পৰিষ্কাৰ কৰি তুলাৰ লগতে ৰাইজৰ মাজতো প্লাষ্টিকৰ ব্যৱহাৰ বিৰুদ্ধে জনসজাগতা সৃষ্টিৰ এক সুন্দৰ প্ৰয়াস কৰিছে। ৰজামায়ং ইক' ডেভেল'পমেণ্ট সমিতিৰ সভাপতি ড০ উৎপল নাথ আৰু হাদুগপাৰ ইক' ডেভেল'পমেণ্ট সমিতিৰ সভাপতি মনোজ কুমাৰ নাথে জনোৱা মতে চৰকাৰী- বেচৰকাৰী বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহায়-সহযোগত অনাগত সময়ত মায়ং-পবিতৰা অঞ্চলটোক এটি প্লাষ্টিক মুক্ত অঞ্চল হিচাপে গঢ়ি তোলাৰ বাবে এক পৰিকল্পনা হাতত লোৱা হৈছে। এই পৰিকল্পনাক সাকাৰ ৰূপ দিবলৈ সকলো পক্ষৰে পূৰ্ণ সহায়-সহযোগ তেওঁলোকে একান্ত ভাৱে কামনা কৰিছে। উল্লেখ্য যে আজি পুৱা ৭.৩০ বজাৰ পৰা ১২.৩০ বজালৈ চলা এই অভিযানত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড০ ফণীভূষণ নাথ, মহাবিদ্যালয়ৰ বৰ্তমানৰ উপাধ্যক্ষ কবিতা মেধি, ৰজামায়ং গাঁও উন্নয়ন সমিতিৰ সভাপতি এধান চন্দ্ৰ নাথ, সম্পাদক সদানন্দ নাথ, প্ৰাক্তন সভাপতি ৰাজেন নাথ, ইক' ডেভেল'পমেণ্ট সমিতি দুখনৰ সভাপতি/ সম্পাদকৰ লগতে বিষয়ববীয়া দিলীপ নাথ, মধুৰাম নাথ, দুলেন নাথ, দুৰ্গেশ্বৰ নাথকে ধৰি ৰজামায়ং গাঁৱৰ প্ৰায় দুই শতাধিক পুৰুষ-মহিলাই স্বেচ্ছাই অংশগ্ৰহণ কৰে। পৱিতৰা অভয়াৰণ্যৰ বনাঞ্চলিক বিষয়াৰ নেতৃত্বত অভয়াৰণ্যখনৰ কৰ্মচাৰী সকলৰ লগতে মায়ঙৰ তিনি তাৰকা যুক্ত পৰ্যটন নিৱাস 'মিষ্টিক মায়ং'ৰ কৰ্মচাৰী সকলেও আজিৰ অভিযানত পূৰ্ণ সহায়-সহযোগিতা আগবঢ়ায়।

# ডিব্ৰুগড় বিজ্ঞান সমিতিৰ বাৰ্ষিক সভা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ ডিব্ৰুগড়, ২ ছেপ্তেম্বৰ** ঃ ডিব্ৰুগড় বিজ্ঞান সমিতিৰ বাৰ্ষিক সভাখনি আজি ( ৩১ আগষ্ট) ডিব্ৰু মহাবিদ্যালয়ত সম্পন্ন হয়। শাখাৰ সভাপতি ড° ভাৰতী দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছত সম্পাদকে বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে। বিগত বছৰটোত পোন্ধৰটাৰো অধিক গুৰুত্বপূৰ্ণ কাৰ্যসূচী সম্পন্ন কৰা হয় আৰু ইয়াৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান বিষয়ৰ তৰ্ক প্ৰতিযোগিতা, বিদ্যালয়ত বিজ্ঞান তথা স্বাস্থ্য সজাগতা সম্পৰ্কীয় বক্তৃতানুষ্ঠান, বিশ্ব জল দিৱস, মহান বিজ্ঞানীৰ শতবৰ্ষ অনুষ্ঠান, বিজ্ঞান তথা অংকৰ কৰ্মশালা আদি উল্লেখযোগ্য অনুষ্ঠানৰ সম্পাদনাৰে শাখাটিয়ে সক্ৰিয়ভাৱে সমাজত বিজ্ঞানৰ প্ৰচাৰ-প্ৰসাৰত অৱদান আগবঢ়াই আহিছে। কোষাধ্যক্ষ ড° যশোৱন্ত সিংৰ বিত্তীয় প্ৰতিবেদন দাখিলৰ পাছতে আগন্তুক বছৰৰ কাৰ্যসূচী সম্পৰ্কত আলোচনা কৰা হয়। উপদেষ্টা ড° পৰমানন্দ মহন্ত, কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাস, সহঃ সম্পাদক অজিত শৰ্মাই গঠনমূলক পৰামৰ্শ আগবঢ়ায়। বিশিষ্ট বিজ্ঞানী প্ৰয়াত সত্যন্দ্ৰ নাৰায়ণ চৌধুৰীৰ শতবৰ্ষ উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভানেত্ৰীয়ে মন্তব্য আগবঢ়াওঁতে শাখাৰ কাম-কাজসমূহত সন্তোষ প্ৰকাশ কৰে। শলাগৰ শৰাই আগবঢ়ায় সম্পাদক নাচিৰ চুলতানে।

# কংগ্ৰেছৰ দ্বাৰা মাতৃ সমাজক অপমান কৰাৰ বাবে ধুবুৰীত বিজেপিৰ প্ৰতিবাদী কাৰ্যসূচী

**অসম বাৰ্তা, ধুবুৰী, ২ ছেপ্তেম্বৰ** ঃ বিহাৰৰ ডাৰভাঙ্গাত কংগ্ৰেছৰ এখন দলীয় সভাত ৰাহুল গান্ধীৰ মদদপুষ্ট এগৰাকী পালিনেতাই ভাৰতৰ যশস্বী প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীজীৰ লগতে তেখেতৰ স্বৰ্গগামী মাতৃক যি অশ্ৰাব্য শব্দ প্ৰয়োগ কৰি কটু সমালোচনা কৰিছিল তাৰ প্ৰতিবাদকল্পে কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ, অসমৰ পৰা তেলেংগনালৈ সবত্ৰে ভাৰতীয় জনতা পাৰ্টিয়ে ভাৰতীয় মাতৃ সমাজক কৰা অপমানৰ বাবে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। তদ্ৰূপ ধুবুৰী জিলা ভাৰতীয় জনতা পাৰ্টিৰ নেতৃত্বত জিলাৰ মহিলা মৰ্চা, সকলো স্তৰৰ কাৰ্য্যকৰ্তাৰ উপৰিও সমাজৰ মাতৃ সকলেওঁ ওলাই আহি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি ধুবুৰী পৌৰসভাৰ পৌৰপতি দেৱময় স্যান্যালদেৱ, গোলকগঞ্জ সমষ্টিৰ প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰদেৱ, ধুবুৰী গৌৰীপুৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দীপক সাহাদেৱ, জিলাৰ উপ সভানেত্ৰী ৰঞ্জিতা আগৰৱালা, মহিলা মৰ্চাৰ সাধাৰণ সম্পাদিকা কংগনা বৰুৱা, উত্তম প্ৰসাদ আদিয়ে ভাষণ প্ৰদান কৰে। কাৰ্যসূচীত উপস্থিত থাকি জিলাৰ সভাপতি ৰঞ্জিত কুমাৰ ৰায়দেৱ তীব্ৰ প্ৰতিবাদ জনাই উল্লেখ কৰে যে, কংগ্ৰেছ দলে যোৱা পোন্ধৰ বছৰ কাল শাসনৰ গাদী হেৰুৱাই হিতাহিত জ্ঞান নোহোৱা হৈছে। ফলত মাজেমধ্যে এনেধৰণৰ ভাৰতীয় দৰ্শন বিৰোধী আৰু সংস্কাৰহীন মন্তব্য প্ৰকাশ কৰি বাৰে বাৰে ভাৰত বৰ্ষক হেওঁ প্ৰতিপন্ন কৰি আহিছে। এয়াই কংগ্ৰেছৰ সংস্কাৰ, আদৰ্শ। বৰ্তমান গোটেই ভাৰতবৰ্ষক অচিনাকি মানুহৰ নেতৃত্ব দি অহা ৰাহুল গান্ধীক চিনাকি ভাৰতীয়ই কেতিয়াও ক্ষমা নকৰে। ইয়াৰ প্ৰতুত্তৰ অহা সকলোবোৰ ৰাজ্যৰ নিৰ্বাচনত কংগ্ৰেছৰ বিৰুদ্ধে মতদান কৰি ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ গঠন কৰি কংগ্ৰেছ মুক্ত ভাৰত গঢ়ি তুলিব, সেয়া ধ্ৰুৱপ। ৰাহুল গান্ধীয়ে অপসংস্কৃতিৰ জৰিয়তে নৱপ্ৰজন্মৰ কংগ্ৰেছী সকলোক যে কুনেতৃত্ব প্ৰদানেৰে ভৱিষ্যতৰ সমাজ খনক কুলষিত কৰিবলৈ আগবাঢ়িছে এই ঘটনাবোৰে প্ৰমাণ কৰে। অপসংস্কাৰৰ খনিৰ পৰা নৱপ্ৰজন্মৰ কংগ্ৰেছৰ প্ৰতিনিধি সকলোক ওলাই আহি ভাৰতৰ আদৰ্শৰে আদৰ্শিত হবলৈ আহ্বান জনাই। ৰাহুল গান্ধী দৰে নেতাবোৰক ভৱিষ্যতে এনে গৰ্হিত কামৰ পৰা আঁতৰি থাকিবলৈ সকিয়াই দিয়ে আৰু তীব্ৰ গৰিহণা প্ৰদান কৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি কংগ্ৰেছৰ জিলা কাৰ্য্যালয়ো ঘেৰাওঁ কৰা হয়।

### অসম ৰাজ্যৰ ইতিহাসত প্ৰথমবাৰ 'জানী চিকাৰ উৎসৱ' উদ্‌যাপন

# জানী চিকাৰ আদিবাসী মহিলাৰ কেৱল ইতিহাস নহয়, আমাৰ পৰিচয়ো ঃ ড° সোণা ঝাৰিয়া মিঞ্জ

**অসম বাৰ্তা, লীলাবাৰী, ২ ছেপ্তেম্বৰ** ঃ অসমত পোনপ্ৰথমবাৰৰ বাবে আদিবাসী জনগোষ্ঠীৰ মহিলাসকল একত্ৰিত হৈ জনজাতীয় মহিলাসকলৰ সাহস, বুদ্ধিমত্তা আৰু নেতৃত্বৰ প্ৰতীকস্বৰূপ উৎসৱ 'জানী চিকাৰ উৎসৱ' পালন কৰে। উদ্যোগ লয়-সদৌ অসম আদিবাসী মহিলা সন্থা চমুকৈ 'আৱা' শীৰ্ষক অসমৰ অন্যতম নাৰী সংগঠনে। সপ্তদশ শতিকাৰ আৰম্ভণিতে তদানীন্তন ছোটনাগপুৰ মালভূমি অঞ্চলৰ ৰোহতাশগড়ত (বৰ্তমান বিহাৰ ৰাজ্য) আদিবাসী জনগোষ্ঠীৰ ওৰাওঁ জনজাতিৰ মহিলাই পুৰুষৰ বস্ত্ৰ পৰিধান কৰি দুবাৰকৈ মোগল সাম্ৰাজ্যৰ সৈন্য বাহিনীক পৰাস্ত কৰিছিল। আদিবাসী মহিলাৰ এনে সাহসিকতাই তেওঁলোকৰ সৱলীকৰণৰ ক্ষেত্ৰত জীৱন্ত প্ৰতীক হিচাপে চিহ্নিত হৈছে। উল্লেখ্য যে, আদিবাসী জনগোষ্ঠীৰ ওৰাওঁ জনজাতিৰ কুডুখ ভাষাত 'জানী'ৰ অসমীয়া প্ৰতিশব্দ মহিলা আৰু আদিবাসী মহিলাসকলে পুৰুষৰ ছদ্মবেশেৰে যুদ্ধ কৰা সম্পৰ্কত মোগলসকলে বাৰ বছৰৰ পাছত অনুভৱ কৰিছিল বাবেই এই উৎসৱটি বাৰ বছৰত এবাৰকৈ উদ্‌যাপন কৰে। সদৌ অসম আদিবাসী মহিলা সন্থাৰ কেন্দ্ৰীয় সমিতি আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত উৎসৱটিত সমগ্ৰ ৰাজ্যৰ পৰা ডেৰ সহস্ৰাধিক আদিবাসী মহিলাসকলে পৰম্পৰাগত আৰু যোদ্ধা দুয়োধৰণৰ পোছাক পৰিধান কৰাৰ লগতে হাতত বালুৱা, ধেনু-

### আদিবাসীৰ ইতিহাস আদিবাসীয়েই লিখিব




কাঁড় আৰু তৰোৱালেৰে সম্পূৰ্ণৰূপে চিকাৰলৈ যোৱাৰ কিংবদন্তি ফুটাই তোলাৰ উপৰিও সকলোকে আকৰ্ষিত কৰিছিল। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপিকা তথা 'UNESCO'ৰ উপ-অধ্যক্ষ ড° সোণা ঝাৰিয়া মিঞ্জে উৎসৱটিত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি জানী চিকাৰৰ ইতিহাসৰ লগতে নিজৰ বুৰঞ্জী নিজে লিখিব লাগে বুলি উল্লেখ কৰে। তেখেতে কয়, আদিবাসী মহিলাসকলে চিকাৰৰ বাবে বাহিৰলৈ গৈছিল, তেওঁলোকে কেতিয়াও খালী হাতেৰে ঘূৰি অহা নাছিল। সেয়াই আমাৰ শক্তি। যদি আমি আমাৰ অৱস্থা সলনি কৰিব বিচাৰো, তেন্তে আমি নিজে সঠিক পদক্ষেপ তথা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। জানী চিকাৰ কেৱল ইতিহাস নহয়, ই আমাৰ পৰিচয়ো। 'আদিবাসী' শব্দটোৰ সম্পৰ্কত ড° মিঞ্জে উল্লেখ কৰে যে, আদিবাসী লোকসকলৰ শক্তি 'আদিবাসী' শব্দটোতহে আছে- ইয়াৰ অৰ্থ হৈছে মূল অধিবাসী। অসমৰ আদিবাসী লোকসকলক অনুসূচীত জনজাতি হিচাপে স্বীকৃতি দিয়া হওক বা নহওক, আপুনি য'তেই থিতাপি লৈছে, আপুনি আদিবাসী আৰু আদিবাসী হৈয়ে থাকিব। তেখেতে জোৰদি কয়, আদিবাসীসকলে নিজৰ বুৰঞ্জী নিজে লিখা উচিত, তাৰ বাবে নৃতত্ব বিষয় অধ্যয়ন কৰাটো আদিবাসীসকলৰ বাবে বিশেষ জৰুৰী হ'ব। ড° মিঞ্জে অসমৰ আদিবাসী লোকসকলে নিজৰ জনজাতীয়-কুডুখ, মুণ্ডাৰী, খাড়ীয়া, চাওঁতালী আদি ভাষাবিলাক বচাই ৰখাৰ বাবে উচ্চ প্ৰশংসা কৰে। ঝাড়খণ্ড ৰাজ্য চৰকাৰৰ সৰ্বকনিষ্ঠ বিধায়ক তথা কেবিনেট মন্ত্ৰী শিল্পী নেহা তিৰ্কীয়ে উৎসৱটিত সন্মানীয় অতিথি ৰূপে অংশগ্ৰহণ কৰি অসমৰ আদিবাসী জনগোষ্ঠীৰ লোকসকলৰ সৈতে আৱেগিক সম্পৰ্ক ভাগ-বতৰা কৰি কয়, অসমৰ আদিবাসীসকলৰ প্ৰতি থকা থকা উষ্ম শ্ৰদ্ধা আৰু মৰমে একে পৰিয়ালৰ দৰে অনুভৱ কৰাইছে। মোগলসকলক পুৰুষৰ ছদ্মবেশত থকা মহিলাসকলে পৰাজিত কৰা বুলি অনুভৱ কৰিবলৈ বাৰ বছৰ লাগিছিল, সেইদৰেই অসমৰ আদিবাসী লোকসকলে ভাৰতীয় সংবিধান প্ৰদত্ত মৌলিক অধিকাৰৰ পাবৰ বাবে আমি সময় লাগিব পাৰে। কিন্তু প্ৰতি বাৰ বছৰত এবাৰকৈ জানী চিকাৰ উদযাপন কৰিছো, ঠিক তেনেকৈ আদিবাসী ভাষা-সংস্কৃতি বচাই ৰাখিলে অধিকাৰ সমূহ লাভ কৰিবলৈ বেছি দিন নালাগিব। 'আৱা'ৰ সভানেত্ৰী পাউলীনা এক্কাই পৰিচালনা কৰা অনুষ্ঠানটিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° পুষ্পা চাম্পিয়া, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° নমামী শৰ্ম্মাই জানী চিকাৰ উৎসৱৰ সাংস্কৃতিক আৰু ঐতিহাসিক গুৰুত্ব সন্দৰ্ভত বক্তব্যত আলোকপাত কৰে। সংগঠনটিৰ কৰ্মকৰ্তা সুজাতা পুৰ্তিয়ে আঁত ধৰা অনুষ্ঠানটিত 'আৱা'ৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বেৰোণিকা তিৰ্কী, 'আছা'ৰ সভাপতি গডউইন হেমৰম, মুণ্ডা মহাসভা মহিলা কোষৰ সভানেত্ৰী ৰেখা মুণ্ডা, বস্কো ইনষ্টিটিউটৰ অধ্যাপক ড° প্ৰবীণ টপ্ন, সৰুপথাৰৰ প্ৰাক্তন বিধায়ক ৰ'জলীনা তিৰ্কী, 'আছা'ৰ প্ৰাক্তন সভাপতি ৰাফেল কুজুৰ, অসম ভূমিজ সমাজ মহিলা সমিতিৰ সাধাৰণ সম্পাদিকা জুহী ভূমিজ, 'আসাম ট্ৰিবিউন' কাকতৰ জ্যেষ্ঠ সাংবাদিক পৰেশ আইন্দ, 'এন.ই. টিভি'ৰ প্ৰাক্তন পৰিচলন সম্পাদক বিক্ৰম এক্কাকে ধৰি বহুকেইগৰাকী আদিবাসী শিক্ষাবিদ, সাংবাদিক আৰু ছাত্ৰনেতাই অংশগ্ৰহণ কৰে।

## সম্পাদকীয়

# অভিৰুচি ক্ৰীড়া দিৱস

এখন দেশ, এখন ৰাজ্যৰ পৰিচয় কেৱল ইয়াৰ ভৌগোলিক সীমাৰেৰে সীমাবদ্ধ নহয়। ইয়াৰ সাংস্কৃতিক ঐতিহ্য, সাহিত্য-সংস্কৃতি আৰু ক্ৰীড়াৱাজিয়ে দেখ এখনক বিশেষ মৰ্যাদা প্ৰদান কৰে। অসমীয়া জাতিৰূপে আমাৰ পৰিচয়ত কেৱল নাম আৰু ঠিকনা নহয়, আমাৰ বীৰযোদ্ধা লাচিত বৰফুকন, মহান সংস্কাৰক শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, অসংখ্য সাহিত্যিক-সাংস্কৃতিক ব্যক্তিত্বৰ নামৰ সৈতে অংকিত হৈ আছে এগৰাকী ধ্ৰুৱতৰা খেলুৱৈৰ নাম— ভোগেশ্বৰ বৰুৱা। তেওঁৰেই জন্মদিন উপলক্ষ্যে প্ৰতি বছৰে ৩ ছেপ্টেম্বৰত পালন কৰা হয় 'অভীৰুচি ক্ৰীড়া দিৱস'। এই দিনটো কেৱল এটা উৎসৱৰ দিন নহয়, ই এক পৰম্পৰা, এক অনুপ্ৰেৰণা আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে এক দায়িত্বৰ ইংগিত। ভোগেশ্বৰ বৰুৱা আছিল অসমৰ প্ৰথম অৰ্জুন বঁটা বিজয়ী। ১৯৬৬ চনত তেওঁ এই সন্মান লাভ কৰে। কিন্তু তেওঁৰ সাফল্যৰ আটাইতকৈ ডাঙৰ দিশটো হ'ল— সীমিত সুবিধা, অত্যন্ত সাধাৰণ পৰিৱেশৰ পৰা আত্মবিশ্বাস, অধ্যৱসায় আৰু কঠোৰ পৰিশ্ৰমৰ জোৰত বিশ্বৰ শীৰ্ষস্থানত নিজৰ স্থান সাব্যস্ত কৰা। তেওঁ প্ৰমাণ কৰি দিলে যে অসমীয়াও বিশ্ব দৰবাৰত ভাৰতৰ পতাকা উৰুৱাব পাৰে। আজিৰ যুগৰ স্মাৰ্টফোন, ইণ্টাৰনেট, অসংখ্য কোচিং চেণ্টাৰৰ যুগত ভোগেশ্বৰ বৰুৱাৰ সেই যাত্ৰাপথটো কল্পনা কৰাটোও কঠিন। কিন্তু তেওঁ কৰি দেখুৱালে। সেয়েহে, অভীৰুচি ক্ৰীড়া দিৱসৰ মূল লক্ষ্য হ'ল এই মনোবল আজিৰ নৱপ্ৰজন্মৰ মনত সিঁচৰতি কৰা। দুৰ্ভাগ্যজনকভাৱে, আজিৰ সময়ত ক্ৰীড়া আৰু যুৱসমাজৰ মাজত এক বিশাল দুৰত্বৰ সৃষ্টি হৈছে। ডিজিটেল বিনোদন, চ'চিয়েল মিডিয়াৰ নিচা, পৰীক্ষাকেন্দ্ৰিক শিক্ষা ব্যৱস্থাই আমাৰ ডেকা-গাভৰুসকলক খেলপথাৰৰ পৰা আঁতৰাই আনিছে। শাৰীৰিক সুস্থতা হ্ৰাস পোৱাৰ লগতে এটা অসুস্থ আৰু অপ্ৰতিযোগিতামূলক মানসিকতা ঠাই পাইছে। এনে পৰিৱেশত ক্ৰীড়া দিৱসৰ দিনটোৱে আমাক সোঁৱৰাই যে খেলে ধেমালিয়ে কেৱল মানসিক চাপ কমোৱাই নহয়, ইয়াৰ জৰিয়তে শিকিব পাৰি নেতৃত্ব, দলগত ভাৱনা, শিষ্টাচাৰ, পৰাজয়ক সাৰটি ল'ব পৰা সৎ সাহস আৰু বিজয়ী হ'লেও নম্ৰ হৈ থকাৰ দৰে গুৰুত্বপূৰ্ণ জীৱনদৰ্শন। আজিৰ দিনত প্ৰয়োজন হ'ল এই পৰম্পৰাক বাচি ৰখা। শাসকীয় পৃষ্ঠপোষকতা, শিক্ষানুষ্ঠানসমূহৰ সক্ৰিয় অংশগ্ৰহণ আৰু সমাজৰ দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ জৰিয়তে অভীৰুচি ক্ৰীড়া দিৱসক আৰু অধিক ব্যাপকভাৱে পালন কৰাৰ সময় আহিছে। প্ৰত্যেকখন বিদ্যালয়-মহাবিদ্যালয়, প্ৰত্যেকটা স্থানীয় ক্লাবে এই দিনটোত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰিব পাৰে। কেৱল প্ৰতিযোগিতাই নহয়, ভোগেশ্বৰ বৰুৱা আৰু অসমৰ অন্যান্য মহান খেলুৱৈসকলৰ জীৱনী, তেওঁলোকৰ সংগ্ৰামৰ কথাৰ ওপৰত আলোচনা চক্ৰ, বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰিলে নতুন প্ৰজন্মে অনুপ্ৰেৰণা লাভ কৰিব।

অভীৰুচি ক্ৰীড়া দিৱস হৈছে আমাৰ ক্ৰীড়া ঐতিহ্যৰ এক জীৱন্ত সাক্ষী। ই আমাৰ গৌৰৱময় অতীতক সোঁৱৰাই দিয়াৰ লগতে এটা সুস্থ, সক্ৰিয় আৰু পৰিশ্ৰমী ভৱিষ্যত গঢ়াৰ আহ্বান জনায়। ভোগেশ্বৰ বৰুৱাই যিদৰে অসমক বিশ্বৰ মেপত স্থান দিলে, ঠিক তেনেদৰে আজিৰ যুৱক-যুৱতীসকলেও যাতে বিভিন্ন ক্ষেত্ৰত (ক্ৰীড়া হ'ক বা অন্যান্য) নিজৰ প্ৰতিভাৰে অসমৰ নাম উজ্জ্বল কৰিব পাৰে, সেই লক্ষ্যেই 'অভীৰুচি ক্ৰীড়া দিৱস'-পালন কৰিব লাগে। আহক, আমি সকলোৱে এই উদ্যোগত অংশগ্ৰহণ কৰোঁ আৰু আমাৰ নতুন প্ৰজন্মক এক সুস্থ আৰু সফল জীৱনৰ বাট দেখুৱাওঁ।

•••'অপাৰেচন সিন্দুৰৰ' গতি-প্ৰকৃতি গভীৰভাৱে লক্ষ্য কৰিলে দেখা যায় যে ভাৰতৰ অপাৰেচন সিন্দুৰৰ চমকে গোটেই পৃথিৱীতে চমক সৃষ্টি কৰিছে। এখন পৰমাণু অস্ত্ৰ সমৃদ্ধ দেশক আঘাত কৰি বিৰাট প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল। এই প্ৰত্যাহ্বানে অকল পাকিস্তানৰ শক্তি, আত্মম্ভৰীতা আৰু জেহাদী চক্ৰবেহুকেই ধূলিসাৎ কৰি দিয়া নাই, লগতে কেইবাখনো শক্তিমান দেশৰ শক্তিৰ অহংকাৰকো নস্যাৎ কৰি পেলালে। চীনৰ মিছাইল ডিফেন্স চিষ্টেম আৰু অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ নিৰ্ভৰযোগ্যতা বিশ্ববাসীৰ আগত প্ৰমাণিত কৰিলে। আমেৰিকাৰ বিমানো অস্তিত্বহীন কৰি দেখুৱালে। ইৰানৰ ড্ৰোণ ভাৰতীয় অস্ত্ৰৰ সন্মুখত খেলনাত ৰূপান্তৰিত হ'ল। তাতকৈ আৰু অলপ আগুৱাই গৈ আমেৰিকাৰ সংৰক্ষণত থকা পাকিস্তানৰ আণৱিক অস্ত্ৰ ভাণ্ডাৰকে খুন্দিয়াই থৈ আহিল। ফলত অস্ত্ৰৰ বেহা- বেপাৰ কৰি ধন উপাৰ্জন কৰা আমেৰিকা আৰু চীনৰ অস্ত্ৰৰ বেপাৰ ডুবাৰ উপক্ৰম হ'ল। •••

# ট্ৰাম্পৰ টাৰিফ টাৰিফ খেলঃ ভাৰতৰ শক্তিশেল

**ড° আৰ কে বেজবৰুৱা**

এসময়ৰ সমৃদ্ধিৰে পৰিপূৰ্ণ ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপট গ্ৰীক, মঙ্গোল, আফগান, মোগল আদি কিছুমান জাতিৰ আক্ৰমণ আৰু উত্থান-পতন আদিৰে ভাৰাক্ৰান্ত হৈ পৰিছিল। কিন্তু বৃটিছৰ আগ্ৰাসনৰ পটভূমিত ভাৰতীয় প্ৰেক্ষাপটত ইউৰোপৰ জাতিসমূহক বাদ দিয়ো সমগ্ৰ বিশ্বৰ বিভিন্ন পৰিঘটনাই ধীৰে ধীৰে প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিছিল।

তাৰ পূৰ্বেই ১৭৮৯ চনত বিশ্বৰ ৰাজনীতি আৰু আৰ্থ-সামাজিক গতি-প্ৰকৃতিত ফৰাছী বিপ্লৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ইয়েই ভৱিষ্যতৰ পৃথিৱীখনৰ ৰূপ সলনি কৰাত একক ভূমিকা পালন কৰিছিল। তাৰ পিছত আন এটা গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হৈছিল ৰাছিয়াত। ১৯১৭ চনত ৰাছিয়াত সংঘটিত বিপ-ৱে বিশ্ব ৰাজনীতিত নজিৰ বিহীন নীতি এটা স্থাপন কৰিছিল। ফৰাচী বিপ্লৱে বিশ্ববাসীৰ সন্মুখত স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ আদি নতুন প্ৰকল্প কিছুমান দাঙি ধৰিছিল। তাৰ বিপৰীতে ৰুছ বিপ্লৱৰ বক্তব্য আছিল, 'সমাজৰ প্ৰলেটৰীয়েট শ্ৰেণীটোক ৰাজনৈতিক আৰু সামাজিক জীৱনত সমতা প্ৰদান কৰা'।

নেপোলিয়ন বোনাপাৰ্টে 'প্ৰাচ্য'ৰ ধাৰণাৰ সৈতে সমগ্ৰ পাশ্চাত্যক পৰিচয় কৰাই দিছিল। এই ধাৰণাটো মূলতঃ আছিল প্ৰাচ্যৰ সৈতে পাশ্চাত্যৰ এটা বেহা-বেপাৰৰ সম্পৰ্ক আৰু এটা ৰাস্তা নিৰ্মাণ কৰা। তাতোকৈ আৰু অলপ আগলৈ গৈ স্পষ্ট ছবি এখন তুলি ধৰা হৈছিল, প্ৰাচ্যৰ ভূখণ্ডত কোনে নিজৰ আধিপত্য বিস্তাৰ কৰিব পাৰে, সেই লৈ ইউৰোপৰ প্ৰতিটো ৰাষ্ট্ৰ শক্তিৰ অৰিয়া-অৰিৰ। ইৰোপৰ শক্তিশালী জাতি সমূহে প্ৰাচ্যত দৃষ্টি নিবদ্ধ কৰি থকাৰ সময়তেই নেপোলিয়নে চিৰীয়া আৰু ইজিপ্ত অধিকাৰৰ প্ৰয়াস কৰিছিল। ৰাছিয়াৰ গোপন অভিলাষা আছিল - কৃষ্ণ সাগৰ অঞ্চলত নিজৰ আধিপত্য বিস্তাৰ কৰি ভূমধ্য সাগৰলৈ যোৱা এটা পথ নিৰ্মাণ কৰা। স্পষ্টতঃ - অটোমান সাম্ৰাজ্যৰ ওপৰত ৰাছিয়াৰ প্ৰভুত্ব স্থাপন কৰা। সেয়েহে প্ৰাচ্যক লৈ ইউৰোপৰ জাতি সমূহৰ মাজত ক্ৰমান্বয়ে উৎসুকতা বৃদ্ধি পাইছিল। ৰাছিয়া, ইংলেণ্ড, অষ্ট্ৰিয়া, ফ্ৰান্স আদি দেশৰ অভ্যন্তৰত ক্ৰমশঃ এখন প্ৰতিযোগিতা আৰম্ভ হৈছিল। তাত মূল লক্ষ্য হৈ পৰিছিল ভাৰত। কাৰণ, ভাৰতত সোণৰ চৰাই উৰিছিল।

১৮৫৩ চনত ৰাছিয়া আৰু তুৰস্কৰ মাজত যুদ্ধ এখনৰ পটভূমি ৰচনা কৰা হৈছিল। কিন্তু ভাৰত অভিমুখে ৰাছিয়াৰ অগ্ৰগতি দ্ৰুত হোৱাৰ আশংকাত ইংলেণ্ড, ফ্ৰান্স, ছাৰ্ডিনিয়া-পিডমণ্টে তুৰস্কৰ বন্ধু হিচাপে থিয় দিলে। ফলস্বৰূপে ১৮৫৪ চনত ক্ৰিমিয়াৰ যুদ্ধ আৰম্ভ হ'ল। তাৰ পিছৰে পৰা ইউৰোপ সাক্ষী হৈছিল এলানি দীঘলীয়া যুদ্ধৰ। এই যুঁজত ইউৰোপৰ শক্তিসমূহ মূলতঃ দুটা গোট বন্ধনত সোমাই পৰিছিল। এই গোট বন্ধনৰ ভিত্তি আছিল-গোপন মিত্ৰতা। ১৮৭৯ চনত জাৰ্মানীয়ে অষ্ট্ৰিয়া আৰু হাংগেৰীৰ সৈতে গোপন মিত্ৰতা গঢ়ি তুলিছিল। তাৰ পিছত ইটালীয়ো এই মিত্ৰতাত সহযোগ কৰিছিল। এফালে আছিল ইংলেণ্ড, ৰাছিয়া আৰু ফ্ৰান্স। আনফালে আছিল জাৰ্মানী, ইটালী আৰু জাপান। এই দুটা মিত্ৰ জোটৰ প্ৰতিযোগিতাত বিশ্ব ইতিহাসৰ কাহিনী আৰু মানচিত্ৰ সলনি হৈছিল। অষ্ট্ৰিয়া আৰু ছাৰ্বিয়াৰ মাজত উদ্ভৱ হৈছিল তিক্ততাপূৰ্ণ পৰিস্থিতি। দৰাচলতে, প্ৰথমখন মহাযুদ্ধৰ অন্তৰ্নিহিত আৰু তাৎক্ষণিক কাৰণেই আছিল বালকান উপদ্বীপত অষ্ট্ৰিয়া আৰু ৰাছিয়াৰ মাজৰ শত্ৰুতা।

১৯১৪ চনৰ ২৮ জুলাইত সামান্য এটা কাৰণত অষ্ট্ৰিয়াই চাৰ্বিয়াক আক্ৰমণ কৰাৰ অজুহাততে সাধাৰণ যুদ্ধ এখনে তাৰ ধংসাত্মক হাতোঁৰা ইখন দেশৰ পিছত সিখন দেশলৈ প্ৰসাৰিত কৰিছিল। মাত্ৰ দুখন দেশৰ মাজৰ সেই সাধাৰণ যুদ্ধই কড়াল ৰূপ ধাৰণ কৰি গোটেই বিশ্বকে জোকাৰি পেলাব, সেয়া তেতিয়া কোনোৱেই কল্পনা কৰিব পৰা নাছিল। ছাৰ্বিয়াই অষ্ট্ৰিয়াক কৰা আক্ৰমণ ৰাছিয়াই সহজ ভাবে মানি ল'ব পৰা নাছিল। জাৰ্মানী আছিল ত্ৰিপাক্ষিক মৈত্ৰীৰ সহযোগী। সেয়ে জাৰ্মানীয়ো ৰাছিয়াৰ বিপৰীতে যুদ্ধৰ বাবে আগুৱাই আহিল। তাকে দেখি এইবাৰ আগুৱাই আহিল - ফ্ৰান্স। কিয়নো, দ্বিপাক্ষিক চুক্তিৰ আধাৰত ফ্ৰান্স আছিল ৰাছিয়াৰ সহযোগী। এই সময়ত ইংলেণ্ডে নিজৰ অৱস্থিতি পক্ষপাতহীন ভাবে চলাই নিছিল আৰু যুদ্ধ প্ৰশমনৰ বাবে নিৰন্তৰ চেষ্টা অব্যাহত ৰাখিছিল। কিন্তু যেতিয়াই জাৰ্মান বাহিনীয়ে বেলজিয়াম অধিগ্ৰহণ কৰিলে, ইংলেণ্ড ৰৈ থাকিব নোৱাৰিলে। ইংলেণ্ডৰ সুৰক্ষাৰ প্ৰশ্নত জাৰ্মানী এক ডাঙৰ প্ৰত্যাহ্বান হৈ দেখা দিলে। সেয়ে ইংলেণ্ডে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

ত্ৰিপাক্ষিক মৈত্ৰীৰ সদস্য আছিল যদিয়ো মিত্ৰগোষ্ঠীয়ে সেই পৰ্য্যন্ত ইটালিক যুদ্ধত জড়িত কৰোৱা নাছিল। পূৰ্বে নিজৰ হৈ থকা কিছুমান ভূ-খণ্ড অষ্ট্ৰিয়াৰ পৰা ওভটাই লোৱাৰ মানসেৰে ১৯১৫ চনত ইটালীয়ে ত্ৰিপাক্ষিক মিত্ৰতাৰ বিপৰীতে গৈ দ্বিপাক্ষিক মিত্ৰ জোটৰ হৈ যুদ্ধত নামি পৰিল। ইতিমধ্যে জাৰ্মানীৰ প্ৰৰোচনাত তুৰস্কয়ো জাৰ্মানীৰ হৈ যুদ্ধত অংশ ল'লে। ৰাছিয়া আৰু আন মিত্ৰ শক্তিসমূহৰ সৈতে যোগাযোগ বিচ্ছিন্ন কৰাত তুৰস্কৰ এক ডাঙৰ অস্ত্ৰ হৈ পৰিছিল - দাৰ্দেনেলচক নিজৰ নিয়ন্ত্ৰণত ৰাখিব পৰাটো। ফলত অন্যান্য মিত্ৰ দেশৰ লগত যোগাযোগ ৰক্ষা কৰিব নোৱাৰি ৰাছিয়াৰ অভিযান ব্যৰ্থ হৈছিল। অষ্ট্ৰিয়া আৰু জাৰ্মান বাহিনীৰ যুটীয়া আক্ৰমণত চাৰ্বিয়া সম্পূৰ্ণ পৰাস্ত হৈছিল। এয়া ১৯১৫ চনৰ কথা। ১৯১৭ চনত ৰাছিয়াৰ বলচেভিক বিপ্লৱীৰ হাতত জাৰ অপসাৰিত হয় আৰু যুদ্ধৰ পৰা আঁতৰি আহে। বিগত সময়চোৱাত নিৰপেক্ষ ভূমিকা পালন কৰা আমেৰিকাই এইবাৰ মিত্ৰশক্তিৰ পক্ষ লৈ যুদ্ধত নামিল। ইয়াৰ কাৰণ আছিল - জাৰ্মানীৰ দ্বাৰা মানৱতা উলংঘা, আন্তঃৰাষ্ট্ৰীয় আইন অৱমাননা আৰু অনিয়ন্ত্ৰিত ছাবমেৰিণৰ ব্যৱহাৰ।



১৯১৮ চনত জাৰ্মানীয়ে পশ্চিম সীমান্তত ইংলেণ্ডৰ বিৰুদ্ধে আৰু দক্ষিণ-পশ্চিম সীমান্তত ফ্ৰান্সৰ বিৰুদ্ধে যুঁজি সাফল্য লাভ কৰিছিল। পেৰিছ পাবলৈ প্ৰায় চল্লিশ মাইল বাকী থকা অৱস্থাত এপ্ৰিল মাহত মাৰ্শ্বেল ফ'কে মিত্ৰ শক্তিৰ কমাণ্ড চম্ভালাৰ লগে লগে যুদ্ধৰ গতি সলনি হৈ পৰে। চিৰিয়াত তুৰস্ক পৰাজিত হ'ল। বুলগেৰিয়াই আত্মসমৰ্পণ কৰিলে। অষ্ট্ৰিয়া পৰাজিত হ'ল। জাৰ্মানীয়ে পশ্চাদপসৰণ কৰিলে। একো উপায় নেদেখি জাৰ্মানীৰ ৰজা কাইজাৰ উইলিয়াম দ্বিতীয়ই মিত্ৰ শক্তিৰ সন্মুখত শান্তিৰ প্ৰস্তাৱ ৰাখিবলৈ বাধ্য হ'ল।

কিন্তু বিজয়ী পক্ষৰ সিদ্ধান্ত মৰ্মে ১৯১৮ চনৰ ৯ নৱেম্বৰত কাইজাৰ উইলিয়াম দ্বিতীয়ক সিংহাসনৰ পৰা অপসাৰিত কৰা হয়। ১১ নৱেম্বৰত মাৰ্শ্বেল ফ'ক আৰু জাৰ্মানীৰ প্ৰতিনিধিৰ মাজত যুদ্ধ বিৰতি চুক্তি স্বাক্ষৰিত হয়। এই লানি যুদ্ধ চিহ্নত হৈছিল 'প্ৰথম বিশ্বযুদ্ধ' হিচাপে।

যুদ্ধ পীড়িত বিভিন্ন দেশ আৰু বিজয়ী দেশৰ প্ৰতিনিধিমণ্ডল ১৯১৯ চনৰ ১৮ জানুৱাৰীত পেৰিছ চহৰত শান্তি সন্মিলনৰ উদ্দেশ্য লৈ সমাবেত হ'ল। পৃথিৱীত যিমানেই সমতাৰ কথা কোৱা নহওক কিয়, সমতা নীতি তৈয়াৰ কৰে কিছুমান বিশেষ শ্ৰেণীৰ মানুহে, সেইসকলৰ চিন্তা আৰু কৰ্ম কিন্তু সদায়ে অ-সম হোৱা দেখা যায়। শ্ৰেণীৰ কেতিয়াও পৰিৱৰ্তন নহয়। সেই সময়তো পেৰিছৰ শান্তি চুক্তিৰ বাবে কেইজনমান বিশেষ মানুহে আগ ভাগ ল'বলৈ আগবাঢ়ি আহিল। তেওঁলোক একো একোজন বিশিষ্ট কূটনৈতিক নেতা।

আমেৰিকা, বৃটেইন, ফ্ৰান্স, জাপান আৰু ইটালীয়ে প্ৰত্যেকৰে দুজনকৈ সদস্য লৈ চুপ্ৰিম কাউন্সিল গঠন কৰিলে। কিন্তু কাৰো কথাৰ লগত কাৰো চিন্তা আৰু কথাৰ মিল নাছিল। নাছিল প্ৰতিনিধি সকলৰ কোনো আদৰ্শগত মিল। বিভিন্ন মতানৈক্য থকাৰ পিছতো কিন্তু পাঁচখন চুক্তি সম্পন্ন হৈছিল। জাৰ্মানীৰ সৈতে-ভাৰ্ছাই চুক্তি, বুলগেৰিয়াৰ সৈতে-নিউলিৰ চুক্তি, অষ্ট্ৰিয়াৰ সৈতে ছেইণ্ট জাৰ্মেইন চুক্তি, হাংগেৰীৰ সৈতে- ত্ৰিয়ানন চুক্তি আৰু তুৰস্কৰ সৈতে-চেভাৰ্ছৰ চুক্তি। দৰাচলতে এইবোৰ চুক্তি নহৈ যুদ্ধত বিধস্ত দেশবোৰৰ ওপৰত শক্তিশালী গোষ্ঠীটোৰ কঠোৰ আজ্ঞাহে আছিল। তাতেই সকলো ৰাষ্ট্ৰৰ কল্যাণৰ বাবে 'জাতিসংঘ' গঠনৰ প্ৰস্তাৱো সন্নিৱিষ্ট কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত জাতিসংঘ অৰ্থহীন হৈ পৰে।

শান্তি সন্মিলনত পৃথিৱীখন পুনৰ বিন্যাস কৰা আৰু তাত শান্তি স্থাপনৰ বাবে সমাবেত হোৱা ১০৩৭জন কূটনীতিবিদে কোনো এক সহমত উপস্থাপন কৰাত কিন্তু বিফল হৈছিল। বিগ ফ'ৰো নাছিল কোনো আদৰ্শগত সহমত। হ'লেও চুক্তি সমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভাৰ্ছাই চুক্তি'য়ে জাৰ্মানীক মুৰ ডাঙিব নোৱাৰাকৈ দুৰ্বল কৰি পেলাইছিল। শান্তি সন্মিলনে জাৰ্মানীৰ সৈন্য বাহিনীৰ শক্তি সীমিত কৰি সংখ্যাটো এক লাখত সীমাবদ্ধ কৰাইছিল। আনকি জাৰ্মানীয়ে নিজৰ নৌ-বহৰবোৰ ইংলেণ্ডক এৰি দিবলৈ বাধ্য হৈছিল। বিশ্বযুদ্ধৰ সূচনা কৰাৰ অপৰাধত মিত্ৰ শক্তিৰ অসামৰিক জনতাৰ সম্পত্তিৰ ক্ষয়-ক্ষতি কৰা বাবে জাৰ্মানীৰ ওপৰত জাপি দিয়া হৈছিল চৌৱান বিলিয়ন ডলাৰৰ বৃহৎ এক ক্ষতিপূৰণ।

চেভাৰ্ছ চুক্তিৰ জৰিয়তে মিত্ৰশক্তিয়ে তুৰস্কৰ ওপৰতো আৰোপ কৰিছিল অমানৱীয় নীতি। ত্ৰিয়ানন চুক্তিৰ আধাৰত হাংগেৰীৰ নাগৰিকক কাষৰীয়া শত্ৰু-ৰাষ্ট্ৰ হাতত শোধাই দিয়া হৈছিল। পেৰিছ শান্তি সন্মিলনৰ দ্বাৰা তৈয়াৰ হোৱা এই চুক্তিবোৰে উপৰুৱা দৃষ্টিত ৰক্তক্ষয়ী যুদ্ধৰ সমাপ্তি ঘটাইছিল যদিয়ো অতি শীঘ্ৰেই দ্বিতীয়খন মহাসমৰৰ বাবে পথ খুলি দিছিল।

প্ৰথম বিশ্বযুদ্ধই সমগ্ৰ পৃথিৱীৰ পট পৰিবৰ্তন কৰি দিলে। শক্তিৰ ভাৰসাম্যৰ কেন্দ্ৰবিন্দু এইবাৰ ইউৰোপলৈ গতি কৰিলে। কিছুদিনৰ আগলৈকে ঋণগ্ৰস্ত দেশ হিচাপে পৰিচিত হৈ থকা আমেৰিকা এইবাৰ হৈ পৰিল ধন আৰু ঐশ্বৰ্য্যৰ ভঁৰাল। মিত্ৰ শক্তিৰ দেশবোৰে আমেৰিকাৰ পৰা ঋণ লোৱা আৰম্ভ কৰিলে। সেই দৰেই ১৯১৯ চনৰ পিছৰে পৰা আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু গ্ৰেট ব্ৰিটেইন প্ৰতিদ্বন্দ্বী হ'বলৈ গৈ থাকিল। তাৰ বিপৰীতে ছোভিয়েট ইউনিয়নে সাম্যবাদী নীতিৰে নতুন আৰু একক শক্তি ৰূপে আত্মপ্ৰকাশ কৰিলে। লগতে দুই এখন দেশত গণতন্ত্ৰৰ নব্য ৰূপৰো সংযোজন ঘটিল। তাৰ প্ৰত্যক্ষ ছবি প্ৰথমে দেখা গ'ল তুৰস্কত। তুৰস্কত পূৰ্বতে স্থাপন হোৱা চুলতান আৰু খলিফাক বিদায় দি ৰাষ্ট্ৰপতিক সকলোৱে আন্তৰিকাৰে মানি ল'লে। তুৰস্ক প্ৰজাতন্ত্ৰৰ প্ৰথম ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হ'ল কামাল পাছা।

যুদ্ধৰ 'বাই প্ৰডাক্ট' হিচাপে দেশে দেশে উত্থান ঘটিল জাতীয়তাবাদৰ। আৰম্ভণিৰ ক্ষুদ্ৰ জাতীয়তাবাদৰ পুলিটো ডাঙৰ হৈ কালক্ৰমত জাৰ্মানীত নাজীবাদী বিষবৃক্ষৰ ৰূপ ধাৰণ কৰিলে। এই সকলোবোৰ ঘটনাৰ প্ৰভাৱ কেন্দ্ৰীভূত হৈ পৰিল ভাৰতত। জাতীয়তাবাদে ভাৰতত দৃঢ় স্থিতি লাভ কৰিলে। দেশৰ পূৰ্বৰ ৰজাসকল আৰু প্ৰজাৰ মাজৰ অসামঞ্জস্যতা আঁতৰি গৈ জাতীয়তাবাদে খোপনি পুতিলে। জাতীয়তাবাদীৰ দপদপনিত বৃটিছ শংকিত হৈ উঠিল।

ঘনে ঘনে দৃশ্য পট সলনি হ'বলৈ ধৰিলে। ইটালীত ফেচীবাদৰ ৰূপত একনায়কত্ববাদে আত্ম প্ৰকাশ কৰিলে। প্ৰথম বিশ্বযুদ্ধই পৃথিৱীত ব্যৱসায়-বাণিজ্য, কৃষি, উদ্যোগ, শিক্ষা, শিল্প, সকলোতে মন্দাৱস্থাৰ সৃষ্টি কৰিলে। বাণিজ্যিক পতন, দৰিদ্ৰতা আৰু মুদ্ৰাস্ফীতিৰ মাজেৰে জনসাধাৰণে বিভিন্ন সংঘাতৰ মুখামুখি হ'বলৈ বাধ্য হ'ল। মহাযুদ্ধই সামাজিক জীৱনকো আলোড়িত কৰি থৈ গ'ল। ইউৰোপৰ বুজন সংখ্যক শ্ৰমিকে এই যুদ্ধত সৈনিক-সহযোগী হিচাপে বিশেষ ভূমিকা পালন কৰিছিল। সেয়েহে তেওঁলোকৰ মনত ৰাজনৈতিক সচেতনতা গঢ় লৈ উঠিল। ফলত সকলোবোৰ ইউৰোপীয় ৰাষ্ট্ৰত শ্ৰমিক শ্ৰেণীটো সক্ৰিয় উঠিল। জাতিসংঘই সকলো শ্ৰমিকক সংগঠিত কৰাৰ পৰিকল্পনা কৰি 'আন্তৰ্জাতিক শ্ৰমিক সংগঠন' নামেৰে তেওঁলোকক এটা পৰিচয় প্ৰদান কৰিলে। ইতিমধ্যেই ইউৰোপৰ কৃষকৰ মালিকীস্বত্ব প্ৰায় সকলো দেশেই মানি লৈছিল। কিছু কিছু দেশৰ আভ্যন্তৰীণ প্ৰশাসনত মহিলাকো নিয়োজিত কৰাৰ চিন্তা গঢ়ি উঠিল। মহাযুদ্ধই অন্য দিশৰে ইউৰোপৰ সামাজিক জীৱনত নতুনত্বৰ সূচনা কৰিলে।

প্ৰথম বিশ্বযুদ্ধই ভৱিষ্যতৰ পৃথিৱীক আৰু এটা উত্তম বস্তু উপহাৰ দিলে। সেয়া হৈছে - 'গণতন্ত্ৰ'। বিশ্ব ইতিহাসৰ ৰাজনৈতিক, ব্যৱসায়িক, সামাজিক, আৰ্থিক, সাহিত্যিক, বৈজ্ঞানিক পৰিবৰ্তন তথা উত্তৰণৰ বাবে প্ৰথম বিশ্বযুদ্ধক এক 'অভূতপূৰ্ব বৃহৎ বিপ-ৱ' বুলি কোৱাত আক্ষেপ কৰিব লগীয়া একো নাই। এই বিপ-ৱে ৰাছিয়া, জাৰ্মানী, অষ্ট্ৰিয়া আৰু তুৰস্কৰ নিচিনা বৃহৎ স্বৈৰাচাৰী সাম্ৰাজ্যৰ পতন নিশ্চিত কৰিলে। তাৰ ভগ্নাংশৰে কেইবাখনো স্বাধীন আৰু ক্ষুদ্ৰ ৰাষ্ট্ৰই জন্ম লাভ কৰিলে। জাতীয়তাবাদী মন্ত্ৰৰে চীনে এক সূকীয়া ৰাজনৈতিক নীতি উদ্ভাৱন কৰিলে। ভাৰতীয় জাতীয়তাবাদ ইতিমধ্যেই দৃঢ় স্থিতিত উপনীত হৈছিল গৈ। এই সকলোবোৰ বিষয় সামৰি ভৱিষ্যতৰ পৃথিৱীত সৰু-বৰ সকলো ৰাষ্ট্ৰতে নিজৰ স্থিতি গঢ়ি তুলিবলৈ গণতন্ত্ৰই ব্যাপক জনসমৰ্থন আদায় কৰিলে। হোহেনজোলাৰ্ণ, হেবছ্ বাৰ্গ, ৰোমানফ, অটোমান, চুলতান, খলিফা আদি পুৰণি ৰাজবংশৰ আনুগত্যৰ সামৰণি মাৰি জাৰ্মানী, তুৰস্ক, অষ্ট্ৰিয়া, ৰাছিয়াৰ দৰে নতুনকৈ সৃষ্টি হোৱা দেশে দেশে সংবিধান আৰু ভোটাধিকাৰৰ ভিত্তিত গণতন্ত্ৰই প্ৰসাৰ লাভ কৰিবলৈ ধৰিলে। বিশ্ব ৰাজনীতিৰ পৰিবৰ্তনৰ বতাহ জাকে ভাৰতকো বাৰুকৈয়ে কোবাই থৈ গ'ল।

প্ৰথম বিশ্বযুদ্ধই তুৰস্কত খলিফাক বিতাড়িত কৰা ঘটনাই বিশ্বৰ চুন্নী মুছলমান সকলৰ ধৰ্মীয় চেতনাক সংকটৰ সন্মুখীন কৰাইছিল। সেয়েহে মৌলানা মেহমুদ হাছানে বিশ্বৰ মুছলমান সকলক বৃটিছৰ বিৰুদ্ধে সংগঠিত কৰি পুনৰ খলিফাক স্ব-স্থানত উপবিষ্ট কৰাৰ চেষ্টা চলাইছিল। সেই সময়তে ১৯১৯ চনৰ কুখ্যাত ৰাৱলাট আইন আৰু জেনেৰেল ডায়াৰৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ বাবে বৃটিছৰ বিৰুদ্ধে ভাৰতৰ সৰ্বত্ৰে ঘৃণা আৰু প্ৰতিবাদী কণ্ঠস্বৰ তীব্ৰ হৈ উঠিল। ভাৰতৰ জাতীয় কংগ্ৰেছৰ সৰ্বময় কৰ্তা মহাত্মা গান্ধীয়ে খিলাফৎ আন্দোলনত সম্পূৰ্ণ সহযোগ কৰিলে। ফলত ভাৰতত ধৰ্মক অস্ত্ৰৰ ৰূপ দিয়া কাৰখানা স্থাপন হ'বলৈ ধৰিলে। বিশ্বযুদ্ধত সমসাময়িক ভাৱে পৃথিৱীৰ বিভিন্ন দেশত বিভিন্ন গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হৈছিল, যিবোৰৰ পৃষ্ঠভূমিত আহিব ধৰা সময়ক এটা নতুন দৃষ্টিভংগীৰে বিচাৰ কৰাৰ সুবিধা পোৱা গৈছিল।

বিশ্বযুদ্ধ গ্ৰীক ৰক্ষণশীলতাৰ একচ্ছত্ৰী কৰ্তৃত্বত এক প্ৰত্যক্ষ আঘাত আছিল। আনহাতে, এই শাসন ব্যৱস্থাতেই ৰাছিয়াৰ ৰাজনৈতিক গাঁথনি সম্পূৰ্ণ সলনি হৈ সংবিধানৰ অনুশাসনলৈ গৈছিল। ভোটৰ অধিকাৰ আৰু নিৰ্বাচনী ব্যৱস্থা সৰ্বাত্মক কৰা হৈছিল। এই সমস্ত ঘটনাই বিশ্বৰ ৰাজনীতিত পুৰণি ধ্যান-ধাৰণাক নিঃশেষ কৰি নতুন চিন্তা-চৰ্চাক বাট দেখুৱাই লৈ গৈছিল। ভাৰততো তাৰ প্ৰভাৱ পৰিছিল। এসময়ত প্ৰভুত্ব খটোৱাঔপনিবেশিক শক্তিয়ে ভাৰত ত্যাগ কৰিবলৈ বাধ্য হৈছিল। নতুন পৃথিৱী এখন গঢ়াত এই সকলোবোৰ কাৰকৰ আছিল অনবদ্য অৱদান। তাৰ পিছৰ পৃথিৱীখনৰ সৈতে আমি সকলোৱে পৰিচিত।

সম্প্ৰতি ভাৰতে আৰম্ভ কৰা 'অপাৰেচন সিন্দূৰ' উগ্ৰপন্থী আৰু উগ্ৰপন্থীক ৰক্ষণাবেক্ষণ দিয়া দেশ সমূহক উচিত শিক্ষা দিয়াৰ বাবে বিশ্বৰ সন্মুখত এক নতুন পৰিকল্পনা। আমেৰিকা, ফ্ৰান্স আদি যিবোৰ ৰাষ্ট্ৰ উগ্ৰপন্থীৰ দ্বাৰা আক্ৰান্ত হৈ আহিছে সেই ৰাষ্ট্ৰসমূহেও ভাৰতৰ আদৰ্শ অনুসৰণ কৰি ভাৰতৰ সৈতে সহযোগ কৰিব বুলি ভবা হৈছিল। কিন্তু ভাৰতৰ 'অপাৰেচন সিন্দূৰ'ত ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰৰ সাফল্য আৰু প্ৰযুক্তিৰ সঠিক ব্যৱহাৰত বিশ্বৰ মহা শক্তিশালী দেশ কেইখনমানৰ লগতে শংকিত হৈ পৰিছে আমেৰিকা। ভাৰতৰ অৰ্থনৈতিক উত্থানে পশ্চিমৰ অৰ্থনৈতিক কাঁয়া-কল্পত আলোড়নৰ সৃষ্টি কৰিছে। সৰু সৰু দেশবোৰৰ ওপৰত প্ৰভুত্ব হ্ৰাস হোৱাৰ চিন্তাই শক্তিশালী নেতা ট্ৰাম্পক বিবুদ্ধিত পেলাইছে। ভাৰতৰ এই অৰ্থনৈতিক উত্থান স্থবিৰ কৰিবলৈ ৰাছিয়াৰ পৰা তেল আমদানি কৰাৰ অজুহাত লৈ ভাৰতৰ বাবে ট্ৰাম্পে টাৰিফ ওপৰত টাৰিফ ঘোষণা কৰি গৈছে। অকল ভাৰততে নহয়, ট্ৰাম্পে প্ৰায় সকলোবোৰ ৰাষ্ট্ৰৰ ওপৰত টাৰিফ ঘোষণা কৰি গৈছে। ট্ৰাম্পৰ টাৰিফ নীতিৰ অন্তৰালত আছে ভাৰতৰ আৰ্থিক প্ৰগতি আৰু সৰু সৰু ৰাষ্ট্ৰবোৰৰ সৈতে কৰা মিত্ৰতা পূৰ্ণ কূটনীতি।

'অপাৰেচন সিন্দূৰৰ' গতি-প্ৰকৃতি গভীৰভাৱে লক্ষ্য কৰিলে দেখা যায় যে ভাৰতৰ অপাৰেচন সিন্দূৰৰ চমকে গোটেই পৃথিৱীতে চমক সৃষ্টি কৰিছে। এখন পৰমাণু অস্ত্ৰ সমৃদ্ধ দেশক আঘাত কৰি বিৰাট প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল। এই প্ৰত্যাহ্বানে অকল পাকিস্তানৰ শক্তি, আত্মম্ভৰীতা আৰু জেহাদী চক্ৰবেহুকেই ধূলিসাৎ কৰি দিয়া নাই, লগতে কেইবাখনো শক্তিমান দেশৰ শক্তিৰ অহংকাৰকো নস্যাৎ কৰি পেলালে। চীনৰ মিছাইল ডিফেন্স চিষ্টেম আৰু অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ নিৰ্ভৰযোগ্যতা বিশ্ববাসীৰ আগত প্ৰমাণিত কৰিলে। আমেৰিকাৰ বিমানো অস্তিত্বহীন কৰি দেখুৱালে। ইৰানৰ ড্ৰোণ ভাৰতীয় অস্ত্ৰৰ সন্মুখত খেলনাত ৰূপান্তৰিত হ'ল। তাতকৈ আৰু অলপ আগুৱাই গৈ আমেৰিকাৰ সংৰক্ষণত থকা পাকিস্তানৰ আণৱিক অস্ত্ৰ ভাণ্ডাৰকে খুন্দিয়াই থৈ আহিল। ফলত অস্ত্ৰৰ বেহা- বেপাৰ কৰি ধন উপাৰ্জন কৰা আমেৰিকা আৰু চীনৰ অস্ত্ৰৰ বেপাৰ ডুবাৰ উপক্ৰম হ'ল। যিসকলে আমেৰিকা আৰু চীনৰ মিচাইল আৰু যুদ্ধ জাহাজ কিনাৰ চুক্তি কৰিছিল, সেয়া বন্ধ হৈ পৰিল। তাৰ বিপৰীতে ভাৰতৰ যুদ্ধাস্ত্ৰৰ ব্যৱসায়ৰ বাবে নতুন ৰাস্তা মুকলি হৈ পৰিল। ইমান দিনে যিবোৰ দেশে তেওঁলোকৰ প্ৰযুক্তিক লৈ অহংকাৰ কৰি আছিল, ভাৰতৰ আত্ম নিৰ্ভৰশীল নীতিৰে তৈয়াৰ কৰা অত্যাধুনিক প্ৰযুক্তিয়ে সেইবোৰ দেশৰ মাত বন্ধ কৰি পেলালে।

সিন্ধু জলচুক্তি প্ৰত্যাহাৰ কৰি ভাৰতে এক প্ৰকাৰ ৰাষ্ট্ৰসংঘকো ৰঙা চকু দেখুৱালে। কাক দয়া কৰিব, কাক আঁঠু কঢ়াব সেয়া নিজৰ কথা বুলি ভাৰতে দেখুৱাই দিলে। ভাৰতৰ জনতাই ইৰান আৰু চীনৰ সামগ্ৰী বয়কট কৰিও দুয়োখন দেশক উচিত শিক্ষা দিলে।

আন দেশৰ আভ্যন্তৰীণ বিষয়ত মূৰ সুমুওৱা আমেৰিকাৰ স্বভাৱ। ডোনাল্ড ট্ৰাম্পে সেই স্বাভাৱিক কৌশল ব্যৱহাৰ কৰিছে নিজৰ স্বাৰ্থত। শান্তিৰ নোবেল বঁটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰাৰ দুৰ্বাৰ সপোনে ট্ৰাম্পক উদ্বুদ্ধ কৰিছিল ইউক্ৰেইন আৰু ৰাছিয়াৰ যুদ্ধত মূৰ সুমুৱালৈ। কিন্তু পুটিনে ট্ৰাম্পক পাট্টাই নিদিলে। তাৰ পিছত ট্ৰাম্পে চেষ্টা কৰিলে পাকিস্তান-ভাৰতৰ গড ফাদাৰ হ'বলৈ। সেই বাবেই অপাৰেচন সিন্দূৰ বন্ধ কৰাৰ কৃতিত্ব ল'বলৈ উদ্বাউল হৈ পৰিল। কিন্তু ভাৰতে ট্ৰাম্পৰ সেই ব্যাকুলতাত শান্তি পানী চতিয়াই দিয়াত ট্ৰাম্প অধৈৰ্য হৈ পৰিল আৰু টাৰিফ টাৰিফ খেলত ব্যস্ত হৈ পৰিল।

ট্ৰাম্পৰ টাৰিফ টাৰিফ খেলত বিশ্বৰ সৰু-বৰ অনেক দেশেই ইতিমধ্যে অতিস্থ হৈ পৰিছে। কিন্তু প্ৰত্যক্ষ ভাৱে আমেৰিকাৰ বিৰোধিতা কৰা সম্ভৱ নোহোৱাত সকলো সহ্য কৰি থাকিবলৈ বাধ্য হৈছে। ভাৰতে ট্ৰাম্পৰ টাৰিফ নীতিক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাৰ সুযোগ গ্ৰহণ কৰিছে। ট্ৰাম্পৰ সিদ্ধান্তই ভাৰতৰ বাবে নতুন বৈদেশিক কূটনীতিৰ পথ উন্মুক্ত কৰিছে। ট্ৰাম্পে টাৰিফ টাৰিফ খেলি থাকোঁতে ভাৰতৰ প্ৰধান মন্ত্ৰী মোডীয়ে মধ্য প্ৰাচ্যৰ দেশ সমূহৰ সৈতে নতুন বাণিজ্য নীতি প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰিছে। সৰু বৰ দেশবোৰৰ লগত নতুন ব্যৱসায়িক আৰু কূটনৈতিক সম্বন্ধ স্থাপন কৰি বিশ্বৰ পৰা ডলাৰৰ আধিপত্য উৎখাত কৰিবলৈয়ো অভিযান চলোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ ব্ৰীকচ (ভাৰত, চীন, ৰাছিয়া, ব্ৰাজিল, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ইৰান, দক্ষিণ আফ্ৰিকা, ইউনাইটেড আৰব আমেৰিটাচ ) দেশসমূহৰ উমৈহতীয়া মুদ্ৰা নীতি প্ৰস্তুত কৰি আমেৰিকান ডলাৰৰ আধিপত্যৰ পৰা সৰু সৰু দেশবোৰক মুক্ত কৰাৰ পথত মোডী অনেক দূৰ আগবাঢ়ি গৈছে।

চীনৰ সৈতে ভাৰতৰ অতীতত আছিল সুচল বাণিজ্যিক সম্পৰ্ক। সাংস্কৃতিক আৰু ধৰ্মীয় সম্পৰ্কও আছিল গভীৰ। আনহাতে, প্ৰযুক্তি আৰু উৎপাদনৰ ক্ষেত্ৰত চীন সকলোতকৈ আগবঢ়া। যদিহে চীন আৰু ভাৰতৰ সম্পৰ্কৰ উন্নতি ঘটি ৰাছিয়াৰ সৈতে এই তিনি মহাশক্তিৰ মিলন বিশ্বৰ সন্মুখত অপ্ৰতিৰোধ্য হৈ উঠিব। শক্তিৰ ভাৰসাম্য ইউৰোপৰ পৰা এছিয়ালৈ হাতলৈ আহিবলৈ যেন উচপিচাই আছে। শক্তিৰ নতুন বিন্যাসে বিশ্বৰ সামৰিক শক্তি, বাণিজ্যিক নিয়ন্ত্ৰণ আৰু আৰ্থিক বিকাশ এছিয়াত কেন্দ্ৰীভূত কৰাব। আমেৰিকা হৈ পৰিব তেতিয়া গুৰুত্বহীন। ইতিমধ্যে প্ৰধান মন্ত্ৰী মোডীয়ে চীনৰ লগত ভাৰতৰ সু-সম্পৰ্ক গঢ়াত মনোনিবেশ কৰিছে। টিয়ানজিনত 'ছাংহাই সহযোগিতা সংগঠনৰ শীৰ্ষ সন্মিলন'ত পুটিন, চী জিন পিঙৰ লগত উপস্থিত হৈ ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডীয়ে আমেৰিকাৰ টাৰিফ নীতিৰ বিপৰীতে শক্তিশেল তৈয়াৰ কৰাত মনোনিবেশ কৰিছে। প্ৰাচীন সভ্যতা, আধুনিক প্ৰযুক্তি আৰু বৃহৎ জনসংখ্যাৰ দেশ ভাৰত আৰু চীন যদি ৰাছিয়াৰ লগত মিলিত হৈ আগবাঢ়ে তেন্তেই পুনৰ এক 'নব্য বিপ্লৱৰ ৰূপ ধাৰণ কৰিব। হিচাপে প্ৰথম বিশ্বযুদ্ধৰ লেখিয়াকৈ সুদূৰ ভৱিষ্যতে অপাৰেচন সিন্দূৰো 'এক অভূতপূৰ্ব বিপ্লৱ' ৰূপে পৰিগণিত হোৱাৰ সম্ভাৱনাই দেখা দিছে। শুনিবলৈ পোৱা মতে এছ. চি. ও. বৈঠকে ট্ৰাম্পক আৰু অধিক অস্থিৰ কৰি তুলিছে। বিশ্ব ৰাজনীতিত ট্ৰাম্পৰ গুৰুত্ব হ্ৰাস পোৱাৰ সময় সমাগত। ভৱিষ্যতে তাক কি ধৰণে তুলি ধৰে, সেয়া বেলেগ কথা। কিন্তু এছিয়াত তিনি মহাশক্তি একত্ৰিত হোৱাৰ অন্তৰালত যে আওপকীয়াকৈ 'অপাৰেচন সিন্দূৰ' সেয়া অস্বীকাৰ কৰিব নোৱাৰি।

# অসমীয়া ভাষাৰ ভৱিষ্যত আৰু যুৱ প্ৰজন্ম

**আয়শা ছিদ্দিকা**

অসমীয়া ভাষা হৈছে অসমৰ সাংস্কৃতিক পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ। ইয়াৰ শব্দমালা, সুৰ আৰু সাহিত্যই আমাৰ ইতিহাস, সংস্কৃতি আৰু সমাজ-ব্যৱস্থাক এক সুদৃঢ় ভেটি প্ৰদান কৰিছে। কিন্তু বৰ্তমান সময়ত বিশ্বায়ন, উদাৰীকৰণ আৰু প্ৰযুক্তিৰ দ্ৰুত বিকাশৰ ফলত অসমীয়া ভাষাৰ অস্তিত্ব আৰু প্ৰাসংগিকতা লাহে লাহে হ্ৰাস পাব ধৰিছে। বিশেষকৈ নগৰ অঞ্চলৰ যুৱ সমাজৰ মাজত অসমীয়া ভাষাৰ প্ৰতি এক উদাসীন মনোভাৱ পৰিলক্ষিত হৈছে। ভাষাই জাতিৰ আত্মা, জাতীয় অস্তিত্বৰ আধাৰ। মাতৃভাষা অবিহনে মানুহে নিজৰ মাটি, সংস্কৃতি আৰু পৰিচয় হেৰুৱায়। অসমৰ মাটিত শতাব্দীযুগ ধৰি গঢ় লৈ উঠা অসমীয়া ভাষাই আমাৰ ভাব, সংস্কৃতি আৰু চিন্তনক বহন কৰি আহিছে। কিন্তু সময়ৰ সাল-সলনিৰ বাবে অসমীয়া ভাষাৰ সাম্প্ৰতিক অৱস্থাক এক প্ৰশ্নবোধক চিহ্নৰ সন্মুখত থৈছে। যুৱ প্ৰজন্মই যদি ভাষাৰ ৰাসান্ধাৰক ভূমিকা গ্ৰহণ নকৰে, তেন্তে এই ভাষাৰ ভৱিষ্যত সংকটজনক হৈ পৰিব।

অসমীয়া ভাষাৰ উৎপত্তি প্ৰায় এক হাজাৰ বছৰ আগতে 'চৰ্যাপদ'ৰ পৰা। মধ্যযুগত শংকৰ- মাধৱদেৱৰ ভক্তি আন্দোলনে এই ভাষাক সজীৱ কৰি তুলিলে। আধুনিক যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতধৰি অসমীয়া সাহিত্যৰ জাগৰণ ঘটিল। সংবিধানৰ অষ্টম অনুচ্ছেদত স্বীকৃত হোৱা অসমীয়া ভাষা ভাৰতৰ অন্যতম প্ৰাচীন আৰু সমৃদ্ধ ভাষা। আৰু বৰ্তমান অসমীয়া ভাষাটো ধ্ৰুপদী ভাষাৰ স্বীকৃতিও পাইছে। কিন্তু এই গৌৰৱময় ঐতিহ্য বজাই ৰাখি ভৱিষ্যতলৈ আগবঢ়াই নিয়াটো আজিৰ যুৱ প্ৰজন্মৰ মূল চেলেঞ্জ। অসমীয়া ভাষা ভাৰতৰ প্ৰাচীন আৰু সমৃদ্ধ ভাষাসমূহৰ অন্যতম। ৮ম শতকীয়া 'চৰ্যাপদ'ৰ পৰা আৰম্ভ কৰি ভক্তি আন্দোলনৰ যুগত শংকৰ-মাধৱদেৱেই এই ভাষাক নতুন দিশ দিছিল। আধুনিক যুগত বেজবৰুৱাৰ সাহিত্য আন্দোলনে ভাষাক সজীৱ আৰু আধুনিক কৰিলে। এই ঐতিহ্য আজিও আমাৰ গৌৰৱৰ আধাৰ।

অসমৰ বৰ্তমানৰ অৱস্থা যদি আমি লক্ষ্য কৰোঁ তেন্তে এটা বিষয় দৃষ্টিগোচৰ হ'ব সেয়া হ'ল অসমৰ শিক্ষানুষ্ঠানত অসমীয়াৰ স্থান একেবাৰেই নিম্ন আৰু গুৰুত্বহীন। অসমত বেছিভাগ ইংৰাজী মাধ্যমৰ স্কুল আৰু উচ্চশিক্ষা প্ৰতিষ্ঠানত অসমীয়া ভাষা এখন গৌণ বিষয় হিচাপে পৰিগণিত হৈছে। ফলত যুৱ প্ৰজন্ময়ো অসমীয়া ভাষাৰ ওপৰত গুৰুত্ব কম দিয়া দেখা যায়। যদি আমি লক্ষ্য কৰি কৰ্মক্ষেত্ৰত অসমীয়া ভাষাৰ প্ৰয়োগৰ অভাৱ দেখা যায় ইয়াৰ পৰিৱৰ্তে ইংৰাজী আৰু হিন্দী ভাষাৰ প্ৰাধান্য পায় বাবেই অসমীয়া ভাষাৰ প্ৰয়োজনীয়তা কমি আহিছে। অসমীয়া ভাষাৰ প্ৰতি এক অনিহা ভাৱৰ সৃষ্টি হয়।

বহু নগৰীয়া পৰিয়ালে আধুনিকতাৰ নামত সন্তানৰ সৈতে ইংৰাজী বা হিন্দীত কথা পাতে, যাৰ ফলত অসমীয়া ভাষাৰ প্ৰয়োগ প্ৰজন্মৰ মাজত হ্ৰাস পাই আহিছে। আধুনিকতাৰ কবলত পৰি অসমীয়া সংস্কৃতি পাহৰি পশ্চিমীয়া সংস্কৃতিৰ ওপৰত গুৰুত্বই অসমীয়া ভাষাৰ অসমীয়া সংস্কৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাই। যুৱ সমাজ বহিঃ সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ নিজৰ স্বত্বাক নিজৰ ভাষা, কৃষ্টি সকলো পাহৰিছে। কিছু সংখ্যক যুৱ সমাজে অসমীয়াক গাঁৱলীয়া বা আও পুৰণি বুলি ভাবিবলৈ লৈছে। অসমীয়া ভাষা সাৱলীল কৰিবলৈ যুৱ প্ৰজন্মই বহিঃ সংস্কৃতি, ভাষা-কৃষ্টি আদিতকৈ অসমীয়া ভাষাৰ- কৃষ্টিৰ প্ৰতি মনোগ্ৰাহী হোৱা উচিত। ইউটিউব, ব্লগ, পডকাষ্ট আদিত অসমীয়া ভাষাত শিক্ষামূলক, বিনোদনমূলক আৰু তথ্যপ্ৰদ বিষয়বস্তু তৈয়াৰ কৰাত গুৰুত্ব দিয়া উচিত। ফেচবুক, ইনষ্টাগ্ৰাম, টুইটাৰ আদিত অসমীয়াত পোষ্ট দিয়া, হেচটেগ (#অসমীয়া গীত, #অসমীয়া সাহিত্য) ব্যৱহাৰ কৰি ভাষাটোক আৰু অধিক জনপ্ৰিয় কৰি তুলিব পাৰে যুৱ প্ৰজন্মই।

যুৱ লেখক- লেখিকাসকলে অসমীয়াত গল্প, উপন্যাস, কবিতা ৰচনা কৰি ভাষাটোক সমৃদ্ধ কৰিব পাৰে। আৰু অসমীয়া ভাষাৰ চৰ্চা কৰিব পাৰে। ২১ ফেব্ৰুৱাৰী আন্তৰ্জাতিক মাতৃভাষা দিৱসত অসমীয়া ভাষাৰ গুৰুত্বৰ ওপৰত আলোচনা, প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰি যুৱ প্ৰজন্মই অসমীয়া ভাষাটো আৰু অধিক বিস্তাৰ কৰিব পাৰিব কিয়নো অসমৰ প্ৰায় ভাগ মানুহে অসমীয়া ভাষাটো ব্যৱ্হাৰ কৰাতকৈ ইংৰাজী ভাষা ব্যৱহাৰ কৰাটোক আধুনিকতাৰ খিতাপ দি অসমীয়া ভাষাটোক অৱজ্ঞা কৰা দেখা যায়। স্কুল-কলেজত অসমীয়া ভাষাৰ বাবে বাৰ্ষিক সাহিত্য সপ্তাহ, বক্তৃতা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা। অসমীয়া ভাষাক আকৰ্ষণীয় কৰি তুলিবলৈ ইণ্টাৰেক্টিভ শিকণ পদ্ধতি (যেনে গেমছ, কুইজ)ৰ ব্যৱহাৰ কৰা কৰি যুৱ প্ৰজন্মক অসমীয়া ভাষাৰ মৰ্যাদাৰ কথা অৱগত কৰাব লাগে। কাৰণ যুৱ প্ৰজন্মই দেশৰ ভৱিষ্যত। অসমীয়া ভাষা আমাৰ পৰিচয়, গৌৰৱ আৰু অস্তিত্বৰ সৈতে জড়িত। ইয়াক হেৰুৱাই আমাৰ ভৱিষ্যত প্ৰজন্মক এক সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ পৰা বঞ্চিত কৰাৰ অৰ্থ হ'ব। গতিকে, যুৱ প্ৰজন্মৰ উচিত যে তেওঁলোকে অসমীয়া ভাষাক ডিজিটেল মাধ্যমত, সাহিত্যত, কলাত আৰু দৈনন্দিন জীৱনত এক সক্ৰিয় স্থান দিয়ে ইয়াৰ বিকাশত অৰিহণা যোগায়। অসমীয়া ভাষা হ'ল আমাৰ জাতীয় সত্তাৰ মূৰ। যদি এই ভাষা হেৰায়, তেন্তে অসমৰ সমাজ আৰু সংস্কৃতি দুয়ো ধ্বংস হব। অসমীয়া ভাষাৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ দায়িত্ব যুৱ প্ৰজন্মৰ ওপৰত। তেওঁলোকে যদি প্ৰযুক্তি, সাহিত্য, সংস্কৃতি সকলো ক্ষেত্ৰত অসমীয়াক আগবঢ়াই লৈ যায়, তেন্তে ভাষাৰ ভৱিষ্যত উজ্জ্বল হব। অসমীয়া ভাষাই বিস্তাৰ লাভ কৰিবলৈও সক্ষম হ'ব। যুৱ প্ৰজন্ম বিপথে গ'লে দেশ ধ্বংস হয় যুৱ প্ৰজন্ম আগুৱালে দেশ আগুৱায়। সেয়েহে আহক, আমি যুৱ প্ৰজন্মই নিজৰ মাতৃভাষাক শীৰ্ষত লৈ অসমীয়া ভাষাক সজীৱ, সুন্দৰ আৰু সমৃদ্ধ কৰি ভৱিষ্যতলৈ আগবাঢ়ি যাওঁ। মাতৃভাষা যে কেৱল মাত্ৰ শব্দৰ বিন্যাস নহয়; ই আমি প্ৰতিজন অসমীয়াৰ আত্মাৰ স্পন্দন।

*চাহ জনগোষ্ঠী অৰ্থাৎ আদিবাসীসকলে আদি কালৰ পৰা মানি অহা "কৰম পূজা"ৰ আধ্যাত্মিক জ্ঞান, বিশ্বাস- শ্ৰদ্ধাৰ মৰ্যাদা আধুনীক জ্ঞান প্ৰযুক্তিৰ যুগৰ প্ৰভাৱ কি ধৰণে পৰিছে, বুজিবলৈ সাঁথৰ যেন লগা হৈছে। আধুনীক সমাজৰ এচাম বৌদ্ধিক মহলে কৰম পূজাক "পৰৱ" আৰু উৎসৱ হিচাবে নামকৰণ কৰিছে আৰু ৰাজহুৱাভাৱে উৎসৱ হিচাবে পালন কৰা পৰিলক্ষিত হৈছে। বিশ্ব দৰবাৰত কৰ্মা পূজাক প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস, শলাগ ল'ব লগা হ'লেও ইয়াৰ পৰম্পৰাৰ ওপৰত আধুনীকৰণ কৰিবলৈ লোৱা কাৰ্য্যক সমৰ্থন কৰিব নোৱাৰি। যিহেতু নিজস্ব কৃষ্টি সংস্কৃতি আৰু মেটমৰা পৰম্পৰাৰ সৈত্যে চহকী দেশৰ কৰম পূজা পৰম্পৰা নে সংস্কৃতি এই প্ৰশ্নৰ উত্তৰ দিয়া এক কথাত কঠিন হৈ পৰে। কাৰণ কৃষ্টি সংস্কৃতি, পৰম্পৰা এই শব্দবোৰ ইটোৰ লগত আনটো অতি ওচৰ চপা। খোলাকৈ বা মুকলিকৈ এই বিষয়টিৰ উত্তৰ দি ভুৰুকাত ভৰাব নোৱাৰি।*

# কৰম পূজাৰ ধ্যান ধাৰণা আৰু সমাজৰ ক্ষতি

ভাৰতৰ বিভিন্ন ৰাজ্য বিশেষকৈ বিহাৰ, ঝাৰখণ্ড, উৰিষ্যা, উত্তৰাখণ্ড, মধ্যপ্ৰদেশ, তেলেংগানা, পশ্চিম বংগৰ পৰা ইংৰাজসকলে নানা প্ৰলোভন দেখুৱাই অসমলৈ চাহখেতি কৰিবলৈ শ্ৰমিক হিচাবে হাজাৰ হাজাৰ শ্ৰমিক আমদানি কৰিছিল। অহাৰ সময়ত তেওঁলোক লগত একো অনা নাছিল। মাত্ৰ আনিছিল নিজৰ নিজৰ ভাষা, কলা কৃষ্টি আৰু সংস্কৃতি। তেওঁলোকক অসমৰ বিভিন্ন হাবি জংঘলৰে ভৰা আচহুৱা ঠাইত গিৰমিটিয়া শ্ৰমিক অৰ্থাৎ বন্দী শ্ৰমিক হিচাবে ৰাখিছিল। তেওঁলোকে হাবি জংঘল ভাঙি, গড়া-ডিপা সমান কৰি অতি কঠোৰ শ্ৰমৰে চাহ বাগিচা ৰোৱা পৰা ঠাই বনাইছিল। ফলত বহুতো শ্ৰমিকৰ নানা অচিন ৰোগত মৃত্যু হৈছিল আৰু বহুতে হিংস্ৰ জীৱ জন্তুৰ সন্মুখীন হৈ প্ৰাণ দিব লগা হৈছিল। প্ৰথম অৱস্থাত ইখন ৰাজ্যৰ লগত সিখন ৰাজ্যৰ মানুহবিলাকৰ মাজত থকা ভাষা-আচাৰ ব্যৱহাৰ একো মিলা নাছিল। কিন্তু তেওঁলোক আছিল কৃষিজীৱি। কৃষিৰ লগত ওতপ্ৰোত ভাবে জড়িত আছিল আৰু কৃষিৰ লগত সমন্ধ থকা পূজা-পাৰ্বন সকলোৰ বাবে প্ৰিয় আছিল। প্ৰকৃতিৰ লগত অগাধ সম্বন্ধ আছিল আৰু প্ৰকৃতিৰ সকলো সম্পদ অৰ্থাৎ বায়ু পানী, মাটি, গছ-গছনী, জীৱ-জন্তুৰ লগত সম্বন্ধ বজাই চলিছিল। প্ৰাকৃতিক সম্বলেই কৃষকসকলৰ জীৱিকা তথা জীয়াই থকাৰ মূল আধাৰ হিচাবে চিন্তা কৰিছিল। বহুতে তেওঁলোকক আদিবাসী অনাৰ্য্য বংশ অৰ্থাৎ অষ্টিক, দ্ৰাবিড়ী, মংগোলীয় বংশধৰ বুলি ক'ব বিচাৰে। কিন্তু আৰম্ভণিতে তেওঁলোক গোট হিচাবে বাস কৰিছিল। জাত-পাত, ধৰ্ম, উচ্চ নীচৰ কোনোধৰণৰ ভেদাভেদ নাছিল। মনু-সংহিতা শাস্ত্ৰৰ মতে ব্ৰহ্মাৰ পুত্ৰ মনুয়ে পৃথিৱীখনত সৃষ্টি কৰিছিল নৰ-নাৰী, প্ৰকৃতিৰ ভাৰসাম্য তথা সৃষ্টিক সঞ্চালিত কৰি ৰাখিবলৈ। কিন্তু কালক্ৰম প্ৰাণীশ্ৰেষ্ঠ মানুহ জাতিৰ এচামে নিজৰ সুখ-সুবিধাৰ কাৰণে জাতি-উপজাতি, উচ্চ-নীচ, ধনী-দুখীয়া, জাতিভেদ আদিৰ ভেদাভেদ সৃষ্টি কৰিলে আৰু আজিও এচাম উচ্চ ধনী, শিক্ষিত সম্প্ৰদায়ে দলিত শ্ৰেণীৰ মানুহৰ শ্ৰেণী ভেদ বনালে আৰু বনাই আহিছে। তেওঁলোককে কৃষক, মজদুৰ, শ্ৰমিক, কুলি আদি নাম দিয়া হৈছে। এনে হোৱা স্বত্বেও অসমলৈ অনা শ্ৰমিকসকলৰ কলা-কৃষ্টি সংস্কৃতিয়ে শ্ৰমিকসকলক ঐক্যবদ্ধ হ'বলৈ আৰু এক শ্ৰমিক সমাজ হৈ জীৱন নিৰ্বাহ কৰিবলৈ অৰিহণা যোগাইছিল। তেওঁলোক কৃষিৰ লগত, প্ৰকৃতিৰ গছ-গছনী, জীৱ-জন্তুৰ লগত থকা মুখে মুখে গাই থকা গীত-মাত, ঢোল-মাদল, বাহীৰ সুৰ আদি প্ৰায়ভাগ কম-বেছি পৰিমাণে বুজি পাইছিল। প্ৰকৃতিৰ পূজা অৰ্থাৎ গছ, বায়ু, জল, সাপ, ভেকুলী, ধতী (মাটি) বাঘ আদিৰ পূজা কৰিছিল। তেওঁলোক আশিক্ষিত নিৰক্ষৰ হ'লেও প্ৰকৃতিৰ কৃপাতে জীৱন পোৱা আৰু জীৱন নিৰ্বাহ কৰাৰ আধাৰ পোৱা বিষয়টো অনুভৱ কৰিছিল আৰু প্ৰকৃতিৰ আশিস নহ'লে জীৱন নিৰ্বাহ কৰা বা জীয়াই থকাটো অসম্ভৱ এইখিনি বুজিছিল। সেয়ে সেই প্ৰকৃতিৰ সম্পদ বিলাকক ভক্তি, শ্ৰদ্ধা কৰাৰ লগতে কোনো ধৰণে নষ্ট নকৰিছিল। সেই ভক্তি, অৰ্চনা কৰাকে চাহ বাগানিয়া ভাষাত 'পূজা' শব্দ ব্যৱহাৰ কৰি আহিছে। প্ৰকৃতিৰ সম্পাদক লৈ তথা প্ৰাকৃতিক উপাদান সমূহক লৈ প্ৰাচীন কালৰ পৰা লৌকিক অৰ্থাৎ মুখে মুখে চলি অহা অলৌকিক কাহিনী (খিচচা), ভক্তিগীত (ভজন মাদী গীত, জন্মৰ গীত, মৰাৰ সময়ত গোৱা গীত কেঁচুৰা উমলুৱা গীত আদি এতিয়াও চলি আছে। তেওঁলোকৰ ঠাই বিশেষে নাগৰি, দেৱনাগিৰি, বেঙ্গুলী, উৰিয়া লিখিত আৰু কমিত ভাষা আছিল যদিও তেওঁলোকৰ শতকৰা ৯৫ ভাগেই শ্ৰমিক তথা নিৰক্ষৰ থকা বাবে, অসমলৈ অহাৰ লগে লগে, সকলো পাহৰিল বা চৰ্চা নহ'ল। ফলত কথিত ভাষা খিনিকেই পৰস্পৰৰ মাজত আদান প্ৰদান কৰাৰ লগে লগে এক উমৈহতীয়া ভাষাৰ সৃষ্টি হ'ল। অৰ্থাৎ বেলেগ বেলেগ ৰাজ্যৰ কথিত ভাষাবোৰ (অসমৰ মাটিত) একত্ৰীকৰণ হ'ল। বিশেষকৈ চাদাঁ (চাদৰী), অৱধ, নাগপুৰীয়া, পাচগৰণীয়া, চম্বলপুৰীয়া, সিন্ধী, কুড়মালি, উৰিয়া, বেংঙুলী, ভাষাৰ মূল শকবিলাক একে থাকিল কিন্তু ঠাই বিশেষে উচ্চাৰণ, ধ্বনি, লয় আদিৰ পৰিৱৰ্তন হ'ল। আনকি সময়, পৰিবেশ আৰু অৱস্থিতিৰ প্ৰভাৱত অসমৰ বহু অসমীয়া শব্দ চাহ জনগোষ্ঠীয় ভাষাৰ মাজত সোমাই পৰিছে। সেয়ে অসমৰ চাহ বাগিচা বা গাঁও এলেকাত "খিচৰী" চাহ জনগোষ্ঠীয় ভাষা শুনা যায়। যা কি নহওক তেওঁলোক অনৈক্যৰ মাজতো ঐক্যবদ্ধ ভাবে বাস কৰিছে চাহ জনগোষ্ঠী হিচাবে। লগতে বাৰ মাহত ১৩টা পূজা পালন কৰাও পৰিলক্ষিত হয় যদিও কৰম পূজা "চাহ জনগোষ্ঠীৰ এক জাতীয় পৰৱ হৈ পৰিছে। চাহ জনগোষ্ঠীয় সমাজৰ "কৰম পূজা"ই হৈছে বছৰৰ আৰম্ভণি পূজা। ইয়াৰ পিছতেই দুৰ্গা পূজা কালি পূজা, দীপাৱলী, লক্ষ্মী পূজা আৰম্ভ হয়। শৰতৰ আগমনে তথা শাৰদীয় পূজাই চাহ শ্ৰমিকৰ মন প্ৰাণ



প্ৰফুল্ল কৰি তুলে। কৰম পূজাৰ প্ৰতি শ্ৰমিক সমাজৰ মাজত এক আধ্যাত্মিক ভাৱ লুকাই আছে। কৰম গোচাই (বাবা) দেৱতাই হ'ল আৰাধ্য দেৱতা। গভীৰ আস্থা আৰু বিশ্বাস আছে যে কৰ্মই হৈছে কৃষক/শ্ৰমিকৰ মূল আধাৰ। কৰ্ম নকৰাকৈ জীৱন নচলে। কৰম পূজাৰ মূল কাহিনীত কৰ্মা আৰু ধৰ্মা মূল নায়ক আৰু তেওঁলোকৰ জীৱনৰ পাতনি কৰ্মৰ ওপৰত আৰম্ভ হৈছে। ভাল, সত, ন্যায়, অহিংসা নীতিৰে ভাল কৰ্ম কৰিলে তাৰ ফলাফলো ভাল তথা সুখদায়ক হয়। কিন্তু অনীতি হিংসা মনোভাৱ পোষণ কৰি স্বাৰ্থন্ধ কৰ্ম কৰিলে কৰ্মফল দুখদায়ক তথা অশান্তিৰে ভৰা হয়। কাহিনীত গৰু, সাপ, ঘৰিয়াল, নদী আদিৰ কৰ্ম কাহিনীৰ কথা কোৱা হৈছে। কেনেকৈ বেয়া লোকৰ অহিত হোৱা তথা স্বাৰ্থ জড়িত কাম কৰি কমাৰ লগতে গৰু, সাপ, ঘৰিয়াল, ঘোঁৰা, নদী, আমগছ আদিয়ে দুখ কুষ্ট অশান্তিৰ সন্মুখীন হ'বলগীয়াত পৰে। কমাই কম গোসাই দেৱতাৰ ওপৰত অটল বিশ্বাস ৰাখি নানা কষ্টৰ মাজেদি গৈ ভক্তি, শ্ৰদ্ধা, ধৈৰ্য্যৰে বিচাৰি গৈছিল। নিজৰ ভুল আৰু অপকৰ্মৰ বিষয়ত অনুশোচনা কৰি প্ৰায়শ্চিত্ত হিচাবে ভাল কাম কৰাৰ দৃঢ় প্ৰতিজ্ঞাবদ্ধ হৈছিল দেখি কৰ্ম গোসাই দেৱতা সন্তুষ্ট হৈছিল। কৰ্মাই নিজৰ স্তব্ধ পবিত্ৰ চিন্তাৰে ঘৰিয়াল, সাপ, ঘোৰা, গৰু, আমগছ, পানী আদি সকলোকে তাহাঁতৰ অপকৰ্মৰ বিষয়ত বুজাই দিয়াত সকলোৰে একচিত্তে অপকৰ্মৰ কথা চিন্তা কৰিলে আৰু শুদ্ধ পথ লৈ জনকল্যাণৰ হেতু কাম কৰাৰ প্ৰণ ল'লে। ফলস্বৰূপে কৰম দেৱতাই কৰ্মাৰ জৰিয়তে সকলোৰেই দুখ-কষ্ট হৰিলে। আনহাতে ধৰ্মাই নিজৰ কৰ্মকে ধৰ্ম বা কৰ্তব্য বুলি জ্ঞান কৰিছিল। কৰ্মই জীৱনৰ মূলমন্ত্ৰ হিচাবে লৈছিল। কৰ্ম যাতেজন হিতাৰ্থে হয় আৰু শ্ৰদ্ধা-ভক্তিৰ আধাৰত হয় এই মনোভাৱেৰে কৰ্ম আন এটা নাম দিছিল কৰ্ম গোসাই। অৰ্থাৎ এক আধ্যাত্মিক চিন্তাৰ শক্তি। দেৱতা অৰ্থাৎ ঐশ্বৰিক / নেদেখা শক্তি। যি মানুহৰ অন্তৰ আত্মা শুদ্ধ পবিত্ৰ, গভীৰ শ্ৰদ্ধা ভক্তিৰে ভৰা হয়, সেই আত্মাৰ শক্তিয়েই হ'ল কম গোসাই।

সেয়ে কৰম পূজাৰ আঁৰত লুকাই আছে চাহ জনগোষ্ঠীৰ আদিম চিন্তাধাৰা আৰু কৰ্ম প্ৰেৰণাৰ উৎস।

কৰম পূজাৰ আঁৰত বহুতো শ্ৰদ্ধা-ভক্তি, বিশ্বাস লুকাই আছে। চাহ জনগোষ্ঠী যিসকল আদিবাসীৰ বংশধৰ তেওঁলোকৰ বিশ্বাস কৰম পূজা যিয়েই বা যি পৰিয়ালে শুদ্ধ পবিত্ৰচিত্তৰে কৰে, তেওঁৰ মনোবাঞ্চা

মাখন লাল বাঁঢ়ৈ

পূৰ্ণ হয়। বহুতে বেমাৰ-আজাৰৰ পৰা পৰিত্ৰাণ পাবলৈ, কোনোবাই সন্তান লাভ কৰিবলৈ, কোনোবাই আপদ-বিপদ দূৰ কৰিবলৈ আৰু বাই-ভনীয়ে ভায়েক ককায়েকৰ সুখ-শান্তি কামনা কৰি, ৫/৩ দিন ধৰি ব্ৰতৰে পূজা পালন কৰে। আজি ২০/২৫ বছৰৰ আগলৈকে ৫/১০ ঘৰৰ পৰিয়াল মিলি কৰম পূজাৰ আয়োজন কৰিছিল আৰু গাওঁ বা বাগিচাৰ সকলোৰে যোগদান কৰিছিল। কিন্তু বৰ্তমান ৰাজহুৱাভাৱে ৰাজহুৱা স্থানত কৰ্মা পূজা কৰিবলৈ লৈছে যদিও এতিয়াও বহু ঠাইত পৰিয়াল হিচাবে পূজা কৰে। হিন্দু সমাজৰ শ্ৰীশ্ৰী সত্যনাৰায়ণ পূজাৰ লগত কৰ্ম পূজাক তুলনা কৰিব পাৰি। সত্যনাৰায়ণ পূজাৰ লগত বিষ্ণু ভগৱানৰ লগত সংগতি ৰাখি যি কাহিনী বৰ্ণনা কৰা হয়, সেই একে ভাৱধাৰাৰে আধাৰিত কৰম পূজাৰ কাহিনী ভাগ। হিন্দু সমাজৰ এচামৰ বিশ্বাস যে বছেৰেকত এবাৰ শ্ৰীশ্ৰী সত্যনাৰায়ণ পূজা কৰিলে, অন্য আৰু কোনো দেৱ-দেৱীক পূজা নকৰিলেও হয়। সেয়ে হিন্দু সমাজৰ কিছু পৰিয়ালে সত্যনাৰায়ণ পূজা পালন কৰি গোটেই নিশাহ হৰি কীৰ্ত্তন কৰে আৰু ভগৱানৰ প্ৰতি শ্ৰদ্ধা-ভক্তি অৰ্পণ কৰে। সেই একে মনোভাৱেৰে অতীতৰ পৰা বৰ্তমানলৈকে চাহ জনগোষ্ঠীয় অৰ্থাৎ আদিবাসীসকলৰ পৰম্পৰা মতে বেদ স্থাপন কৰি, কৰম ডাল/চিকামৰলিয়া গছৰ ডাল) বেদীত পুটি, "জাৱা" আৰু ফলমূল পীঠা আদিৰে পূজা কৰে। কাহিনী বুঢ়া (কাহিনীকাৰ) ই ব্ৰাহ্মণৰ দৰে— কাহিনী বৰ্ণনা কৰি, কৰম দেৱতাৰ মহিমা, ভক্তি শ্ৰদ্ধাৰ মহিমা, ভাল কামৰ ফলাফল আদি বিষয়ত বহলাই কয়। অতীজৰ পৰা মুখে মুখে চলি অহা লৌকিক কাহিনী, কিন্তু লোক বিশ্বাসৰ ওপৰত আধাৰিত।

চাহ জনগোষ্ঠী অৰ্থাৎ আদিবাসীসকলে আদি কালৰ পৰা মানি অহা "কৰম পূজা"ৰ আধ্যাত্মিক জ্ঞান, বিশ্বাস- শ্ৰদ্ধাৰ মৰ্যাদা আধুনীক জ্ঞান প্ৰযুক্তিৰ যুগৰ প্ৰভাৱ কি ধৰণে পৰিছে, বুজিবলৈ সাঁথৰ যেন লগা হৈছে। আধুনীক সমাজৰ এচাম বৌদ্ধিক মহলে কৰম পূজাক "পৰৱ" আৰু উৎসৱ হিচাবে নামকৰণ কৰিছে আৰু ৰাজহুৱাভাৱে উৎসৱ হিচাবে পালন কৰা পৰিলক্ষিত হৈছে। বিশ্ব দৰবাৰত কৰ্মা পূজাক প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস, শলাগ ল'ব লগা হ'লেও ইয়াৰ পৰম্পৰাৰ ওপৰত আধুনীকৰণ কৰিবলৈ লোৱা কাৰ্য্যক সমৰ্থন কৰিব নোৱাৰি। যিহেতু নিজস্ব কৃষ্টি সংস্কৃতি আৰু মেটমৰা পৰম্পৰাৰ সৈত্যে চহকী দেশৰ কৰম পূজা পৰম্পৰা নে সংস্কৃতি এই প্ৰশ্নৰ উত্তৰ দিয়া এক কথাত কঠিন হৈ পৰে। কাৰণ কৃষ্টি সংস্কৃতি, পৰম্পৰা এই শব্দবোৰ ইটোৰ লগত আনটো অতি ওচৰ চপা। খোলাকৈ বা মুকলিকৈ এই



বিষয়টিৰ উত্তৰ দি ভুৰুকাত ভৰাব নোৱাৰি। পৰম্পৰা হৈছে (হেমকোষ অভিধানৰ মতে) এটাৰ পিছত আন এটা অবিচ্ছেদ্য ধাৰা বা অনুক্ৰম বা শ্ৰেণী। জাতি সমাজ বংশ পৰিয়ালৰ পৰুষানুক্ৰমে চলি অহা ৰীতি-নীতি, বিশ্বাস, শ্ৰদ্ধা, ঐতিহ্য পৰম্পৰাগতভাৱে চলি অহা বা ধাৰাবাহিকৰূপে চলি অহা আচাৰ অনুষ্ঠান। আনহাতে সংস্কৃতি শব্দটি বৰ বহল, ব্যাপক আৰু গভীৰ। ইয়াৰ তাৎপৰ্য্যে সততে ব্যাখ্যা কৰা সহজ নহয়। এখন সমাজৰ জীৱন ধাৰণৰ প্ৰণালী, জীৱিকা খাদ্যাভাষ, সংগীত, নৃত্য, সাহিত্য, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয় ৰীতি-নীতি, শিক্ষা আদিৰ দ্বাৰা প্ৰকাশ কৰা এক অনবদ্য অভিব্যক্তি। সহজ ভাষা ক'বলৈ গ'লে সাংস্কৃতি হৈছে জীয়াই থকাৰ কৌশল আৰু একমাত্ৰ মানুহেই হৈছে সাংস্কৃতিক প্ৰাণী। নৃতত্ত্ববিদ টেইলৰ মতে সংস্কৃতি হৈছে সমাজৰ পৰা আহৰণ কৰা বিভিন্ন আচৰণ, অৰ্থতা, জ্ঞান, বিশ্বাস, ক'লা নীতি, আদৰ্শ, আইন ৰীতি নীতি আদিৰ সংমিশ্ৰণ। সেয়ে ক'ব পাৰি যে সংস্কৃতি কোনো নিৰ্দিষ্ট জাতিৰ বা জনগোষ্ঠীৰ একচেতীয়া সম্পত্তি নহয়। ই মানৱসৃষ্টি সংস্কাৰ আৰু মানুহৰ মাজত পৰিৱৰ্ত্তিত তথা পৰিবৰ্দ্ধিত ৰূপত জীয়াই থাকে। আনহাতে বিভিন্ন জনগোষ্ঠী মিলনৰ সমাহাৰেই হ'ল চাহ জনগোষ্ঠীৰ চাহ জনজাতীয় সংস্কৃতি এক মিলনৰ বেতু অসমীয়া আৰু ভাৰতীয় সংস্কৃতিৰ দৰে। এটা জাতিৰ ৰীতি-নীতি, পৰম্পৰা, আচাৰ অনুষ্ঠান ধৰ্ম-উৎসৱ, পূজা-পাতল, চাল-চলন, কথা-বতৰা, অতিথিপৰায়ণ মনোভাৱ এই বৃষ্টি পৰম্পৰাৰ বহল বিকাশেই সংস্কৃতি। পৰম্পৰা শব্দটো সংস্কৃতিৰ বাহিৰা শব্দ নহয়। সেয়ে কৰম পূজাৰ পৰম্পৰা হ'ল চাহ জনগোষ্ঠীয় জাতিৰ এটা ঐতিহাসিক বাগৰি অহা সংস্কৃতিৰ এটা অংশস্বৰূপ তথা জাতিৰ নিদৰ্শন স্বৰূপ।

কৰম পূজা হ'ল আমাৰ আদিবাসীৰ (অসমৰ ক্ষেত্ৰত চাহ জনগোষ্ঠীয় সমাজৰ মান আৰু প্ৰাণ। অসমৰ অসমীয়া সমাজৰ বিহু যেনেকৈ জনজীৱনৰ আয়ুস ৰেখা তথা বাপতি সাহেন ঠিক একে ধৰণৰ অসমৰ চাহ জনগোষ্ঠী সমাজৰ কৰম পূজা হ'ল আয়ুস ৰেখা আৰু এক পৰম্পৰা অৰ্থাৎ পৰম্পৰাগত ভাবে চলি অহা এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ। কৰম পূজা বুলিলেই অসমৰ চাহ জনগোষ্ঠীয় জীৱন ধাৰণাৰ আৰ্হিকে সূচায়। কিন্তু অতি পৰিতাপৰ বিষয় যে কৰম পূজাক লৈ কিছুমানে আধুনীক চিন্তাধাৰাৰে কাগজে পত্ৰই ফেচবুক, চচিয়েল মিডিয়াত নানা বিকৃতৰূপত প্ৰকাশ কৰিবলৈ লৈছো। এচাম আকৌ "ক" পূজাক উৎসৱ হিচাপে লৈ মঞ্চলৈ নিছে আৰু ইয়াৰ পৰম্পৰাৰ মূল্য পাহৰি আধুনীক সজ্জাৰে সজাইছে। কৰম গোচাইৰ কাহিনীৰ মূল শিক্ষা — আধ্যাত্মিক দিশটোলৈ নগৈ আধুনীক পৰম্পৰা অৰ্থাৎ প্ৰাৰ্থনা/স্তুতি গীতৰ পৰিৱৰ্তে হিন্দী আৰতিৰে স্তুতি কৰা হৈছে। কাহিনী বুঢ়াৰ ঠাই ব্ৰাহ্মণৰে পূজা কৰোৱাও কতোবা দৃষ্টিগোচৰ হৈছে। পূজা শেষ হোৱাৰ লগে লগে কিছু কিছু ঠাইত ডেক ব্যৱহাৰ কৰা, কিছু ঠাইত আকৌ লংপেণ্ট, জোতা চেন্দেল পিন্ধি কুমইৰ পৰিবেশন কৰা এনে বহুধৰণৰ বিকৃত ৰূপ লৈছে। ইয়াৰ বাবে আমি অৰ্থাৎ কিছুমান আমাৰ জনা বুজা শিক্ষিত লোকসকলেই দায়ী বুলি পঢ়াই কোৱা নহ'ব। আমি কৰ্ম পূজাক লৈ বহু প্ৰবন্ধ ৰচনা, ঝুমইৰ গীত আদি লিখো। কিন্তু কৰম পূজাৰ স্থলিত উপস্থিত থাকি "কৰম পূজা" অনুষ্ঠিত কৰা উদ্যোক্তা সকলৰ লগত বা কাহিনীকাৰৰ লগত বহি আৰু কৰম পূজাৰ আখৰাত উপস্থিত থাকি আমাৰ কৰ্মতীয়াই হওক বা গায়ক আদিৰ লগত অংশীদাৰ হ'ব পৰা নাই। ভয় কৰো হয়তো কোনোবাই হাঁহিব বা অপমান কৰিব ইত্যাদি ইত্যাগি। আনহাতে কৰম পূজা উৎসৱত অংশ লোৱা, তথা আখৰাত ঝুমইৰ পৰিবেশন কৰাসকলৰ সৰহভাগেই অৰ্দ্ধশিক্ষিত বা অশিক্ষিত। তাতেই উৎসৱৰ নামত কম-বেচি পৰিমাণে মাদক দ্ৰব্যৰ ব্যৱহাৰ হয়। ফলত "কৰম পূজা"ৰ ছবিত অপ সংস্কৃতিয়ে স্থান পাবলৈ লৈছে। ইয়াকে নিৰাময় কৰি কৰম পূজাক জাতিৰ জাতীয় পৰব কৰিবলৈ হ'লে আমাৰ বৌদ্ধিক শিক্ষিত লোকৰ সমাবেশ হোৱাটো অতি প্ৰয়োজন হৈ পৰিছে। বৌদ্ধিক মহলৰ প্ৰবেশ ঘটিলেই "কৰম পূজা" পৰবৰ বহু অপসংস্কৃতি দূৰ হ'ব আৰু ই পুনৰ জাতীয় গৌৰৱ আবৰ্তন ঘটিব।

# কৰম পৰৱ আৰু আজিৰ প্ৰজন্ম

অংগনা কুৰ্মী

অসমীয়া সংস্কৃতিৰ এক অনন্য আৰু পৰম্পৰাগত উৎসৱ হৈছে কৰম পৰৱ। এই পৰৱ মূলতঃ অসমৰ চাহ জনগোষ্ঠীৰ মাজত অতি জনপ্ৰিয় আৰু ইয়াৰ সৈতে জড়িত আছে গভীৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক তাৎপৰ্য। কৰম পৰৱৰ মূল উদ্দেশ্য হৈছে কৰম দেৱতাৰ পূজাৰ জৰিয়তে সমৃদ্ধি, সৌভাগ্য আৰু শস্যৰ উৎপাদনশীলতাৰ বাবে প্ৰাৰ্থনা কৰা। কিন্তু আজিৰ দিনত, যেতিয়া বিশ্বায়ন আৰু আধুনিকতাৰ তীব্ৰ প্ৰভাৱত নতুন প্ৰজন্মৰ জীৱনশৈলী সলনি হৈছে, তেতিয়া কৰম পৰৱৰ দৰে পৰম্পৰাগত উৎসৱৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভংগীও সলনি হোৱা দেখা গৈছে। এই প্ৰবন্ধত আমি কৰম পৰৱৰ ইতিহাস, তাৎপৰ্য আৰু আজিৰ প্ৰজন্মৰ সৈতে ইয়াৰ সম্পৰ্কৰ বিষয়ে বিশ্লেষণ কৰিম। কৰম পৰৱৰ উৎপত্তি ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত কৃষিভিত্তিক উৎসৱৰ সৈতে জড়িত। অসমত এই পৰৱ চাহ জনগোষ্ঠীৰ মাজত বিশেষভাৱে পালন কৰা হয়, যদিও ইয়াৰ প্ৰভাৱ অন্যান্য সম্প্ৰদায়ৰ মাজতো কিছু পৰিমাণে দেখা যায়। কৰম পৰৱৰ কেন্দ্ৰীয় দেৱতা হৈছে কৰম দেৱতা, যাক প্ৰকৃতি আৰু শস্যৰ দেৱতা হিচাপে পূজা কৰা হয়। এই উৎসৱ সাধাৰণতে ভাদ মাহৰ শুক্লপক্ষৰ দশমী তিথিত পালন কৰা হয়। কৰম পৰৱৰ সৈতে জড়িত এটা জনপ্ৰিয় কিংবদন্তী হৈছে কৰম ভাইৰ কাহিনী। এই কাহিনী অনুসৰি, দুজন ভাইৰ মাজত কৰম গছৰ পূজাৰ প্ৰতি অৱহেলাৰ বাবে দুৰ্ভাগ্যৰ সৃষ্টি হৈছিল। পৰৱৰ্তী সময়ত কৰম দেৱতাৰ পূজাৰ জৰিয়তে তেওঁলোকৰ জীৱনত পুনৰ সমৃদ্ধি ঘূৰি আহিছিল। এই কাহিনীয়ে কৰম পৰৱৰ গুৰুত্ব আৰু ইয়াৰ প্ৰতি শ্ৰদ্ধাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে। কৰম পৰৱৰ পালনত কৰম গছৰ এক বিশেষ ভূমিকা আছে। এই গছৰ ডাল কাটি পূজাস্থলীত স্থাপন কৰা হয় আৰু ইয়াক বিভিন্ন ফল-মূল, ফুল আৰু শস্যৰে সজাই তোলা হয়। পূজাৰ সময়ত মহিলা আৰু যুৱতীসকলে একত্ৰিত হৈ কৰম দেৱতাৰ প্ৰতি গীত গায় আৰু নৃত্য পৰিৱেশন কৰে। এই গীতসমূহত প্ৰকৃতি, কৃষি আৰু জীৱনৰ বিভিন্ন দিশৰ কথা উল্লেখ থাকে। পূজাৰ অন্তত কৰম গছৰ ডাল নদী বা জলাশয়ত বিসৰ্জন কৰা হয়, যি প্ৰকৃতিৰ সৈতে জড়িত এই উৎসৱৰ প্ৰতীকী তাৎপৰ্যক বুজায়। কৰম পৰৱৰ সময়ত পৰিৱেশিত নৃত্য আৰু গীতৰ মাজতো জাতীয় সংহতিৰ এক সুন্দৰ দিশ প্ৰকাশ পায়। চাহ জনগোষ্ঠীৰ লোকসকলে ইয়াক এক সামূহিক উৎসৱ হিচাপে পালন কৰে, য'ত সকলোৱে একত্ৰিত হৈ আনন্দ উদযাপন কৰে। পৰম্পৰাগত পোছাক, যেনে-মেখেলা-চাদৰ আৰু ধোতি-কুৰ্তা, এই উৎসৱৰ এক গুৰুত্বপূৰ্ণ অংশ।



আজিৰ প্ৰজন্মৰ জীৱনশৈলীত পৰিৱৰ্তনৰ বাবে কৰম পৰৱৰ দৰে পৰম্পৰাগত উৎসৱৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ কিছু পৰিমাণে হ্ৰাস পাইছে। বিশ্বায়নৰ প্ৰভাৱত আধুনিক যুৱক-যুৱতীসকলৰ মনোযোগ পাশ্চাত্য সংস্কৃতি, পপ সংগীত, আৰু ডিজিটেল মাধ্যমৰ ফালে অধিক ঢাল খাইছে। তদুপৰি, নগৰীয়াকৰণৰ ফলত বহু যুৱক-যুৱতী গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন কৰিছে, যাৰ ফলত তেওঁলোকৰ পৰম্পৰাগত উৎসৱৰ সৈতে সংযোগ কিছু পৰিমাণে বিচ্ছিন্ন হৈছে। কিন্তু ইয়াৰ মাজতো এটা ইতিবাচক দিশ হৈছে যে আজিৰ প্ৰজন্মৰ কিছু অংশই নিজৰ সংস্কৃতিৰ প্ৰতি সচেতন হৈ উঠিছে। সামাজিক মাধ্যমৰ জৰিয়তে কৰম পৰৱৰ দৰে উৎসৱৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছে। বহু যুৱক-যুৱতীয়ে কৰম পৰৱৰ ফটো, ভিডিঅ' আৰু তথ্য সামাজিক মাধ্যমত শ্বেয়াৰ কৰি নিজৰ সংস্কৃতিৰ প্ৰতি গৌৰৱ প্ৰকাশ কৰিছে। কৰম পৰৱৰ প্ৰাসংগিকতা আজিৰ দিনতো অক্ষুণ্ণ। এই উৎসৱে প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্কৰ গুৰুত্বৰ কথা মনত পেলায়। আজি যেতিয়া পৰিৱেশৰ ধ্বংস আৰু জলবায়ু পৰিৱৰ্তনৰ দৰে বিষয়ে সৰ্বজনীন আলোচনা চলি আছে, তেতিয়া কৰম পৰৱৰ দৰে উৎসৱে প্ৰকৃতি সংৰক্ষণৰ বাৰ্তা প্ৰেৰণ কৰে। ইয়াৰ উপৰিও, এই পৰৱে সম্প্ৰদায়ৰ মাজত একতা আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তোলে, যিটো আধুনিক সমাজৰ বাবেও প্ৰয়োজনীয়। কৰম পৰৱৰ সাংস্কৃতিক দিশটোও অতি গুৰুত্বপূৰ্ণ। ই অসমীয়া লোকসংস্কৃতিৰ এক অমূল্য সম্পদ। পৰম্পৰাগত গীত, নৃত্য আৰু কাহিনীৰ জৰিয়তে এই পৰৱে নতুন প্ৰজন্মক তেওঁলোকৰ শিপাৰ সৈতে সংযোগ স্থাপনৰ সুযোগ প্ৰদান কৰে। আজিৰ প্ৰজন্মৰ ওপৰত কৰম পৰৱৰ দৰে পৰম্পৰাগত উৎসৱক জীয়াই ৰাখি ভৱিষ্যৎ প্ৰজন্মৰ বাবে তুলি দিয়াৰ দায়িত্ব আছে। এই ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বিদ্যালয় আৰু মহাবিদ্যালয়ত কৰম পৰৱৰ বিষয়ে শিক্ষা প্ৰদান কৰিলে যুৱক-যুৱতীসকলৰ মাজত এই উৎসৱৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব। ইয়াৰ উপৰিও, সামাজিক মাধ্যম আৰু ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে এই উৎসৱৰ প্ৰচাৰ কৰাটোও প্ৰয়োজন। স্থানীয় সম্প্ৰদায়ৰ সহযোগিতাত কৰম পৰৱৰ আয়োজন কৰি নতুন প্ৰজন্মক ইয়াৰ সৈতে জড়িত কৰাটো জৰুৰী। উদাহৰণস্বৰূপে, কৰম পৰৱৰ সময়ত সাংস্কৃতিক অনুষ্ঠান, প্ৰতিযোগিতা আৰু কৰ্মশালাৰ আয়োজন কৰিলে যুৱক-যুৱতীসকলৰ অংশগ্ৰহণ বৃদ্ধি পাব। কৰম পৰৱ অসমীয়া সংস্কৃতিৰ এক অমূল্য অংশ। ই কেৱল এটা ধৰ্মীয় উৎসৱ নহয়, ই সম্প্ৰদায়ৰ একতা, প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। আজিৰ প্ৰজন্মৰ বাবে এই পৰৱৰ গুৰুত্ব বুজাটো অতি জৰুৰী। আধুনিকতাৰ সোঁতত নিমিলি যোৱাৰ সময়তো নিজৰ শিপাৰ সৈতে সংযোগ ৰক্ষা কৰাটো প্ৰয়োজন। কৰম পৰৱৰ দৰে উৎসৱে আমাক আমাৰ পৰিচয়ৰ কথা মনত পেলাই দিয়ে আৰু ভৱিষ্যতৰ পথত আগবাঢ়ি যোৱাৰ প্ৰেৰণা যোগায়। সেয়েহে, আজিৰ প্ৰজন্মই এই পৰৱৰ মৰ্যাদা ৰক্ষা কৰি ইয়াক ভৱিষ্যৎ প্ৰজন্মৰ বাবে তুলি ধৰাৰ দায়িত্ব গ্ৰহণ কৰা উচিত।

## এই অপমান কেৱল মোৰ

সমগ্ৰ দেশৰ মাতৃ, ভগ্নী আৰু কন্যাসকলৰ প্ৰতি অসম্মানৰ সমতুল্য। প্ৰধানমন্ত্ৰীয়ে বিহাৰৰ সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাৰ কথা উল্লেখ কৰি কয় যে, এনে এক ভূমিত এই ধৰণৰ ঘটনা সংঘটিত হোৱাটো তেওঁ কেতিয়াও কল্পনা কৰা নাছিল। তেওঁ মাতৃক সকলোৱে ‘পৃথিৱী’ আৰু ‘আত্মসন্মান’ৰ প্ৰতীক বুলি বৰ্ণনা কৰি কয়, “মা আমাৰ পৃথিৱী। মা আমাৰ আত্মসন্মান। কিছুদিন আগতে এই পৰম্পৰা সমৃদ্ধ বিহাৰত যি ঘটিল, সেয়া মই কল্পনাও কৰিব নোৱাৰোঁ। বিহাৰত আৰজেডি-কংগ্ৰেছৰ মঞ্চৰ পৰাই মোৰ মাতৃক নিৰ্যাতন চলোৱা হৈছিল... এই নিৰ্যাতনসমূহ কেৱল মোৰ মাতৃৰ প্ৰতি অপমান নহয়, এইবোৰ দেশৰ মাতৃ, ভগ্নী আৰু কন্যাসকলৰ প্ৰতি অপমান। মই জানো যে আপোনালোকে সকলোৱে কিমান কষ্ট অনুভৱ কৰিছে, বিহাৰৰ প্ৰতিগৰাকী মাতৃয়ে এই কথা দেখা আৰু শুনাৰ পিছত যি বেদনা পাইছে। মোৰ হৃদয়ত যি কষ্ট হৈছে, বিহাৰৰ জনসাধাৰণো একে বেদনাত আছে।” মোদীয়ে আৰু উল্লেখ কৰে যে, তেওঁ নিজৰ মাতৃৰ পৰা পৃথক হৈ দেশৰ লক্ষ লক্ষ মহিলাৰ সেৱাত নিয়োজিত হৈছে। তেওঁৰ মাতৃয়ে শত বছৰ বয়স পূৰ্ণ কৰি সম্প্ৰতি এই পৃথিৱী এৰি গৈছে আৰু তেওঁৰ ৰাজনীতিৰ সৈতে কোনো সম্পৰ্ক নাছিল। তথাপি আৰজেডি আৰু কংগ্ৰেছে বিহাৰত তেওঁৰ মাতৃক গালি-গালাজৰ লক্ষ্য কৰিছে বুলি তেওঁ অভিযোগ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, “মোৰ মাতৃয়ে মোক তেওঁৰ পৰা পৃথক কৰিছিল যাতে মই আপোনালোকৰ দৰে কোটি কোটি মাতৃৰ সেৱা কৰিব পাৰোঁ। আপোনালোকে সকলোৱে জানে যে এতিয়া মোৰ মাতৃ জীয়াই নাই। কিছুদিনৰ আগতে ১০০ বছৰ বয়স সম্পূৰ্ণ কৰাৰ পিছত তেওঁ আমাক এৰি থৈ গৈছে। ৰাজনীতিৰ সৈতে কোনো সম্পৰ্ক নথকা এই ব্যক্তিক, যি এতিয়া এই পৃথিৱীত নাই, আৰজেডি আৰু কংগ্ৰেছৰ মঞ্চৰ পৰাই গালি-গালাজ কৰা হৈছিল। ভগ্নী আৰু মাতৃসকল, মই আপোনালোকৰ মুখ চাই মাত্ৰ কল্পনা কৰিব পাৰোঁ যে আপোনালোকে কেনে বেদনা অনুভৱ কৰিছে। মই কিছু মাতৃৰ চকুত চকুলো দেখিছোঁ। এইটো অতি দুখজনক আৰু বেদনাদায়ক।” ইয়াৰ পূৰ্বে, প্ৰধানমন্ত্ৰী মোদীয়ে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী আৰু বিজয় সিনহাৰ উপস্থিতিত বিহাৰ ৰাজ্য জীৱিকা নিধি সাখ সাহকাৰী সংঘ লিমিটেডক ভাৰ্চুৱেলী উদ্বোধন কৰে। তেওঁ নীতিশ কুমাৰ আৰু বিহাৰ চৰকাৰক এই আঁচনি মুকলি কৰাৰ বাবে অভিনন্দন জনাইছে আৰু ইয়াক এক ‘বিস্ময়কৰ পদক্ষেপ’ বুলি বৰ্ণনা কৰিছে। মোদীয়ে কয় যে, ভাৰতৰ উন্নয়নৰ অন্যতম মূল ভিত্তি হৈছে দেশৰ মহিলাসকলৰ সবলীকৰণ, আৰু এই ধৰণৰ আঁচনিসমূহে সেই লক্ষ্যত সহায় কৰিব। এই ঘটনাই বিহাৰৰ ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সূচনা কৰিছে, য’ত মাতৃৰ সন্মান আৰু ৰাজনৈতিক মন্তব্যৰ সীমাৰ বিষয়ে গভীৰ আলোচনা চলিছে। প্ৰধানমন্ত্ৰীৰ এই বক্তব্যই বিহাৰৰ জনসাধাৰণৰ মাজতো ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## নৱজাতক মৃত্যুৰ বাবে

ভৰ্তি কৰা হৈছিল, কিন্তু দুৰ্ভাগ্যজনকভাৱে বিছনাৰ পৰা পৰি তেওঁৰ মৃত্যু হয়, আনহাতে আন এটি শিশু আহত হয়। এই ঘটনাৰ পাছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰত্যক্ষভাৱে হস্তক্ষেপ কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল। তদন্তৰ পাছত হাস্পাতালৰ কৰ্তৃপক্ষ আৰু প্ৰশাসনে কেইবাগৰাকী চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু প্ৰশিক্ষণৰত ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। তদন্তৰ পৰা জানিব পৰা গৈছে যে এই ঘটনাত কৰ্তব্য অৱহেলা, অসৎ আচৰণ আৰু চিকিৎসালয়ৰ ৰেকৰ্ডৰ সঠিক তথ্য সংৰক্ষণত ব্যৰ্থতাৰ অভিযোগ উত্থাপিত হৈছে। ফলত জ্যেষ্ঠ চিকিৎসক ডাঃ অনুপমা ডেকা, ডাঃ দিপাংকৰ হাজৰিকা, নাৰ্চ ইনচাৰ্জ গোমতী দেৱী, আইচিইউৰ টেকনিচিয়ান ঈশানজ্যোতি তালুকদাৰ আৰু ষ্টাফ নাৰ্চ চন্দনা নাথকে ধৰি পাঁচগৰাকী স্বাস্থ্যকৰ্মীক ছয় মাহৰ বাবে নিলম্বন কৰা হৈছে। ইয়াৰ উপৰিও শিশু চিকিৎসা বিভাগৰ দুজন স্নাতকোত্তৰ প্ৰশিক্ষণৰত ছাত্ৰ-ছাত্ৰী ডাঃ হৃষিকেশ ঠাকুৰিয়া (দ্বিতীয় বৰ্ষ) আৰু ডাঃ পূজা (প্ৰথম বৰ্ষ)ক শ্ৰীমন্ত শংকৰদেৱ বিজ্ঞান বিশ্ববিদ্যালয়ৰ (এছএছইউএইচএছ) পৰা ছয় মাহৰ বাবে বৰ্খাস্ত কৰা হৈছে। তেওঁলোকৰ বিৰুদ্ধেও কৰ্তব্য অৱহেলা, অসৎ আচৰণ আৰু হাস্পাতালৰ ৰেকৰ্ডত গাফিলতিৰ চেষ্টাৰ অভিযোগ উত্থাপিত হৈছে। এই ঘটনাই গুৱাহাটী মেডিকেল কলেজ হাস্পাতালৰ স্বাস্থ্যসেৱাৰ মানদণ্ডৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘটনাৰ পাছত হাস্পাতালত উপস্থিত হৈ তদন্তৰ বুজ লৈছিল আৰু দোষীৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ নিৰ্দেশ দিছিল। তেওঁ শিশুটিৰ পিতৃ-মাতৃৰ সৈতে সাক্ষাৎ কৰি ন্যায় প্ৰদানৰ আশ্বাস দিছিল। এই ঘটনাৰ পাছত প্ৰশাসনৰ এই দৃঢ় পদক্ষেপে স্বাস্থ্য খণ্ডত দায়িত্বশীলতা আৰু স্বচ্ছতা নিশ্চিত কৰাৰ প্ৰচেষ্টাৰ ইংগিত দিয়ে। জিএমচিএইচত এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে কৰ্তৃপক্ষই অধিক কঠোৰ নিৰীক্ষণ আৰু প্ৰশিক্ষণৰ প্ৰতিশ্ৰুতি দিছে।

## মাদানী ফাদানী এইবোৰ

উপস্থিত হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই মন্তব্য। হোজাই শ্ৰীমন্তশংকৰদেৱ নগৰত এক বিশাল সভাত আজি উপস্থিত হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তিনিটাকৈ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰথমেই শংকৰদেৱনগৰত সভাত অংশলৈ মহিলা সকলৰ মাজত মহিলা সবলীকৰণ আঁচনিৰ অধীনত ৩২ কোটি টকাৰ বিতৰণৰ চেক বিতৰণ শুভাৰম্ভ কৰে। মহিলা সবলীকৰণৰ বাবে এই আঁচনিৰ ধন বিতৰণ কৰি মহিলাসকলক উৎসাহিত কৰে আৰু তিনিটাতকৈ অধিক সন্তান জন্ম নিদিবলৈ আহ্বান জনায়। তাৰ পাছতে ডবকাত নৱ নিৰ্মিত গীতাশ্ৰম উদ্বোধন কৰাৰ লগতে গোপালজিউ মন্দিৰত গীতা অধ্যায়ন কেন্দ্ৰ মুকলি কৰে। লগতে গোপীল জী মন্দিৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মাতৃৰ প্ৰতিমূৰ্তিও উন্মোচন কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তাৰ পাছতে ৫৫ কোটি টকাৰে নিৰ্মিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ চাৰ জগধীশ চন্দ্ৰ বসুৰ কেম্পাছ আনুষ্ঠানিক ভাৱে উদ্বোধন কৰি ছাত্ৰ ছাত্ৰীৰ মাজত মত বিনিময় কৰে। লগতে বিশ্ববিদ্যালয় খনত আধুনিক কৰি তোলাৰ বাবে ৫০ কোটি টকাৰ অনুদানৰ কথা ঘোষণা কৰে। উল্লেখ্য যে বিশ্ববিদ্যালয়খন ৮২ বিঘাতে নিৰ্মাণ কৰা হৈছে আৰু ৩২টা পাঠ্যক্ৰমৰ ৩০৫০ গৰাকী ছাত্ৰ ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। আজিৰ দিনটো হোজাই জিলাৰ বাবে এক ঐতিহাসিক দিন হিচাপে বিবেচিত হৈছে।

## আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটৰ

অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে। আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত বিগত টি-২০ বিশ্বকাপৰ পিছত টি-২০ ক্ৰিকেটত অংশগ্ৰহণ নকৰা ৩৫ বছৰীয়া ষ্টাৰ্কে ভাৰত আৰু শ্ৰীলংকাত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাখনৰ পৰৱৰ্তী সংস্কৰণৰ মাত্ৰ ছমাহ পূৰ্বে এই সিদ্ধান্ত গ্ৰহণ কৰে। টি-২০ত অষ্ট্ৰেলিয়াৰ হৈ দ্বিতীয় সৰ্বাধিক উইকেট দখলকাৰী ষ্টাৰ্কে ২০১২ চনত পাকিস্তানৰ বিৰুদ্ধে টি-২০ কেৰিয়াৰ আৰম্ভ কৰিছিল। ৬৫খন মেচৰ কেৰিয়াৰত তেওঁ ৭.৭৪ ইকনমি ৰেটত ৭৯টা উইকেট দখল কৰিবলৈ সক্ষম হৈছে। ছখন টি-২০ বিশ্বকাপৰ ভিতৰত পাঁচখনতে অংশ লোৱা মিচেল ষ্টাৰ্কে আঘাতৰ বাবে ২০১৬ৰ সংস্কৰণততহে খেলিব পৰা নাছিল। ২০২১ চনত ডুবাইত টি-২০ বিশ্বকাপত অষ্ট্ৰেলিয়াই খিতাপ জয়ৰ সময়ত তেওঁ আছিল এক গুৰুত্বপূৰ্ণ সদস্য। ষ্টাৰ্কে কয়, “টেষ্ট ক্ৰিকেট মোৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ আৰু সদায় হৈ আহিছে। অষ্ট্ৰেলিয়াৰ হৈ খেলা প্ৰতিখন টি-২০ খেলৰ প্ৰতিটো মিনিটক মই উপভোগ কৰিছো, বিশেষকৈ ২০২১ চনৰ বিশ্বকাপ, কেৱল আমি জয়ী হোৱাৰ বাবেই নহয়, অবিশ্বাস্য দলীয় সংহতি আৰু আনন্দকৰ মুহূৰ্তসমূহ মই সদায় মনত ৰাখিম।”

## ক্লু-লেছ আৰক্ষী ! হত্যা

সফলতা লাভ কৰিব নোৱাৰিছে। বেছি গুৰুত্বপূৰ্ণ বিষয় হৈছে যে, হত্যাকাণ্ডৰ প্ৰমাণসমূহ, যেনে ‘ক্লু’ বা অন্যান্য সাক্ষ্য, উদ্ধাৰ কৰিবলৈ আৰক্ষীয়ে এতিয়াও সক্ষম হৈ পোৱা নাই। এই ঘটনাই গুৱাহাটীৰ মহানগৰীত ন্যায়বিচাৰ আৰু আৰক্ষণৰ বিষয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। ২৮ আগষ্টত, বীৰেন তামোলীয়ে এজন বন্ধুৰ সৈতে আহাৰ গ্ৰহণ কৰাৰ পিছত মহানগৰীৰ চানমাৰি অঞ্চলৰ ৰোহিণী এপাৰ্টমেণ্টৰ চতুৰ্থ মহলাত অৱস্থিত নিজৰ ফ্লেটত নিশা প্ৰায় ১ বজাত শুবলৈ যোৱাৰ পিছত পিছদিনা পুৱাত কোঠাৰ ভিতৰত তেওঁক ৰক্তাক্ত অৱস্থাত মৃত অৱস্থাত উদ্ধাৰ কৰা হৈছিল। বীৰেন তামোলী জল জীৱন মিছন আৰু ৰেলৱেৰ ঠিকাদাৰ আছিল, আৰু তেওঁৰ এই হঠাৎ মৃত্যুৱে তেওঁৰ পৰিয়ালক গভীৰ শোকৰ মাজলৈ ঠেলি দিছে। ঘটনাৰ কেইদিন পূৰ্বে, তেওঁৰ কন্যা বেংগালুৰুত অধ্যয়নৰত আছিল আৰু পুত্ৰ কৰ্মৰত, পত্নী গীতাঞ্জলি তামোলীয়ে কন্যা আৰু পুত্ৰৰ ওচৰলৈ যোৱাৰ বাবে বেংগালুৰু যোৱাৰ পৰিকল্পনা কৰিছিল। কিন্তু স্বামীক বাৰে বাৰে ফোন কৰিলেও উত্তৰ নাপাৱাত তেওঁ চিন্তিত হৈ গৈছিল। গীতাঞ্জলিৰ বাৰে বাৰে ফোন কৰাৰ পিছতো স্বামীৰ পৰা কোনো উত্তৰ নোপোৱাত তেওঁ ঘৰুৱা চাফাই কৰ্মীজনক খবৰ দিছিল। চাফাই কৰ্মীজনে দুৱাৰ তলাবন্ধ অৱস্থাত প্ৰত্যক্ষ কৰাৰ পিছত এপাৰ্টমেণ্টৰ ষষ্ঠ মহলাত অৱস্থিত কাৰ্যালয়ৰ পৰা ডুপ্লিকেট চাবি সংগ্ৰহ কৰি দুৱাৰ খুলি বীৰেন তামোলীক মৃত অৱস্থাত উদ্ধাৰ কৰিছিল। এই ঘটনাৰ পিছত স্মাৰ্ট গুৱাহাটী আৰক্ষীয়ে তৎক্ষণাত তদন্ত আৰম্ভ কৰে আৰু তামোলীৰ ফ্লেটৰ কেয়াৰ টেকাৰ হিচাপে কৰ্মৰত ৰূপক দে’, একাউণ্টেণ্ট মিণ্টু পাল আৰু আৰমান আলীসহ ৪ জনক সন্দেহী হিচাপে ধৰি সোধা-পোছা অব্যাহত ৰাখিছে। কিন্তু বৰ্তমানেও হত্যাকাৰীক চিনাক্ত কৰিবলৈ আৰক্ষীয়ে সক্ষম হৈ পোৱা নাই। অৱশ্যে, আততায়ীয়ে বীৰেন তামোলীৰ ফ্লেটৰ চিচিটিভি হাৰ্ড ডিস্ক জ্বলাই নষ্ট কৰাৰ ফলত আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে যে, হত্যাকাণ্ডটো কোনো পৰিচিত ব্যক্তিয়ে সংঘটিত কৰিব পাৰে। লক্ষণীয় ভাৱে, হত্যাকাণ্ডত পৰিচিত ব্যক্তি জড়িত থকাৰ সন্দেহ কৰিলেও স্মাৰ্ট গুৱাহাটী আৰক্ষীয়ে বিগত চাৰিদিনৰ তদন্তত হত্যাৰ কাৰণ উদঘাটন কৰাতো ব্যৰ্থ হৈছে। তদন্তৰ মাজত লখিমপুৰৰ এজন ব্যক্তিয়ে ঠিকাদাৰ বীৰেন তামোলীক ধন দিবলৈ থকাৰ তথ্য পোহৰলৈ আহিছে। উক্ত পাৱলগীয়া ধনৰ বাবে বীৰেন তামোলীয়ে আদালতত আইনী যুঁজ চলাই থাকিছিল। পত্নী গীতাঞ্জলি তামোলীয়ে ধনৰ লেনদেনক কেন্দ্ৰ কৰি হত্যাৰ সন্দেহৰ বিষয়ে সংবাদ মাধ্যমৰ সন্মুখত কয়, “তেওঁৰ ব্যৱসায়িক লেনদেনৰ বিষয়ে মই বেছি কথা নাজানো। লখিমপুৰৰ এজন মানুহৰ পৰা তেওঁ পইচা পাবলৈ আছিল বুলি মই জানো। এই লৈ কথা-বতৰা চলি আছিল আৰু আদালতত গোচৰো চলি আছিল। সেইটোত সন্দেহ নথকা বুলি ক’ব নোৱাৰো। কিয়নো যদিহে কাৰোবাক তেওঁ পইচা দিবলৈ থাকিলেহেঁতেন, তেনেহ’লে তেওঁক শেষ কৰি দিলে কিবা লাভ হ’ব জানো? তেওঁ কাৰোবাৰ পৰা পাৱলগীয়া থাকিলেহে হত্যাৰ পাছত সেইসকলৰ লাভ হ’ব। যিহেতু পিছফালৰ কোনো দুৱাৰ খিৰিকী ভঙাৰ চিন নাই, তেনেস্থলত বন্ধুৰ নিচিনা কোনো ব্যক্তিয়েই ঘৰলৈ আহি হত্যা কৰিব লাগিব।” তেওঁ আৰু কয় যে, আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰু মুখ্যমন্ত্ৰীক তেওঁলোকৰ পৰিয়ালক ন্যায় দিবলৈ অনুৰোধ জনাইছে। এই হত্যাকাণ্ডই গুৱাহাটীৰ মহানগৰীত নাগৰিকৰ মাজত ভয় আৰু অস্থিৰতাৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে তদন্ত দ্ৰুত গতিত আনিবলৈ আৰু হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সকলোৱে পৰা আশা কৰা হৈছে। এই ঘটনাই জল জীৱন মিছনৰ ঠিকাদাৰসকলৰ নিৰাপত্তা আৰু ব্যৱসায়িক লেনদেনৰ সংবেদনশীলতাৰ বিষয়েও নতুন আলোচনাৰ সূচনা কৰিছে।

## মাদানী-মুখ্যমন্ত্ৰীৰ মাজত

ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। মাদানীৰ নেতৃত্বত এটা দলে অসমৰ বিভিন্ন অঞ্চলত চলা উচ্ছেদ অভিযানৰ স্থানসমূহ পৰিদৰ্শন কৰিছে, যাৰ ফলত ৰাজ্যৰ ৰাজনীতিত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপিৰ পৰা আৰম্ভ কৰি বিৰোধী দলসমূহৰ মাজত এই ভ্ৰমণক লৈ পাৰস্পৰিক অভিযোগ উঠিছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মঙলবাৰে ডিব্ৰুগড়ত আয়োজিত এক সংবাদমেলত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ দাবী কৰে যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৃষ্ঠপোষকতাত মেহমুদ মাদানী অসমত প্ৰৱেশ কৰিছে আৰু তেওঁৰ এই ভ্ৰমণৰ উদ্দেশ্য হৈছে ৰাজ্যত সাম্প্ৰদায়িক বিশৃংখলতাৰ সৃষ্টি কৰা। গগৈৰ মতে, মুখ্যমন্ত্ৰীয়ে পূৰ্বে বদৰুদ্দিন আজমলৰ সৈতে মিলি সাম্প্ৰদায়িকতাৰ বিষবাষ্প বিয়পোৱাৰ চেষ্টা কৰিছিল, কিন্তু আজমলৰ প্ৰভাৱ কমি অহাৰ পিছত এতিয়া মাদানীৰ দৰে বাহিৰৰ ব্যক্তিক আমদানি কৰা হৈছে। গগৈয়ে সংবাদমেলত কয়, “মেহমুদ মাদানীৰ অসম ভ্ৰমণৰ কথা ৰাজ্যৰ জনসাধাৰণৰ অজ্ঞাত আছিল। তেওঁ শ্ৰীৰামপুৰ গেটৰ জৰিয়তে অসমত প্ৰৱেশ কৰি অসম আৰক্ষীৰ নিৰাপত্তাৰ সৈতে গোৱালপাৰা পায়। য’ত বদৰুদ্দিন আজমলৰ সভা হৈছিল, তাতেই মাদানী উপস্থিত আছিল। আমি তেওঁৰ ভ্ৰমণৰ বিৰোধিতা কৰাৰ পিছতহে মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত তেওঁৰ অসম আগমনৰ কথা প্ৰকাশ কৰে।” তেওঁ আৰু অভিযোগ কৰে যে, মাদানীৰ ভ্ৰমণৰ সম্পূৰ্ণ ব্যৱস্থা অসম চৰকাৰে কৰি দিছে, আৰু তেওঁক সম্পূৰ্ণ নিৰাপত্তা প্ৰদান কৰা হৈছে। লুৰীণজ্যোতি গগৈয়ে প্ৰশ্ন উত্থাপন কৰে, “যি ব্যক্তিয়ে কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে প্ৰৰোচনামূলক মন্তব্য কৰিছিল, তেওঁ অসমত প্ৰৱেশ কৰাৰ কথা মুখ্যমন্ত্ৰী বা গৃহ বিভাগে জানে নেকি? এনে কথা হ’ব নোৱাৰে। মেহমুদ মাদানীৰ বিজেপিৰ সৈতে সম্পৰ্ক আছে, আৰু তেওঁৰ দৰে ব্যক্তি দেশৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সৈতে জড়িত। মুখ্যমন্ত্ৰীয়ে তেওঁক অসমলৈ আমন্ত্ৰণ জনাই সাম্প্ৰদায়িক বিশৃংখলতাৰ পৰিকল্পনা কৰিছিল, কিন্তু জনসাধাৰণৰ প্ৰতিক্ৰিয়াৰ ভয়ত মাদানীয়ে গোৱালপাৰা এৰি গুচি গৈছে।” গগৈৰ অভিযোগ, প্ৰশাসনে উচ্ছেদৰ স্থানত সাধাৰণ লোকৰ প্ৰৱেশৰ বাবে ১৪৪ ধাৰা জাৰি কৰিছে, কিন্তু মেহমুদ মাদানীক সেই স্থানসমূহ পৰিদৰ্শনৰ অনুমতি দিয়া হৈছে। তেওঁ প্ৰশ্ন কৰে, “মাদানীক কিয় আটক কৰা নহ’ল? কিয় তেওঁক গুৱাহাটীত সংবাদমেলৰ অনুমতি দিয়া হ’ল? জমিয়ত-উলেমা-ই-হিন্দ বিজেপিৰ এজেণ্ট হিচাপে কাম কৰি আছে, আৰু মুখ্যমন্ত্ৰীৰ সমৰ্থনত মাদানীয়ে এই ভ্ৰমণ কৰিছে।” তেওঁ দাবী কৰে যে, এই বিষয়টো ৰাজহুৱা হোৱাৰ পিছত মুখ্যমন্ত্ৰীৰ সমৰ্থকসকলে তেওঁক ৰক্ষা কৰাৰ চেষ্টা কৰিছে। আনহাতে, বিজেপিৰ নেতা-কৰ্মীসকলে দাবী কৰিছে যে, মেহমুদ মাদানীৰ ভ্ৰমণে ৰাজ্যত সাম্প্ৰদায়িকতাৰ উত্তেজনা সৃষ্টি কৰাৰ চেষ্টা কৰিছে। এই পৰিস্থিতিত অসমৰ ৰাজনীতিত সাম্প্ৰদায়িকতা, উচ্ছেদ আৰু ৰাজনৈতিক পৃষ্ঠপোষকতাৰ বিষয়ে তীব্ৰ চৰ্চা আৰম্ভ হৈছে, যিয়ে ৰাজ্যৰ জনমানসত নতুন বিতৰ্কৰ সূচনা কৰিছে।

## কোকৰাঝাৰ জিলা

ভাৰতীয় জনতা পাৰ্টীৰ কোকৰাঝাৰ জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নিলেশ্বৰ ৰায় আজি কাৰ্যনিৰ্বাহক সদস্য আৰু দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। ভাৰতীয় জনতা পাৰ্টীৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতিৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰি পদত্যাগ পত্ৰৰ প্ৰতিলিপি ৰাজ্যিক বিজেপিৰ সভাপতিলৈ প্ৰেৰণ কৰিছে। ব্যক্তিগত অসুবিধাৰ বাবে পদত্যাগ কৰিছে বুলি নিলেশ্বৰ ৰায়ে পদত্যাগ পত্ৰত উল্লেখ কৰিছে। এনেকি বি জে পি দলে ইমান দিনে নিলেশ্বৰ ৰায়ৰ ওপৰত যি দায়িত্ব অৰ্পণ কৰিছিল তাৰ বাবে তেওঁ দলৰ ওচৰত চিৰ কৃতজ্ঞ থাকিব বুলিও পদত্যাগ পত্ৰ খনত উল্লেখ কৰিছে। উল্লেখ্য যে বি জে পিৰ একনিষ্ঠ কৰ্মী নিলেশ্বৰ ৰায় এইবেলি বি টি চি পৰিষদীয় নিৰ্বাচনত ২ নং গুমা সমষ্টিত বি জে পি দলৰ দলীয় টিকটৰ প্ৰবল দাবিদাৰ আছিল। কিন্তু দলে নিলেশ্বৰ ৰায়ক টিকট নিদিয়াত ৰায়ে ২ নং গুমা পৰিষদীয় সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

## ভাৰতত বিদেশীৰ প্ৰৱেশ

কোনো বিদেশীক ভাৰতত প্ৰৱেশ বা থকাৰ অনুমতি দিয়া নহ’ব। নতুন প্ৰণয়ন কৰা ‘অনুপ্ৰৱেশ আৰু বিদেশী আইন ২০২৫’ৰ অধীনত, প্ৰতিখন ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসনে অবৈধ বিদেশী প্ৰৱেশকাৰীৰ বিতাড়নৰ পূৰ্বে তেওঁলোকৰ চলাচল নিয়ন্ত্ৰণৰ বাবে ডিটেনচন চেণ্টাৰ বা শিবিৰ স্থাপন কৰিব। এই শিবিৰসমূহে বিদেশী লোকৰ গতিবিধিৰ ওপৰত নজৰ ৰাখিব আৰু তেওঁলোকৰ বিতাড়ন প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিব। গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি, ভাৰতীয় বহিঃৰাজ্যৰ নাগৰিক কাৰ্ডধাৰী (OCI) পঞ্জীয়নকে ধৰি যিকোনো শ্ৰেণীৰ ভিছাৰ বাবে আবেদন কৰা বিদেশী নাগৰিকসকলে ভিছা প্ৰদান বা OCI পঞ্জীয়নৰ পূৰ্বে তেওঁলোকৰ বায়’মেট্ৰিক তথ্য প্ৰীক্ষাৰ বাবে জমা দিবলৈ বাধ্য থাকিব। এই তথ্য ভিছা প্ৰদানকাৰী কৰ্তৃপক্ষ বা OCI পঞ্জীয়ন কৰ্তৃপক্ষই সংৰক্ষণ কৰিব। ইয়াৰ উপৰিও, অবৈধ প্ৰৱেশকাৰীসকলক গ্ৰেপ্তাৰ কৰাৰ পিছত তেওঁলোকক বিতাড়নৰ পূৰ্বে ডিটেনচন শিবিৰত ৰখা হ’ব, য’ত তেওঁলোকৰ চলাচলৰ ওপৰত কঠোৰ নিষেধাজ্ঞা জাৰি কৰা হ’ব। সীমান্তৰক্ষী বাহিনী বা উপকূলৰক্ষী বাহিনীয়ে ভাৰতত অবৈধভাৱে প্ৰৱেশৰ চেষ্টা কৰা ব্যক্তিৰ বায়’মেট্ৰিক আৰু জনগাঁথনিগত তথ্য কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দিষ্ট পৰ্টেলত সংৰক্ষণ কৰি তেওঁলোকৰ বিতাড়ন প্ৰক্ৰিয়া আৰম্ভ কৰিব। গৃহ মন্ত্ৰালয়ে স্পষ্ট কৰিছে যে, যদি কোনো বিদেশী ব্যক্তি ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ, চোৰাংচোৰাগিৰি, ধৰ্ষণ, হত্যা, মানৱতাৰ বিৰুদ্ধে অপৰাধ, সন্ত্ৰাসবাদী কাৰ্যকলাপ, অৰ্থ সৰবৰাহ বা হাৱালাৰ সৈতে জড়িত থকাৰ দোষী সাব্যস্ত হয়, তেন্তে তেওঁক ভাৰতত প্ৰৱেশ বা থকাৰ অনুমতি প্ৰত্যাখ্যান কৰা হ’ব। ইয়াৰ বাহিৰেও, বৈধ ভিছা থকা বিদেশী নাগৰিকেও অসামৰিক কৰ্তৃপক্ষৰ পূৰ্বানুমতি অবিহনে বিদ্যুৎ, পানী যোগান বা পেট্ৰ’লিয়াম খণ্ডত ব্যক্তিগত উদ্যোগত কৰ্মসংস্থাপন গ্ৰহণ কৰিব নোৱাৰিব। আদেশত আৰু উল্লেখ কৰা হৈছে যে, কোনো বিদেশীয়ে কেন্দ্ৰীয় চৰকাৰৰ লিখিত অনুমতি অবিহনে বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰ, তথ্যচিত্ৰ, ৰিয়েলিটি টেলিভিছন, ৱেব শ্ব’ বা ধাৰাবাহিক, বাণিজ্যিক টেলিভিছন ধাৰাবাহিক বা অন্যান্য মাধ্যমত অংশগ্ৰহণ কৰিব নোৱাৰিব, যিবোৰ ৰাজহুৱা প্ৰদৰ্শনৰ উদ্দেশ্যে নিৰ্মাণ কৰা হয়। পৰ্বতাৰোহণৰ ক্ষেত্ৰতো কঠোৰ নিৰ্দেশ জাৰি কৰা হৈছে। কোনো বিদেশী ব্যক্তি বা দল কেন্দ্ৰীয় চৰকাৰৰ পৰা লিখিত অনুমতি অবিহনে ভাৰতৰ পৰ্বত শিখৰত আৰোহণ বা ভ্ৰমণৰ চেষ্টা কৰিব নোৱাৰিব। ইয়াৰ লগতে, নিৰ্দিষ্ট পথ নিৰ্ধাৰণ, যোগাযোগ বিষয়া নিযুক্তি, ফটোগ্ৰাফিক বা বেতাঁৰ যোগাযোগৰ সঁজুলি ব্যৱহাৰৰ ক্ষেত্ৰতো নিষেধাজ্ঞা জাৰি থাকিব। বিদেশী নাগৰিকসকলে ভাৰতৰ সংৰক্ষিত বা নিষিদ্ধ অঞ্চলত প্ৰৱেশৰ বাবে পূৰ্বানুমতি লাভ কৰিব লাগিব। অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, ছিকিম, জম্মু-কাশ্মীৰৰ কিছু অংশ, উত্তৰাখণ্ড, লাডাখ, হিমাচল প্ৰদেশ আৰু ৰাজস্থানৰ দৰে নিষিদ্ধ অঞ্চলত আফগানিস্তান, চীন বা পাকিস্তান মূলৰ ব্যক্তিক প্ৰৱেশৰ অনুমতি দিয়া নহ’ব। ব্যুৰো অৱ ইমিগ্ৰেচনে ভাৰতত প্ৰৱেশ নিষিদ্ধ ব্যক্তিৰ এক আপডেট কৰা তালিকা বজাই ৰাখিব। নাৱিক বা বিমানৰ ক্ৰু হিচাপে আগমনকাৰী বিদেশী নাগৰিকৰ বৈধ ভাৰতীয় ভিছা নাথাকিলে তেওঁলোকে লেণ্ডিং পাৰ্মিট বা শ্ব’ৰ লিভ পাছ ল’ব লাগিব। গৃহ মন্ত্ৰালয়ে জানিবলৈ দিছে যে, যদি কোনো বিদেশী ব্যক্তিৰ ভাৰতত উপস্থিতি কোনো আদালতৰ নিৰ্দেশৰ অধীনত থাকে, জনস্বাস্থ্য বা সুৰক্ষাৰ প্ৰতি ভাবুকি সৃষ্টিকাৰী ৰোগত আক্ৰান্ত হয়, বিদেশী ৰাষ্ট্ৰৰ সৈতে সম্পৰ্কত বিৰূপ প্ৰভাৱ পৰাৰ সম্ভাৱনা থাকে বা কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ বা আইন প্ৰয়োগকাৰী সংস্থাৰ আদেশৰ অধীনত থাকে, তেন্তে তেওঁলোকক দেশ ত্যাগৰ অনুমতি প্ৰত্যাখ্যান কৰা হ’ব। ব্যুৰো অৱ ইমিগ্ৰেচনে এনে ব্যক্তিৰ আপডেট কৰা তালিকাও বজাই ৰাখিব। এই নতুন নিৰ্দেশসমূহে ভাৰতৰ সুৰক্ষা আৰু অভ্যন্তৰীণ শান্তিৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰিছে।

## গোৱালপাৰাৰ মাটিয়াত

আলী। জানিবপৰা মতে, যোৱা শুক্ৰবাৰে নিশা জিলাখনৰ টিপলাই বনগাঁৱত কলিতাপাৰাত সুশীল কলিতা নামৰ লোকজনৰ ঘৰত চিনেমাৰ কায়দাৰে পাঁচজনীয়া পিষ্টলধাৰী ডকাইতৰ দল এটাই ডকাইতি কাণ্ড সংঘটিত কৰি ২০ লক্ষাধিক টকাৰ সোণৰ গহণাৰ লগতে ডেৰ লক্ষাধিক নগদ টকা লুটি নিছিল। পিছত ধূপধৰা, দুধনৈ আৰক্ষী আৰু দুধনৈ সমজিলা আৰক্ষী অধীক্ষক নুপৰ ৰঞ্জন নেওঁগৰ যৌথ অভিযানত দুধনৈৰ অসম-মেঘালয় সীমান্তত তিনিটা ডকাইতক কৰায়ত্ব কৰিবলৈ সক্ষম হয়। ধৃত ডকাইত কেইটা হ’ল- অবিনাশ ৰাভা, ৰাহুল কোচ আৰু অপূৰ্ব ৰাভা। ডকাইত কেইটাৰ পৰা ৰঙা ৰঙৰ ডাটচান বাহন এখন, নগদ ৭৫ হাজাৰ টকা, মোবাইল ফোন এটা আৰু লোৰ অস্ত্ৰ এপাত উদ্ধাৰ কৰিছিল আৰক্ষীয়ে। আৰক্ষীয়ে ৰাহুল কোচ, অপূৰ্ব ৰাভা আৰু অভিনাশ ৰাভা নামৰ তিনি দুৰ্ধৰ্ষ ডকাইতক গ্ৰেপ্তাৰ কৰিছিল যদিও আৰক্ষীৰ চকুত ধূলি দি পলায়ন কৰি থকা ডকাইতি কাণ্ডৰ মুল মাষ্টাৰ মাইণ্ড ৰাজিবুল আলীৰ সন্ধানত যোৱা নিশা অতিৰিক্ত আৰক্ষী অধীক্ষক ( অপৰাধ শাখা) ঋতুৰাজ দলেৰ নেতৃত্বত মাটিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিপুমনি চৌধুৰীয়ে বৃহৎ আৰক্ষীৰ দল এটা লৈ সুতাৰপাৰা অঞ্চলত অভিযান চলাইছিল। অভিযানকালত আত্মগোপন কৰি থকা দুৰ্ধৰ্ষ ডকাইতটোৱে আৰক্ষীৰ উপস্থিতিৰ উমান পাই আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰিবলৈ চেষ্টা কৰোঁতেই আৰক্ষীৰ দলটোৱে খেদি খেদি কাৰায়ত্ব কৰে ডকাইতক। পাছত আৰক্ষীৰ জেৰাত ধৃত ডকাইতটোৱে ডকাইতি কাণ্ড কৰি লুটি লোৱা সোণৰ অলংকাৰ আৰু নগদ ধন মাটিয়াৰ ট্ৰেনজিট কেম্পৰ কাষৰ জংঘলত মাটিত পুঁতি থোৱা বুলি স্বীকাৰোক্তি দিয়াত আৰক্ষীয়ে ধৃত ডকাইতটোক লৈ মাটিয়াত অভিযান চলায়। ইফালে জংঘলত মাটিৰ গাঁত খান্দি পুতি থোৱা সোণৰ অলংকাৰখিনি উদ্ধাৰ কৰিবলৈ যোৱাৰ সময়তে আৰক্ষীৰ লোকক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি পলায়ন কৰাৰ চেষ্টা কৰাৰ সময়তে আৰক্ষীয়ে গুলীচালনা কৰে। ফলত গুলীবিদ্ধ হয় দুৰ্ধৰ্ষ ডকাইত ৰাজিবুল আলী। পিছত গুলীবিদ্ধ ডকাইতটোক চিকিৎসাৰ বাবে গোৱালপাৰা শ্বহীদ নিধানুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইফালে ডকাইতটোৰ চোকা অস্ত্ৰৰ আক্ৰমণত আহত হোৱা আৰক্ষী কনিষ্টবল ৰিদুল আহমেদ আৰু সৌৰভ পাটোৱাৰীকো চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পাছত আৰক্ষীয়ে মাটিত পুতি থোৱা অৱস্থাত এটা সোণৰ আঙুঠি, এডাল সোণৰ কানফুলি, এডাল ৰূপৰ চেইন আৰু নগদ ২০ হাজাৰ টকা উদ্ধাৰ কৰে। উল্লেখ্য যে ডকাইতি, অপহৰণ, ধনদাবী আদিকে ধৰি বিভিন্ন অপৰাধজনিত ঘটনাৰ লগত জড়িত ৰাজিবুল আলী গোৱালপাৰা আৰক্ষীৰ মুৰৰ কামোৰণি আছিল। দীৰ্ঘদিন ধৰি অপৰাধজনিত কাণ্ড সংঘটিত কৰি জিলাখনত সন্ত্ৰাস চলাই আহিছিল ৰাজিবুলে।

## বিটিচি নিৰ্বাচনৰ মনোনয়ন

আৰু শুক্লাই চেৰফাং সমষ্টিৰ মনোনয়ন পত্ৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত গ্ৰহণ কৰা হয়। গয়বাৰী আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত জমা কৰা হয়। দৰঙাজুলি সমষ্টিত তিনিগৰাকী প্ৰাৰ্থী বি পি এফৰ ইমানুৱেল মুছাহাৰী, ইউ পি পি এলৰ জলেন দৈমাৰী আৰু নিৰ্দলীয় মনোজ গয়াৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। নাগ্ৰীজুলি সমষ্টিত ৬গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰে পাঁচগৰাকী নিৰ্দলীয় আৰু এগৰাকী ইউ পি পি এলৰ প্ৰাৰ্থী। গয়বাৰী সমষ্টিত বি পি এফৰ জিতেন মুছাহাৰী, ইউ পি পি এলৰ প্ৰমোদ বড়ো, কংগ্ৰেছৰ ৰুমী সিং মুছাহাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদীপ ৰাভা নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়েও আজি সমষ্টিটোত মনোনয়ন পত্ৰ জমা দিয়ে। শুক্লাই চেৰফাং সমষ্টিত বি পি এফৰ গণেশ কছাৰী, ইউ পি পি এলৰ প্ৰদীপ নাৰ্জাৰী আৰু নাইবেন্দ্ৰ বড়ো নামৰ এজন নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে গোৰেশ্বৰ সমষ্টিত বি পি এফৰ মহেশ্বৰ বসুমতাৰী, চি পি আই এমৰ নিকুঞ্জ চৌধুৰী আৰু নিৰ্দলীয় প্ৰাৰ্থী ধৰণীধৰ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ পাঁচটা সমষ্টিত সৰ্বমুঠ ২০গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কোকৰাঝাৰত দেৱৰগাঁও সমষ্টিত বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি মনোনয়ন পত্ৰ জমা কৰে। বি টি চিৰ মুখ্য কাৰ্যবাহী আৰু ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱেও আজি দোতমা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত শ্ৰীবড়োৰ সৈতে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত আছিল। চিৰাঙৰ থুৰিবাৰী সমষ্টিত বিজনীৰ বিধায়ক বিজেপিৰ অজয় কুমাৰ ৰায়ক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। দলটোৰ প্ৰভাত বসুমতাৰী আৰু সুভাষ চন্দ্ৰ বসমুতাৰীয়ে সুভাইঝাৰ আৰু মানাস চেৰফাং সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। বাঁ’ জিলাৰ শালবাৰী মহকুমাধিপতিৰ কাৰ্যালয়ত আজি মথনগুৰি আৰু শালবাৰী সমষ্টিৰ বিজেপি প্ৰাৰ্থী গৌতম দাস আৰু চক্ৰধৰ দাসে মনোনয়ন পত্ৰ দাখিল কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু বিধায়ক ফণীধৰ তালুকদাৰে মনোনয়ন পত্ৰ দাখিলৰ সময়ত বিজেপিৰ প্ৰাৰ্থীগৰাকীক সংগ দিয়ে। মনোনয়ন পত্ৰ দাখিল কৰি বিজেপিৰ প্ৰাৰ্থী দুগৰাকীয়ে সংবাদ মাধ্যমৰ আগত তেওঁৰ জয় সুনিশ্চিত বুলি দাবী কৰে। অনান্য ৰাজনৈতিক দলসমূহেও একেদৰে নিজৰ নিজৰ প্ৰাৰ্থীসকলৰ হৈ বি টি আৰৰ জিলাকেইখনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে।

## জনজাতিকৰণৰ দাবীত মৰাণ

কেউটা সংগঠনৰ সহযোগত ইতিমধ্যে এলানি ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছিল। মৰাণসকলৰ অনুসূচীকৰণৰ ন্যায্যতা বৃহত্তৰ অসমৰ সমাজ ক্ষেত্ৰৰ ৰাজনৈতিক, অৰাজনৈতিক মহল, বৌদ্ধিক সমাজ, জনজাতীয়-অজনজাতীয় সংগঠন আদি সকলোৱে স্বীকাৰ কৰি আহিছে। এইক্ষেত্ৰত জনজাতীয় সংগঠনসমূহৰ অনুসূচীকৰণৰ ক্ষেত্ৰত বিতৰ্কবিহীন সমৰ্থন আছে। উল্লেখযোগ্য যে, তিব্বত-বৰ্মী মূলৰ কিৰাত-কছাৰী গোষ্ঠীৰ অন্তৰ্গত মৰাণৰ বাহিৰে আন সকলো জনগোষ্ঠীয়েই ইতিমধ্যে অনুসূচিত জনজাতিৰ তালিকাভুক্ত হৈ আছে। জনজাতি হৈও ঐতিহাসিক দুৰ্বিপাকত পৰি অনুসূচীকৰণৰ পৰা বঞ্চিত এই ক্ষুদ্ৰ আৰু ৰাজনৈতিক, সামাজিক, শৈক্ষিক আদি সকলো দিশতে আজিৰ এই স্পুটনিক যুগতো অন্ধকাৰৰ অটল গহ্বৰত পতিত হৈ আছে। তদুপৰি সকলো প্ৰকাৰৰ বঞ্চনা আৰু আগ্ৰাসনত ইতিমধ্যে মৰাণসকল নিঃশেষ হৈ যোৱাৰ উপক্ৰম হৈছে। জাতিৰ এই চূড়ান্ত দুৰ্দিনৰ যুগসন্ধিত আজিৰ মৰাণ সমাজ বাৰুকৈয়ে ক্ষুব্ধ। এই ক্ষেত্ৰত অসম চৰকাৰৰ ঐতিহাসিক দায়িত্ব আছে। এই ভূখণ্ডৰ আদিমতম মানৱ গোট মৰাণসকলক দুৰ্ভাগ্যজনক বিলুপ্তিৰ মুখৰ পৰা এইখন চৰকাৰে অসমৰ অতি দক্ষ আৰু সংবেদনশীল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজনীতিৰ উৰ্দ্ধত অৱস্থান কৰি মৰাণসকলৰ ন্যায্য দাবী পূৰণৰ ক্ষেত্ৰত দ্ৰুত পদক্ষেপ ল’ব বুলি মৰাণ জাতিয়ে বহুত আশা কৰিছিল। এনেহেন প্ৰত্যাশাৰ বাবেই মৰাণ জাতিয়ে আজি আন্দোলনৰ চৰম পন্থা ল’বলৈ বাধ্য হৈছে। জনগোষ্ঠীটোৰ ন্যায্যতাৰ দাবীত আন্দোলনৰ কাৰ্যসূচী অনুসৰি আজি তিনিচুকীয়া জিলাৰ তালাপত ৰূপায়ণ কৰা প্ৰথমটো বৃহৎ জোৰ সমদলত সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰে। সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াই শুভাৰম্ভ কৰা উক্ত জোৰ সমদলত সহস্ৰাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। প্ৰতিবাদত মৰাণ জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদানৰ দাবীৰে বিভিন্ন চৰকাৰ বিৰোধী শ্ল’গানেৰে তালাপৰ আকাশ-বতাহ কঁপাই তোলে। তালাপ বাইপাছৰ পৰা সমদল আৰম্ভ কৰি তালাপ বজাৰ অতিক্ৰম কৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ টেঙাগাঁৱত এখন বৃহৎ প্ৰতিবাদী সভাও অনুষ্ঠিত কৰে। সভাত কেন্দ্ৰ আৰু ৰাজ্যত শাসনাধিষ্ঠ বিজেপি চৰকাৰক বিভিন্ন সমালোচনাৰে থকা-সৰকা কৰে। এই বাতৰি যুগুতোৱা পৰ্য্যন্ত প্ৰতিবাদী সভা চলিয়েই আছে। আজি তালাপত জোৰ সমদল কাৰ্যসূচীৰ সফল সমাপ্তিৰ পাছত পৰহিলৈ অৰ্থাৎ ৪ ছেপ্টেম্বৰত তিনিচুকীয়া জিলাৰ কাকপথাৰত, ৬ ছেপ্টেম্বৰত মাৰ্ঘেৰিটাতো জোঁৰ সমদল কাৰ্য্যসূচী গ্ৰহণ কৰাৰ বিপৰীতে অহা ১০ ছেপ্টেম্বৰত তিনিচুকীয়া সদৰত এক সৰ্ববৃহৎ জোঁৰ সমদল ৰূপায়ণ কৰিব। আনহাতে অহা ১৫ ছেপ্টেম্বৰৰ পৰা মৰাণ অধ্যুষিত অঞ্চলত সৰ্বাত্মক অৰ্থনৈতিক অৱৰোধৰ কাৰ্য্যসূচীও হাতত লোৱাৰ বিপৰীতে পৰৱৰ্তী সময়ত আৰু অধিক কঠোৰ সংগ্ৰামৰ কাৰ্যসূচী গ্ৰহণ কৰা হ’ব বুলিও সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া আৰু সাধাৰণ সম্পাদক জয়কান্ত মৰাণে জানিবলৈ দিছে। আজিৰ জোৰ সমদলত প্ৰশাসনে বৃহৎ সংখ্যক আৰক্ষী-নিৰাপত্তাৰক্ষীক মোতায়েন কৰা পৰিলক্ষিত হয়। আজিৰ সমদলত প্ৰতিবাদকাৰীসকলে হাতে হাতে জোৰ লৈ আৰক্ষীৰ বাধাকো অতিক্ৰম কৰি সমগ্ৰ তালাপ চহৰ উত্তাল কৰি তোলে।

## ওদালগুৰিত বিটিচি

দলে কঁকালত টঙালি বান্ধিছে। আগন্তুক ২২ চেপ্টেম্বৰত অনুষ্ঠিতব্য বিটিচিৰ পৰিষদীয় নিৰ্বাচনৰ বাবে ১ ছেপ্টেম্বৰৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰা পৰ্ব আৰম্ভ হৈছে। মনোনয়ন পত্ৰ দাখিল পৰ্বত আজি সৰ্বমুঠ ৫১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। উখল -মাখল পৰিৱেশত ওদালগুৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত সংশি-ষ্ট ৰিটাৰ্নিং বিষয়াৰ ওচৰত আঞ্চলিক ৰাজনৈতিক দল সমূহৰ লগতে কেইবাগৰাকীও নিৰ্দলীয় প্ৰাৰ্থীয়ে নিজ নিজ মনোনয়ন পত্ৰ দাখিল কৰে। নিজ নিজ সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰা প্ৰাৰ্থীসকল হৈছে ক্ৰমে ৩১ নম্বৰ খৈৰাবাৰী এচটি সমষ্টিৰ পৰা দীনেশ্বৰ বড়ো (ভিপিআই), খগেন ৰাভা (কংগ্ৰেছ), শিৱ দৈমাৰী (তৃণমূল কংগ্ৰেছ), ৰত্নকান্ত বড়ো, (সমাজবাদী পাৰ্টী), মদন চন্দ্ৰ ৰাভা( বিজেপি), ৩২ নম্বৰ ভেৰগাওঁ এচটি সমষ্টিৰ পৰা মহেন্দ্ৰ বসুমতাৰী (বিপিএফ), জীৱন ৰাভা (নিৰ্দলীয়), টেনজিং বড়োচা (কংগ্ৰেছ), দেৱজিৎ বসুমতাৰী (নিৰ্দলীয়), ভূমিত্ৰা কছাৰী (সমাজবাদী পাৰ্টী ), জৌশ্ৰাং বড়ো( বিজেপি), ৩৩ নম্বৰ ননৈ চেৰফাং সমষ্টিৰ পৰা (নন এচটি)প’ল টপ্প’ (বিপিএফ), ৰোহিত পাৰিগা (কংগ্ৰেছ ), বিজয় বৈশ্য (তৃণমূল কংগ্ৰেছ ), সঞ্জিত তাঁতী (বিজেপি), ৩৪ নম্বৰ খালিংদুৱাৰ এচটি সমষ্টিৰ পৰা বনজাৰ দৈমাৰী (বিপিএফ), কুৱল বড়ো (তৃণমূল কংগ্ৰেছ), কমলেশ্বৰ বড়ো(ৰাইজৰ দল), আদুৰা দৈমাৰী(কংগ্ৰেছ), অৰ্জুন দৈমাৰী ( বিজেপি), ৩৫ নম্বৰ মুদৈবাৰী সমষ্টিৰ পৰা (মুক্ত সমষ্টি) মুন চহৰীয়া(ৰাইজৰ দল), দিগন্ত বৰুৱা(বিজেপি), নিতুল ডেকা (জিএচপি ), হিমাংগ শইকীয়া (কংগ্ৰেছ ), ৰমেশ হাজৰিকা (ইউপিপিএল), তৰুণ চহৰীয়া, (নিৰ্দলীয়), ভাগ্য জ্যোতি সিংহ (নেশ্যনেল ৰোডমেপ পাৰ্টী), ৩৬ নম্বৰ হৰিশিঙা এচটি সমষ্টিৰ পৰা সঞ্জয় স্বৰ্গীয়াৰী (ইউপিপিএল), চিত্তৰঞ্জন ভোবোৰা (কংগ্ৰেছ), অঞ্জালী প্ৰভা দৈমাৰী নিৰ্দলীয় (এপিবি), নেবিকেল নাৰ্জাৰী(নিৰ্দলীয়), ৩৭ নম্বৰ ধনশিৰি এচটি সমষ্টিৰ পৰা বুদ্ধদেৱ বসুমতাৰী(ভিপিআই), হুনুক দৈমাৰী (নিৰ্দলীয়), ৰিলিয়ন মোছাহাৰী (কংগ্ৰেছ), অজিত দৈমাৰী (তৃণমূল কংগ্ৰেছ), ৩৮ নম্বৰ ভৈৰৱকুণ্ড এচটি সমষ্টিৰ পৰা মৃণালিনী দৈমাৰী(ভিপিআই ), মিনন মোছাহাৰী(বিজেপি), গাণ্ডা খুংগুৰ বসুমতাৰী (নিৰ্দলীয়), নোৱাজ বসুমতাৰী (কংগ্ৰেছ), বছন দৈমাৰী (নিৰ্দলীয়), বিমল মোছাহাৰী (নিৰ্দলীয়), পাঁচনৈ চেৰফাং নন এচটি সমষ্টিৰ পৰা ৰামচৰণ গৌড়(ভিপিআই), ববী সুমিতৰাজ মিঞ্জ (নিৰ্দলীয়), ৰামকৰণ গৌড় (ইউপিপিএল), ৰাজু ঢকাল (নিৰ্দলীয়), দীপক মৌৰ (বিজেপি), পেট্ৰাচ বাগ (কংগ্ৰেছ), ৪০ নম্বৰ ৰৌতা এচটি সমষ্টিৰ পৰা সম্বাৰু বসুমতাৰী (ভিপিআই), সৌৰাংচা দৈমাৰী(কংগ্ৰেছ ), ভুপেন বসুমতাৰী (তৃণমূল কংগ্ৰেছ), প্ৰমোদ বসুমতাৰী নিৰ্দলীয় (এপিবি) আদিয়ে নিজ নিজ দলীয় সমৰ্থক আদিক লৈ আজি অন্তিম দিনা মনোনয়ন পত্ৰ দাখিল কৰে বুলি ওদালগুৰি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিগ্ৰাই বসুমতাৰীয়ে জানিবলৈ দিয়ে।

## যদি মুখ্যমন্ত্ৰীয়ে মোৰ

“আমি উচ্ছেদৰ বিৰোধী নহয়। চৰকাৰৰ পথ নিৰ্মাণ বা উন্নয়নমূলক কামৰ বাবে ভূমিৰ প্ৰয়োজন হ’ব পাৰে, কিন্তু এই প্ৰক্ৰিয়া আইনসন্মত আৰু সুনিৰ্দিষ্ট নীতি-নিৰ্দেশনাৰ অধীনত হ’ব লাগিব।” গোৱালপাৰা আৰু দাঁতিকাষৰীয়া অঞ্চলৰ উচ্ছেদ প্ৰভাৱিত পৰিয়ালৰ সৈতে সাক্ষাৎ কৰি মাদানীয়ে সংবাদমেলত জোৰ দি কয় যে, উচ্ছেদৰ সময়ত প্ৰকৃত ভাৰতীয় নাগৰিকৰ পুনৰ সংস্থাপনৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ। তেওঁ কয়, “পুনৰ সংস্থাপনৰ ব্যৱস্থা অবিহনে কাৰোবাক উচ্ছেদ কৰাটো অমানৱীয়। অসম চৰকাৰে প্ৰতিগৰাকী প্ৰকৃত নাগৰিকৰ উপযুক্ত পুনৰ সংস্থাপনৰ ব্যৱস্থা নিশ্চিত কৰিব লাগিব।” মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সমালোচনাৰ প্ৰত্যুত্তৰত মাদানীয়ে কঠোৰভাৱে কয়, “মই কালিৰ পৰা গুৱাহাটীত আছো। যদি মুখ্যমন্ত্ৰীয়ে মোৰ কাৰ্যকলাপত কোনো ভুল দেখিছে, তেন্তে তেওঁ উপযুক্ত ব্যৱস্থা ল’ব পাৰে। ভাবুকিৰে কাম নহয়, প্ৰকৃত কাৰ্যকৰী পদক্ষেপৰ প্ৰয়োজন।” তেওঁ আৰু অভিযোগ কৰে যে, কিছুমান উচ্ছেদ অভিযান বৈষম্যমূলকভাৱে আৰু আইনী প্ৰক্ৰিয়া উপেক্ষা কৰি নিৰ্দিষ্ট সম্প্ৰদায়ক লক্ষ্য কৰি চলোৱা হৈছে। উল্লেখ্য, বিগত কেইবছৰ ধৰি অসমত চৰকাৰী আৰু বনাঞ্চলৰ ভূমিৰ পৰা বেদখলকাৰীক আঁতৰোৱাৰ বাবে ধাৰাবাহিক উচ্ছেদ অভিযান চলি আছে। বিৰোধী নেতা আৰু কিছুমান সংগঠনে এই অভিযানক খৰতকীয়া, পৰিকল্পনাহীন আৰু মানৱীয় সুৰক্ষাৰ অভাৱ থকা বুলি সমালোচনা কৰিছে। মাদানীৰ এই ভ্ৰমণ আৰু মন্তব্যই অসমত সংখ্যালঘুৰ ভূমিৰ অধিকাৰ, বেদখল আৰু নীতিগত প্ৰক্ৰিয়াৰ বিষয়ে নতুনকৈ আলোচনাৰ সুযোগ সৃষ্টি কৰিছে। এই সংবাদমেলৰ জৰিয়তে মৌলানা মেহমুদ মাদানীয়ে উচ্ছেদ প্ৰক্ৰিয়াত স্বচ্ছতা, ন্যায় আৰু মানৱীয় দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, যিয়ে ৰাজ্যৰ এই স্পৰ্শকাতৰ বিষয়টোত নতুন বিতৰ্কৰ সূচনা কৰিব পাৰে।

## SMCHত স্ত্ৰী-ৰোগ

আহমেদ বৰভূঞা নামৰ অভিযুক্ত ভুৱা চিকিৎসকজনৰ ঘৰ কাছাৰ জিলাৰ গণিৰগ্ৰামত। জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাট্টাই আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে মতে অভিযুক্ত যুৱকজনে ২৯ আগষ্টৰ পৰা স্ত্ৰীৰোগ বিশেষজ্ঞ হিচাপে চিকিৎসালয়খনত কাম কৰি আৰম্ভ কৰিছিল। চিকিৎসালয়খনৰ কেইজনমান কৰ্মচাৰীৰ তথ্যৰ ভিত্তিত আৰক্ষীয়ে আজি ভুৱা চিকিৎসকজনক আটক কৰে। এই সন্দৰ্ভত কাছাৰ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখযোগ্য যে কেইদিনমান আগতে শিলচৰৰ অন্য এখন চিকিৎসালয়ৰ পৰা পুলক মালাকাৰ নামৰ অন্য এজন ভুৱা চিকিৎসকক কাছাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

## এনাজৰী ফাউণ্ডেচনৰ প্ৰতিভা সন্ধানী পৰীক্ষাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, অভয়াপুৰী, ২ ছেপ্তেম্বৰ ঃ** এনাজৰী ফাউণ্ডেচন এ যোৱা মে’ মাহত অনুষ্ঠিত কৰা জিল ভিত্তিত প্ৰতিভা সন্ধানী পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰে। এই পৰীক্ষাত বিজনীৰ মানাহ জাতীয় বিদ্যালয়ৰ ছাত্ৰ মৃদুপল ৰায়ে জিলা খনৰ ভিতৰত প্ৰথম স্থান লাভ কৰে। মৃদুপল ৰায় তৃতীয় শ্ৰেণীৰ ছাত্ৰ। তেওঁ প্ৰতিভা সন্ধানী পৰীক্ষাত অৱতীৰ্ণ হৈ ৮৮ শতাংশ নম্বৰ পাবলৈ সক্ষম হয়। উক্ত পৰীক্ষাত দ্বিতীয় স্থান অধিকাৰ কৰে একেখন বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ হিৰক জ্যোতি ৰায়ে। সেইদৰে অভয়াপুৰীৰ ফেকাল্টি এম.পি হাই স্কুলৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী বেদাশ্ৰী দাসে ৮২ শতাংশ নম্বৰেৰে তৃতীয় স্থান অধিকাৰ কৰে। উল্লেখ্য যে উক্ত পৰীক্ষাত জিলা খনৰ মুঠ ৪১৩ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। মুঠ ৭টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হয় আৰু তেওঁলোকৰ মাজৰ পৰা ২২ গৰাকী শিক্ষাৰ্থীয়ে এককালীন জলপানি লাভ কৰিবলৈ সক্ষম হয়। পৰীক্ষাত অংশগ্ৰহণ কৰা প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰা হয়। আজি টাপাট্টাৰীৰ আদৰ্শ বিদ্যালয়ত এনাজৰি ফাউণ্ডেছনৰ সঞ্চালক ইনামুল আহমেদে আঁত ধৰা এক অনুষ্ঠানত আজি আনুষ্ঠানিকভাৱে এই বৃত্তি পৰীক্ষাৰ ফলাফল ঘোষনা কৰা হয়। এই সভাত টাপাট্টাৰী আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ হাৰুণ আৰ ৰছিদ বেপাৰী, দেৱদাৰু একাডেমীৰ অধ্যক্ষ ড° আব্দুল বাতেন, বিজনী মানাহ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মুস্তাফিজুৰ ৰহমান, অধিবক্তা পাৰভেজ ৰহমান আৰু আন্তৰাষ্ট্ৰীয় বঁটাপ্ৰাপক শিক্ষক ড° ছিৰখাত হুছেইন আদিয়ে উপস্থিত থাকি আনুষ্ঠানিকভাৱে ফলাফল ঘোষণা কৰে।

## পুৰণিগুদামৰ বিশাল ৰাজহুৱা সভাত দেৱচন্স গ্ৰুপে প্ৰদান কৰে আকৰ্ষণীয় বঁটা

# পৱন কুমাৰ বৰাক ২০২৪-২৫ বৰ্ষৰ দেৱচন্স বিশেষ সাহিত্য প্ৰতিভা বঁটা প্ৰদান

### বঁটাত এক লাখ টকা, স্মাৰক, জাপি, শৰাই, গ্ৰন্থৰ টোপোলা

**অসম বাৰ্তা, পুৰণিগুদাম, ২ ছেপ্তেম্বৰ ঃ** "প্ৰতিবন্ধকতা মানুহৰ মনত থাকে শৰীৰত নহয়। সমাজৰ যিসকল লোক বিশেষভাৱে সক্ষম সেইসকলক পুতৌ দৃষ্টিৰে নহয় শ্ৰদ্ধাৰ দৃষ্টিৰে চাব লাগে।" এই মন্তব্য ঐতিহাসিক দৰঙী ৰজাৰ পৰি নাতি, দেৱচন্স গ্ৰুপৰ প্ৰতিষ্ঠাক তথা দৰঙৰ সুযোগ্য সন্তান "দেৱচন্স বিশেষ সাহিত্য বঁটা"ৰ প্ৰৱৰ্তক স্বপ্নদ্ৰষ্টা ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱৰ। নগাঁও জিলাৰ পুৰণিগুদামৰ হাতীগাঁৱৰ নাট্যচ'ৰাত আজি বিয়লি অনুষ্ঠিত হোৱা দেৱচন্স বিশেষ সাহিত্য বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সমাজসেৱকগৰাকীয়ে আৰু কয় যে, "মানুহে আজিকালি সমাজ বেয়া হ'ল বুলি দোষাৰোপ কৰে কিন্তু প্ৰকৃততে সমাজ বেয়া হোৱা নাই। বেয়া হৈছে মানুহৰ মানসিকতা। মানুহৰ মাজত বিশ্বাসৰ মৃত্যু হৈছে। প্ৰত্যেকেই প্ৰত্যেকৰ প্ৰতি বিশ্বাস হেৰুৱাইছে। আমি অনুভৱী হৃদয়েৰে সমাজখন পৰিৱৰ্তন কৰি ল'ব পাৰো।" আকাশবাণী কেন্দ্ৰ, গুৱাহাটীৰ ঘোষক তথা কণ্ঠশিল্পী প্ৰাঞ্জল শৰ্মাই আঁট ধৰা বঁটা প্ৰদানৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটি উদ্বোধন কৰে অসমৰ সংবাদজগতৰ এগৰাকী জনপ্ৰিয় ব্যক্তি ভাৰ্গৱ কুমাৰ দাসে। উক্ত অনুষ্ঠানটিত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি কৰণাধাৰাৰ উপ-সভাপতি নীলিমা গোস্বামীয়ে সাৱলীল বক্তৃতাৰে উপস্থিত ৰাইজক আপ্লুত কৰে। লগতে পুৰণিগুদামৰ বিশিষ্ট শিক্ষাবিদ তথা পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। সভাত লেখক পৱন কুমাৰ বৰাক ২০২৪-২৫ বৰ্ষৰ দেৱচন্স বিশেষ সাহিত্য প্ৰতিভা বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে ফুলাম গামোছা, চেলেং, জাপি, শৰাই, স্মাৰক, কিতাপৰ টোপোলা আৰু নগদ এক লাখ টকাৰ চেক। আনহাতে, বঁটা প্ৰাপক পৱনে কুমাৰ বৰাই বঁটা গ্ৰহণ কৰি যথেষ্ট উৎসাহিত হোৱা বুলি মন্তব্য কৰে। লগতে তেওঁ লেখক হিচাপে এই বঁটাই অধিক দায়বদ্ধ কৰি তোলা বুলি নিজৰ বক্তব্যত উল্লেখ কৰে। লগতে তেওঁ আৰু কয় যে, "দেৱচন্স বিশেষ সাহিত্য প্ৰতিভা বঁটা, কেৱল এটি বঁটা নহয়, এয়া যেন মানৱতাৰ জয়গান। হোমেন বৰগোহাঞিৰদেৱৰ হৃদয়ৰ আন্দোলনৰ এটি উজ্জ্বল ৰং হ'ল এই দেৱচন্স গ্ৰুপৰ মমতাময় বঁটা। দেৱচন্স গ্ৰুপৰ সঁচা মানৱতাৰ বাৰ্তা সকলোতে প্ৰতিধ্বনি হ'ব বুলি লেখকগৰাকীয়ে আশা ব্যক্ত কৰে। উল্লেখ্য যে, ২০১৫ চনৰ পৰা প্ৰতিবছৰে (পিচলৈ প্ৰতি দুবছৰ অন্তে-অন্তে) অসমৰ বিশেষভাৱে সক্ষম সাহিত্যিক সকললৈ ব্যক্তিগতভাৱে এক লাখ টকা মূল্যৰ বিশেষ সাহিত্য প্ৰতিভা বঁটা আগবঢ়াই আহিছে। এইবেলি এই বঁটা প্ৰদান কৰা হৈছে নগাঁও জিলাৰ পুৰণিগুদাম হাতীগাঁৱৰ জনপ্ৰিয় যুৱপ্ৰজন্মৰ লেখক পৱন কুমাৰ বৰাক। বাতৰি কাকতৰ নিয়মীয়া লিখক পৱন কুমাৰ বৰাই তেওঁৰ ৰংমনৰ জীৱন। (প্ৰকাশক -অসম শিশু সাহিত্য ন্যাস ২০১২), প্ৰত্যাহ্বান গল্প সংকলন ২০২৩ (প্ৰকাশক- সেউজ প্ৰকাশন, সৰুপেটা।) গ্ৰন্থৰ বাবে নিৰ্বাচিত হৈছে। আজি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত দৰঙৰ লোকসংস্কৃতিৰ সাধক গৱেষক তৰুণ আজাদ ডেকা মুখ্য অতিথিৰূপে উপস্থিত থাকি মননশীল ভাষণ আগবঢ়ায়। উল্লেখ্য যে, আজিৰ অনুষ্ঠানত "অসমীয়া প্ৰতিদিন"ৰ মংগলদৈৰ জ্যেষ্ঠ সাংবাদিক গণেশ দত্ত প্ৰমুখ্যে বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানত অসমৰ এগৰাকী বিশিষ্ট সংগীত শিল্পী ৰূপম তালুকদাৰ উপস্থিত থাকি জনপ্ৰিয় দুটি গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক মন্ত্ৰমুগ্ধ কৰে।

# বৰহাট চৰাইপুঙৰ কবিতা বিশ্লেষক কবি, কৃতী শিক্ষক আনিল ফুকনৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, বৰহাট, ২ ছেপ্তেম্বৰ ঃ** চৰাইদেউ জিলাৰ বৃহত্তৰ বৰহাট অঞ্চলৰ চৰাইপুঙৰ আৰক্ষী থানাৰ অন্তৰ্গত নগাহাট কছাৰী গাৱঁৰ নিবাসী তথা অসম-অৰুণাচল সীমান্তৱৰ্তী ঐতিহাসিক লাহদৈ গড়ৰ কাষতে থকা বিমলাপুৰ বাগিছা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল ফুকনৰ যোৱা ইংৰাজী ৩০ আগষ্টৰ নিশা এঘাৰ বাজি পঞ্চল্লিছ বজাত অকাল বিয়োগ হয়। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে গধূলি ঘৰত থকা অৱস্থাত শিক্ষক গৰাকী উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হোৱাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ সাপেখাটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰাই যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে লগে লগে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয় নি থকা অৱস্থাত বাটতে শিক্ষক গৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখযোগ্য যে ২০২০ চনত ৫৯ সংখ্যক শিক্ষক দিৱসত চৰাইদেউ জিলা তথা শিক্ষা বিভাগৰ পৰা কৃতী শিক্ষকৰ সন্মান লাভ কৰিবলৈ সক্ষম হোৱা অনিল ফুকনে প্ৰধান শিক্ষক হিচাপে অৱসৰ পাবলৈ আৰু দুটা বৰ্ষ থকা অৱস্থাত এই ধৰাৰ পৰা চিৰ বিদায় লোৱাত সমগ্ৰ অঞ্চলতে এক গভীৰ শোকৰ ছাঁ পৰে। শিক্ষক গৰাকীৰ পৰলোকগামী হোৱা খবৰ বিয়পি পৰাৰ লগে লগে নগাহাট কছাৰী গাঁও স্থিত তেওঁৰ বাসগৃহলৈ অগণন শুভাকাঙ্খীৰ উপৰিও গুণমুগ্ধৰ আগমণ ঘটে। ৩১ ছেপ্তেম্বৰ দিনা পুৱাৰ ভাগত শিক্ষক অনিল ফুকনৰ শৰদেহ লৈ স্থানীয় ৰাইজ আৰু গুণমুগ্ধ সকলে তেওঁৰ কৰ্মস্থলী বিমলাপুৰ চাহ বাগিচা প্ৰাথমিক বিদ্যালয়লৈ শোভাযাত্ৰা কৰি লৈ যায় আৰু বিদ্যালয়ৰ চৌহদৰ ভিতৰত বিদ্যালয়ৰ পৰিচালনা সমিতি, শিক্ষক শিক্ষয়িত্ৰী গোট, ছাত্ৰ-ছাত্ৰী, জ্ঞানাঙ্কুৰ সাহিত্য সাংস্কৃতি আৰু জনকল্যাণ গোষ্ঠীৰ বিষয় ববীয়া, আটাছু চৰাইপুং আঞ্চলিক সমিতিৰ বিষয় ববীয়া, আছা - আটছা বিমলাপুৰ শাখা সমিতিৰ বিষয় ববীয়া, বিমলাপুৰ চাৰি আলিৰ ব্যৱসায়ী সকলৰ উপৰিও জাতি ধৰ্ম, বৰ্ণ নিৰ্বিশেষে স্থানীয় ৰাইজ আৰু গুণমুগ্ধ সকলে অন্তিম শ্ৰদ্ধাঞ্জলি জনাই, আৰু এখন শোক সভাও অনুষ্ঠিত কৰে। বিমলাপুৰ আৰু চৰাই পুং তিনি আলিৰ ব্যৱসায়ী সকলে দোকান পোহাৰ সকলো বন্ধ কৰি থোৱা দেখা যায়। পিছত পৰিয়ালৰ লোক আত্মীয় কুটুম স্থানীয় ৰাইজ আৰু গুণমুগ্ধৰ উপস্থিতিত নগাহাট কছাৰী গাঁওস্থিত চৌহদৰ ভিতৰত অন্ত্যোষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত কৃতী শিক্ষক অনিল ফুকনে বৃদ্ধা মাতৃ, পত্নী সহ পাঁচ গৰাকী জী জোৱাঁই, ভাতৃ ভগ্নী, আত্মীয় কুটুমৰ সহিতে বহু গুণমুগ্ধ এৰি থৈ গৈছে। উল্লেখ্য কৰা প্ৰয়োজন শিক্ষকতা বৃত্তিৰ লগত জড়িত হৈ থকাৰ উপৰিও অনিল ফুকনে শিক্ষকতা বৃত্তিৰ উপৰিও সমাজ জীৱনৰ ক্ষেত্ৰত জড়িত হৈ থকাৰ লগতে যোৱা ছয় সাত বছৰ ধৰি ব্যস্ততাৰ মাজতে সুৰুঙা উলিয়াই সাহিত্য চৰ্চাত আত্মনিয়োগ কৰিছিল। তেখেতৰ কবিতাৰ বিশ্লেষণাত্মক লেখা সমূহ অসম আদিত্য, অসমীয়া বৰ্তমান কাকত, চানদে নিউজ কাকতলৈ ধাৰাবাহিকতা ৰক্ষা কৰি লেখা মেলা প্ৰকাশৰ বাবে পাইছিল আৰু সেই লেখা সমূহ প্ৰকাশো হৈছিল। তেখেতৰ কবিতা পুথি অপৰূপা মোৰ প্ৰেয়সীৰ নাম, মানৱ জীৱনৰ ৰূপৰেখা, কাব্য মন্থন, কাব্য দৰ্পন, কাব্য শিল্প, কাব্যনীলৰ আবেলিৰ কবিতা, কাব্যলহৰ, কাব্য সৌৰভ, মোৰ তাহানিৰ শাওণৰ পথাৰখন, গল্পৰ ছলেৰে, কিতাপ প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও আৰু তিনিখন কবিতাৰ বিশ্লেষক কিতাপ লিখি উন্মোচন কৰাৰ পৰিকল্পনা কৰি আছিল। শিক্ষক অনিল ফুকন সাহিত্য সৌৰভ বঁটা, গুৰু চৰিত বঁটা, সাহিত্য সুৰভি বঁটা, উত্তৰণ সাহিত্য মঞ্চ বঁটা, অসম কলা কৃষ্টি বঁটা, শব্দ সম্প্ৰীতি বিশেষ সন্মান বঁটা, দিগবলয় সাহিত্য চৰা বঁটা, শংকৰ-আজান সমন্বয় বঁটা, সাহিত্য ৰত্ন খিতাপ বঁটা, সাহিত্য চৰ্চাৰ মঞ্চ বঁটা, সাংস্কৃতিক সমন্বয় মঞ্চৰ সম্বৰ্দ্ধনা পত্ৰ, জ্ঞান অন্বেষক বঁটা, শ্ৰেষ্ঠ বিশ্লেষক বঁটা, কাব্যশ্ৰী বঁটা, উত্তৰণ জ্যোতি সন্মান বঁটা, শব্দ সম্প্ৰীতি বিশ্লেষক বঁটা আদিৰ উপৰিও স্থানীয় অঞ্চলৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা সমাদৰ মান সন্মান লাভ কৰাৰ লগতে বঁটা বাহন পাবলৈ সক্ষম হৈছিল। কবি সমালোচক কবিতা বিশ্লেষণ অসমৰ সাহিত্যপ্ৰেমীৰ হৃদয় জয় কৰিবলৈ সক্ষম হোৱা শিক্ষক তথা কবি, লেখক, কবিতাৰ বিশ্লেষক অনিল ফুকনৰ মৃত্যুত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু যোৰহাট লোকসভা সংসদীয় সমষ্টিৰ সাংসদ, প্ৰাক্তন মন্ত্ৰী তথা অসম উদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ তপন কুমাৰ গগৈয়ে গভীৰ শোক প্ৰকাশ কৰিছে। আনকি বহু লোকে সামাজিক মাধ্যমৰ জৰিয়তেও এজন সমাজ সচেতন লোক অকালতে হেৰুৱাব লগা হল বুলি মত প্ৰকাশ কৰাৰ উপৰিও দুখ প্ৰকাশ কৰিছে। আজি কৃতী শিক্ষক গৰাকীৰ নগাহাট কছাৰী গাঁওস্থিত বাসগৃহত তিনিদিনিয়া তিলনি অনুষ্ঠানত প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ উপস্থিত হৈ পৰিয়ালৰ লগতে আত্মীয় কুটুমক মাত লগাই সমবেদনা জনায়।

## এগৰাকী অসহায়ী আইতাক সাজি দিলে ঘৰ

# সৰুপথাৰ সমজিলা টাই আহোম ছাত্ৰ সন্থাৰ মহানুভৱতা

**অসম বাৰ্তা, ধনশিৰি, ২ ছেপ্তেম্বৰ ঃ** এগৰাকী অসহায়ী তথা অকলশৰীয়া আইতাৰ কাষত থিয় দিলে সৰুপথাৰ সমজিলা টাই আহোম ছাত্ৰ সন্থা। সৰুপথাৰ সমষ্টিৰ চুঙাজান মাজগাঁও পঞ্চায়তৰ অন্তৰ্গত হলৌগুৰিৰ এগৰাকী আইতা। নাম সোণিমাই লাহন। ৭০ৰ উৰ্ধৰ আইতা গৰাকীয়ে এটা ওৱলি যোৱা ঘৰতেই বছৰ বছৰ ধৰি অকলে বাস কৰি আহিছিল। কিন্তু আজি পৰ্যন্ত আইতা গৰাকীয়ে লাভ নকৰিলে এটি চৰকাৰী ঘৰ। এটি সৰু বাঁহৰ কোঠাতে শুৱামেলা কৰাৰ লগতে ৰন্ধা-বঢ়া সকলো কৰিবলগীয়া হৈছিল আইতা গৰাকীয়ে। বৰষুণ দিলে ডোঙা ডোঙে পানী সোমাইছিল ঘৰটোত। কাৰণ ঘৰটোৰ ওপৰফালে থকা টিঙ কেইচলা নামতহে আছিল। আনহাতে বেৰা বিলাকো সম্পুৰ্ণৰূপে জহিখহি গৈছিল। এনেদৰেই সোণিমাই লাহনে বহুত কষ্টৰে জীৱনৰ বিয়লি বেলা কটাইছিল। অৱশেষত আইতা গৰাকীৰ কাষত থিয় দিলে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সৰুপথাৰ সমজিলাৰ বিষয়ববীয়া সকল। সংগঠনটোৰ সদস্য সকলে আইতা গৰাকীৰ পৰিস্থিতিৰ বিষয়ে বুজ লৈ তেখেতক থাকিব পৰাকৈ সুন্দৰ ৰূপত বাৰাণ্ডাসহ এটি বাঁহৰ ঘৰ সাজি দিলে। আজি আইতা গৰাকীৰ মুখত হাঁহি বিৰিঙি উঠিল। সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সৰুপথাৰ সমজিলাৰ সদস্য সকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱাৰ লগতে ভৱিষ্যতেও এনেধৰণৰ মহান কাম কৰি যাবৰ বাবে আইতাই প্ৰদান কৰিলে আশীৰ্বাদ। কিন্তু এইখিনিতে প্ৰশ্ন হয় পঞ্চায়তৰ প্ৰতিনিধি সকলে কিয় দেখা নাপাই এনে দুৰ্ভগীয়া লোকসকলক? এনেকুৱা দৰিদ্ৰ মানুহেই যদি এটি চৰকাৰী পকি ঘৰ লাভ নকৰে তেতিয়া কোন শ্ৰেণীৰ মানুহে লাভ কৰে সেইয়া এক ডাঙৰ ৰহস্য।

## কুলদীপ ঠাকুৰীয়াক সভাপতি, দীপজ্যোতি দাসক সাধাৰণ সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন

# চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ ২৪ সংখ্যক বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, চেঙা, ২ ছেপ্তেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অধীনৰ বৰপেটা জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ ২৪ সংখ্যক বাৰ্ষিক অধিৱেশনখনি দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে চেঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা আছুৰ পতাকা উত্তোলন কৰে চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নমণি দাসে। বন্তি প্ৰজ্বলন আৰু শ্বহীদ তৰ্পণ কৰে চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কুলদীপ ঠাকুৰীয়াই। পুৱা ১১ বজাত চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নমণি দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় প্ৰতিনিধি সভা। প্ৰতিনিধি সভাখনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰতিনিধি সভাখনত বিশিষ্ট অতিথি হিচাপে প্ৰাক্তন ছাত্ৰনেতা ক্ৰমে ৰোহিণী কুমাৰ দাস, দিলীপ বাৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ডাঃ মাধুৰ্য্য পৰাণ দাস, বৰপেটা জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি প্ৰদীপ দাস, অসম উন্নতি সভাৰ সম্পাদক খনীন পাঠক, ছাত্ৰনেতা ৰূপম পাঠক উপস্থিত থাকি ছাত্ৰ সন্থাৰ কাৰ্যপন্থাৰ লগতে সাংগঠনিক দিশ সম্পৰ্কত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত প্ৰাক্তন ছাত্ৰনেতা ৰোহিণী কুমাৰ দাসে কয় যে- "আমাক এক কৰ্মসূচী লাগিব। এই কৰ্মসূচীবোৰত আমি সিদ্ধান্ত লম, আমিনো কি কৰা উচিত। এই ব্যৱস্থাপনা কৰাৰ বাবে আমি কেন্দ্ৰীয় সমিতিৰ ওচৰত দাবী কৰিম। তেতিয়াহে তেওঁলোকে ৰাইজৰ কাম, জাতীয় জীৱনৰ কাম কৰিবলৈ উৎসাহ পাব, উদ্দীপনা পাব। কাৰণ উৎসাহজনক কৰ্মৰ ফল দিগন্ত ব্যাপি থাকে। আমি যদি আঞ্চলিক পৰ্যায়ত এটা ভাল কাম কৰোঁ, তেন্তে সেইটো এটা নজিৰ হ'ব।" প্ৰতিনিধি সভা শেষ হোৱাৰ পাছতেই অনুষ্ঠিত হয় বিষয় বাছনি সভা। বিষয় বাছনি সভাখনত চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতিখন গঠন কৰা হয়। কুলদীপ ঠাকুৰীয়াক সভাপতি আৰু দীপজ্যোতি দাসক সাধাৰণ সম্পাদক হিচাপে লৈ ৪১ জনীয়া চেঙা আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতিখন গঠন কৰা হয়।

# জাঁজী জামুগুৰিত "সৃষ্টি ৰংগন" সাংস্কৃতিক গোষ্ঠীৰ সদৌ অসম ভিত্তিত সৃষ্টি শীল নৃত্য প্ৰতিযোগিতা সম্পন্ন

## চান্দনী দত্তৰ শ্ৰেষ্ঠত্ব অৰ্জন

**অসম বাৰ্তা, জাঁজী, ২ ছেপ্তেম্বৰ ঃ** নৱপ্ৰজন্মৰ প্ৰতিভা বিকাশৰ লক্ষৰে গঠন হোৱা সৃষ্টি ৰংগন সাংস্কৃতিক গোষ্ঠী শিৱসাগৰৰ উদ্যোগত কালি শিৱসাগৰ জিলাৰ জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয় (জাঁজী বালিকা বিদ্যালয়)ত অনুষ্ঠিত হয় সদৌ অসম ভিত্তিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা। এই উপলক্ষে পুৱা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দীপ্তি গায়নে বন্তি প্ৰজ্বলন আৰু শিক্ষয়িত্ৰী তথা সাংস্কৃতিক ক্ষেত্ৰত ব্ৰতী থকা জিনুমা গগৈয়ে উদ্বোধন কৰা প্ৰতিযোগিতাখনিত অসমৰ বিভিন্ন প্ৰান্তৰৰ শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। আনহাতে প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠত্ব অৰ্জন কৰে চান্দনী দত্তই। সমান্তৰাল ভাবে মৌ শাখাত প্ৰথম, আৰ্ঘৰ চেতিয়া, দ্বিতীয়, প্ৰিয়দৰ্শিনী দত্ত আৰু তৃতীয় স্থান লাভ কৰে আকাংক্ষা ৰাজখুৱাই। নিম্ন শাখাত প্ৰথম, চুমু টায়ে, দ্বিতীয়, আকাংক্ষা খাউণ্ড, তৃতীয় স্থান লাভ কৰে পদ্মৰাগ বৰুৱাই। উচ্চ শাখাত প্ৰথম চান্দনী দত্ত, দ্বিতীয়, ডিম্পল নৃত্যম শইকীয়া আৰু তৃতীয় স্থান লাভ কৰে উমাকান্ত টায়ে। ইয়াৰোপৰি দলীয় নৃত্যত প্ৰথম স্থান লাভ কৰে সূৰ্যোদয় কলা কেন্দ্ৰ, দ্বিতীয় স্থান, KDK CROW আৰু তৃতীয় স্থান লাভ কৰে মুলাগাভৰু নৃত্য দলে। অনুষ্ঠান টোত অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰা বাবে সঞ্চালিকা পূৰ্ণিমা ফুকন বৰুৱাই সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে।

## ভাদ মাহত নামঘৰে নামঘৰে নগাঁৱৰ সাংস্কৃতিককৰ্মী পাৰ্থ প্ৰতীম মহন্ত

**অসম বাৰ্তা, পুৰণিগুদাম, ২ ছেপ্তেম্বৰ ঃ** পবিত্ৰ ভাদ মাহ উপলক্ষে ভক্তি সেৱা শীৰ্ষক অনুষ্ঠানৰ লগত সংগতি ৰাখি ভকত সেৱাৰ মানসেৰে আজি নগাঁৱৰ যুৱ সমাজিক-সাংস্কৃতিক কৰ্মী পাৰ্থ প্ৰতিম মহন্ত উপস্থিত হৈছিল ভক্তিসেৱাৰ অন্যতম স্থান নগাঁও-বঢ়মপুৰ বিধানসভা সমষ্টিৰ অধীনৰ এটা নামঘৰত। নগাঁও চহৰৰ দাঁতিকাষৰীয়া পুৰণিগুদাম বৰাচুক নামঘৰত উপস্থিত হৈ ভগৱন্তৰ চৰণত সেৱা আগবঢ়োৱাৰ লগতে এটি দেৱাল ঘড়ী নামঘৰটোলৈ আগবঢ়ায়। সকলোৰে কুশল মঙ্গল কামনা কৰি উপস্থিত সুধী ৰাইজৰ আশিস গ্ৰহণ কৰে নগাঁৱৰ যুৱ সমাজিক সাংস্কৃতিক কৰ্মী পাৰ্থ প্ৰতিম মহন্তই। উল্লেখযোগ্য যে, ২০২১ চনৰ পৰা সামাজিক কামত জড়িত হোৱা পাৰ্থ প্ৰতিম মহন্তই নিজৰ গাঁঠিৰ ধন ভাঙি সামাজিক কাম কৰি সমাজলৈ এক আশাৰ বাৰ্তা কঢ়িয়াই আনিছে। আজি পুৰণিগুদাম বৰাচুকত ৰাইজৰ মাজত নিজৰ মনৰ কথা ব্যক্ত কৰি সকলোৰে আশীৰ্বাদ ল'বলৈ সক্ষম হয়। উল্লেখযোগ্য যে, নিৰ্বাচন আহিলে একাংশ ৰাজনৈতিক দলৰ নেতা-পালিনেতাই ৰাইজৰ সেৱা কৰিবলৈ ওলাই আহে। কিন্তু কোনোধৰণৰ তেনে মানসিকতা নথকা পাৰ্থ প্ৰতীমে ৰাইজৰ কাম কৰিবলৈ ব্যতিক্ৰমী মনোভাৱেৰে ওলাই অহাটোয়ে তাৎপৰ্য বহন কৰিছে।

# ৰহা সমষ্টিৰ পাঁচখন পঞ্চায়তৰ অগপৰ মণ্ডল কমিটী গঠন

**অসম বাৰ্তা, কচুৱা, ২ ছেপ্তেম্বৰ ঃ** ৰহা সমষ্টিত অগপ দলৰ ভেটি শক্তিশালী কৰিবলৈ পূৰ্ণ চেষ্টা অব্যাহত অগপ নেতৃবৰ্গৰ। ৰহা সমষ্টিৰ কেইবাখনো পঞ্চায়তৰ মণ্ডল কমিটী গঠন কৰা হয়। এই উপলক্ষে কচুৱাৰ শিমলুগুৰি জ্ঞান বিকাশ বিদ্যালয় প্ৰাংগনত অসম গণ পৰিষদৰ এখনি সাংগঠনিক সভা অনুষ্ঠিত কৰি সভাত সাংগঠনিক দিশ আৰু জুৰিৰপাৰ, মাধৱপাৰা, প্ৰমিলাকে ধৰি পাঁচখন পঞ্চায়তৰ মণ্ডল কমিটি গঠন কৰা হয়। প্ৰমিলা আঞ্চলিক পঞ্চায়তৰ সভাপতি মুজিবুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত অসম গণ পৰিষদৰ কেন্দ্ৰীয় কমিটিৰ উপ-সভাপতি বিষ্ণু দাস, ধৰ্মীয় সংখ্যালঘুৰ কেন্দ্ৰীয় কমিটিৰ সম্পাদক মাণিক হুছেইন, ৰহা বিধানসভাৰ কাৰ্যকৰী সভাপতি পৱন বৰা, ৰহা বিধানসভা সমষ্টিৰ ধৰ্মীয় সংখ্যালঘুৰ সভাপতি ইমৰান হুছেইনসহ বিভিন্ন পঞ্চায়তৰ প্ৰায় তিনিশ অগপ কৰ্মী উপস্থিত থাকে। ইপিনে সভাত মাধৱপাৰা মণ্ডল কমিটিৰ সভাপতি হিচাপে আবুল কালাম আজাদ আৰু সম্পাদক হিচাপে ৰঞ্জিত বৰা আৰু আজহাৰ উদ্দিন আহমেদক নিৰ্বাচিত কৰে। অৱশেষত সংবাদ মাধ্যমৰ আগত ২০২৬ৰ বিধানসভা নিৰ্বাচনত ৰহাত কংগ্ৰেছক পৰাস্ত কৰি বিপুল ভোটৰ ব্যৱধানত মিত্ৰজোঁট দলে জয়ী হ'ব বুলি অগপৰ কেন্দ্ৰীয় কমিটিৰ উপ-সভাপতি বিষ্ণু দাসে মন্তব্য কৰে।

## ৰূপহী মহাবিদ্যালয়ৰ আমছুৰ ৪১ জনীয়া শক্তিশালী কমিটি গঠন

**অসম বাৰ্তা, ৰূপহীহাট, ২ ছেপ্তেম্বৰ ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছু নগাঁও জিলা সমিতিৰ অন্তৰ্গত ৰূপহী কলেজৰ আমছু গোটৰ কমিটি গঠনৰ কাৰণে ৰূপহী ইনষ্টিটিউট অফ পেৰা মেডিকেল কলেজৰ প্ৰেক্ষা গৃহত সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত ৰূপহী কলেজৰ আমছুৰ ৪১ জনীয়া এক শক্তিশালী কমিটি গঠন কৰা হয়। ৰূপহী কলেজৰ আমছু গোটৰ সভাপতি হিচাপে নিৰ্বাচিত হয় কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আফজালুৰ ৰহমান। ৰূপহী কলেজ গোটৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয় ৰবিউল বাদছা আৰু ছানিয়া আনছাৰী। উক্ত সভাখনত আমছুৰ কেন্দ্ৰীয় সমিতিৰ নেতাৰ লগতে জিলা সমিতিৰ নেতা সকল উপস্থিত থাকে।

## তিলকগাঁও পঞ্চায়তৰ বৰছৰা গাঁৱত এঘাৰ লাখ টকাৰ দুটা আধাৰশিলা স্থাপন

# 'কে এ চি'ৰ অধ্যক্ষৰ বিভাগীয় পূজিৰ উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন

**অসমবাৰ্তা, বাসুগাঁও, ২ ছেপ্তেম্বৰ ঃ** তিলকগাঁও পঞ্চায়তৰ অন্তৰ্গত বৰছৰা গাওঁখনৰ ৰাইজৰ বহুদিনীয়া দাবী দুটা আজি সম্পূৰ্ণ হ'ল। আজি কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনৰ বিভাগীয় পুঁজিৰে বঙাইগাঁও জিলাৰ তিলকগাঁও পঞ্চায়তৰ অন্তৰ্গত বৰছৰাগাঁৱত দুটাকৈ উন্নয়ন মূলক কামৰ আধাৰশিলা স্থাপন কৰে কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে। কেএচিৰ ২০২৪ -২৫ বিভাগীয় বৰ্ষৰ পুঁজিৰে উক্ত দুখন উন্নয়ন মূলক কামৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে বৰছৰা গাঁৱৰ ৰাইজৰ চলাচল কৰাত সুবিধাৰ্থে বিভাগীয় পুজিৰে ৰাস্তাটোৰ বাবে পাঁচ লাখ টকা আৰু জৰাজীৰ্ণহৈ থকা বাসন্তি মন্দিৰৰ বাবে চয় লাখ টকাৰ অনুদান আগবঢ়াই আধাৰশিলা স্থাপন কৰে। উক্ত আধাৰশিলা স্থাপন কাৰ্য্যসূচীত উপস্থিত থাকে তিলকগাঁও পঞ্চায়তৰ সভাপতি সুজন বৰ্মন, ১নং বৰছৰাগাঁৱৰ সদস্যা দিপিকা ৰায়, স্থানীয় গাঁৱৰ বিশিষ্ট ব্যক্তি সকলৰ লগতে ভালে সংখ্যক গাঁওবাসী ৰাইজ। আজিৰ এই কাৰ্য্যসূচীত বৰছৰাগাঁও বাসীৰ লগত মত বিনিময় কৰি অনাগত দিনটো গাঁওবাসীৰ লগত থাকি অভাৱ অভিযোগ সমূহ সমাধান কৰাৰ কথা কোৱাৰ লগতে আগন্তুক কমদিনৰ ভিতৰত কোচৰাজবংশী মহিলাসকলক পাটানি আৰু খেতিয়কসকলক খেতিপথাৰত ব্যৱহাৰ কৰিবলৈ স্প্ৰে মেচিন দিয়াৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে। ৰাইজৰ সমস্যাবোৰ এনেদৰে সমাধান হ'লে নিশ্চয় এদিন কমতাপুৰ স্বায়ত্তশাসিত পৰিষদখন শক্তিশালী হৈ জাকতজিলিকা হ'ব বুলি মন্তব্য প্ৰকাশ কৰে অধ্যক্ষ গৰাকীয়ে।

### মহা প্ৰবন্ধকৰ নিৰ্দেশনাত মুখ্য প্ৰৱেশ দ্বাৰ বন্ধ কৰি স্মাৰক পত্ৰ গ্ৰহণ নকৰাত ক্ষোভিতপ্ৰতিবাদী কৰ্মচাৰী

# কৰ্মচাৰীৰ পদোন্নতিৰ লগতে ন্যায্য প্ৰাপ্তিৰ দাবীত নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰত কৰ্মচাৰীৰ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, নামৰূপ, ২ ছেপ্তেম্বৰ ঃ** অসম চৰকাৰৰ বৰ্তমান এক লাভজনক প্ৰতিষ্ঠান অসম শক্তি উৎপাদন নিগম লিমিটেডৰ (APGCL) কৰ্মচাৰী সকলক নাৰ্য্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰাৰ লগতে পদোন্নতি বন্ধ কৰি ৰখাৰ অভিযোগত কৰ্মচাৰী সকলে আজি দুপৰীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী সকলে মহাপ্ৰবন্ধকক এক স্মাৰক পত্ৰ প্ৰদান কৰি উক্ত কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ অগ্ৰসৰ হৈছিল যদিও মহপ্ৰবন্ধক গৰাকীয়ে মুখ্য প্ৰবেশ দ্বাৰ বন্ধ কৰি দিয়াত পৰিস্থিতি উত্তপ্ত হৈ পৰে। প্ৰতিবাদী সকলে মেনেজমেণ্ট আৰু মহপ্ৰবন্ধক গৰাকীৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি উতপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ক্ষুব্ধ প্ৰতিবাদী সকলে কয় যে এ পি জি চি এলত বিষয়া সকলৰ বাবে service rule,service manual আছে কিন্তু কৰ্মচাৰীৰ ক্ষেত্ৰত নায়। বিষয়া সকলক পদোন্নতি দিবলে পদ নাথাকিলেও নতুন নতুন পদ সৃষ্টি কৰি লয় অথবা পদোন্নতি দিব নোৱাৰিলে পাব লগা পদৰ সম মানৰ দৰমহা দিয়া হয় কিন্তু কৰ্মচাৰী সকলক সেই সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰে প্ৰতিবাদী সকলে। বিষয়া সকলৰ নিজ ইচ্ছামতে transfer লব পৰা সুবিধা অথবা বদলি দিয়াৰ পূৰ্বে বিষয়া গৰাকীক সুধি-পুছি হে বদলিৰ স্থান নিৰ্ধাৰণ কৰে। কিন্তু কৰ্মচাৰী সকলৰ ক্ষেত্ৰত নিজৰ প্ৰাপ্যৰ বাবে অথবা প্ৰতিষ্ঠানৰ হিতৰ বাবে বাবে মাত মতিলেই transfer দিয়ে বুলি অভিযোগ উত্থাপন কৰে প্ৰতিবাদী সকলে। লগতে উল্লেখ কৰে যে হয়তো আজিৰ আন্দোলনৰ পিছতে কিছু কৰ্মচাৰীক শাস্তি মূলক বদলি দিব পাৰে বুলি অভিযোগ কৰে। APGCL হল এক উৎপাদন প্ৰতিষ্ঠান কিন্তুত বৰ্তমানৰ কৰ্তিপক্ষই উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ নকৰি নকৰি কৰ্মচাৰী সকলৰ ওপৰত দমমূলক নীতি অৱলম্বন কৰিছে বুলি অভিযোগ কৰে। আনহাতে প্ৰাপ্ত তথ্য মতে কিছুবছৰ পূৰ্বে STMDৰ 5 নং ইউনিটৰ cooling tower ৰ ভিতৰৰ অংশ বহু লাখ টকা খৰচ কৰি প্ৰায় নতুনকৈ নিৰ্মাণ কৰাৰ কিছুদিন পাছতেই 5 নং টাৰ্বাইনটো সম্পূৰ্ন বন্ধ কৰি দিয়া হয় বুলি জানিব পৰা গৈছে। নতুন নতুন বিভাগ গঠন কৰাৰ পাছতো উৎপাদন বৃদ্ধিৰ বিপৰীতে দিনক দিনে উৎপাদন হ্ৰাস হোৱা দেখা গৈছে নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দোপদৰ আঞ্চলিকৰ উদ্যোগত ১৮ খনকৈ প্ৰাথমিক শাখাত সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা

**অসম বাৰ্তা, নামতি, ২ ছেপ্তেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দোপদৰ আঞ্চলিকৰ উদ্যোগত ১৮ খনকৈ প্ৰাথমিক শাখাত আজি দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হল ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগিতা। গায়ন গাঁও সৰু নামঘৰ, গায়ন গাঁও বৰনামঘৰ, দুই নং গায়নবাৰী নামঘৰ, নতুন লোণপুৰীয়া নামঘৰ, পুৰণি লোণপুৰীয়া বৰনামঘৰকে ধৰি ১৮ খনকৈ প্ৰাথমিক শাখাত ছাত্ৰ ছাত্ৰী সকলৰ মানসিক আৰু বৌদ্ধিক বিকাশ ঘটোৱাৰ উদ্দেশ্যেৰে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, কুইজ বৰগীত, দিহানাম, খোলবাদ্যকে ধৰি বহুকেইটা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতা অনুষ্ঠিত হোৱা প্ৰতিখন প্ৰাথমিক শাখাত একোজনকৈ পৰ্যবেক্ষক উপস্থিত থাকি প্ৰতিযোগিতাৰ পৰ্যবেক্ষণ কৰে। কণ কণ ছাত্ৰ ছাত্ৰী সকলৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে শংকৰদেৱ সংঘৰ দোপদৰ আঞ্চলিকে লোৱা এই পদক্ষেপ সঁচাই এক প্ৰশংসনীয় পদক্ষেপ।

# গোলাপাৰাৰ পৰীক্ষা কেন্দ্ৰটো চাকলা পৰীক্ষা কেন্দ্ৰৰ স'তে সংলগ্ন নকৰিবৰ দাবী

## আয়ুক্তৰ কাৰ্যালয়ত দাখিল স্মাৰকপত্ৰ

**অসম বাৰ্তা, অভয়াপুৰী, ২ ছেপ্তেম্বৰ ঃ** বঙাইগাঁও জিলাৰ গোলাপাৰা হায়াৰচেকেণ্ডেৰীত থকা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু হায়াৰচেকেণ্ডেৰী পৰীক্ষা কেন্দ্ৰটো চাকলা হায়াৰচেকেণ্ডেৰীত থকা পৰীক্ষা কেন্দ্ৰৰ সতে সংলগ্ন কৰাৰ বিৰোধ কৰি আজি একাংশ লোকে জিলা আয়ুক্তৰ কাৰ্যালয়ত দাখিল কৰে এক স্মাৰকপত্ৰ। দাখিলকৃত স্মাৰকপত্ৰখনত ৰাইজ তথা শিক্ষাৰ্থীৰ অভিভাৱকে উল্লেখ কৰে যে গোলাপাৰা হায়াৰচেকেণ্ডেৰীত থকা উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত বাঁশবাৰী, আওলাগুৰি, বাংলাপাৰা আদি অঞ্চলৰ শিক্ষাৰ্থীয়ে পৰীক্ষা দি আহিছে। সেই অঞ্চলৰ পৰা চাকলাৰ দুৰত্ব অধিক। ইয়াৰ উপৰি উল্লিখিত ঠাই সমূহৰ অধিকাংশ শিক্ষাৰ্থীৰ অভিভাৱক সকল গৰীৱ। যাৰ বাবে সেই পৰীক্ষাৰ্থী সকলে ১০/১৫ বকিলোমিটাৰ দুৰত্বৰ চাকলাস্থিত কেন্দ্ৰটোত নিতৌ পৰীক্ষা দিবৰ বাৰে আহযাহ কৰাত আহিব প্ৰভুত অসুবিধা। যাৰ বাৰে পৰীক্ষা কেন্দ্ৰটো বাহাল ৰখাৰ দাবী তুলিছে। স্মৰ্তব্য যে শেহতীয়া ভাৱে গোলাপাৰা হায়াৰচেকেণ্ডেৰীস্থিত কেন্দ্ৰটোত নকলৰ পয়োভৰ হোৱা, শিক্ষাৰ্থীয়ে অসৎ উপায় অৱলম্বনৰে পৰীক্ষা দিয়াৰ ক্ষেত্ৰত একাংশ শিক্ষকে পৰোক্ষভাৱে সহায় কৰা আদি অভিযোগ উৎখাপিত হৈছিল। যাৰ বাৰে জিলা প্ৰশাসনে তীক্ষ্ণ নজৰ ৰাখিছিল সেই কেন্দ্ৰটোক। কেন্দ্ৰটোত নেতিবাচক কৰ্ম চলাৰ অভিযোগৰ কিছু সত্যতা বিচাৰি পোৱাত এই বিষয়টো বঙাইগাঁও ডি এল চি কমিটিৰ সদন পায়গৈ। সেই সদনে গোলাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰটো চাকলাত সংলগ্ন কৰাৰ বাবে এটা প্ৰস্তাৱ লয় আৰু বিদ্যালয় প্ৰধানৰ পৰা ৰিপৰ্ট বিচাৰে। কেন্দ্ৰটো গোলাপাৰা হায়াৰচেকেণ্ডেৰীৰ গুচি যোৱাৰ বাতৰি বনজুইৰ দৰে অঞ্চলটোত বিয়পি যোৱাত ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। অসন্তুষ্টিত ভোগা একাংশ ৰাইজে বিষয়টো পুনৰ বিবেচনা কৰিবৰ বাৰে আজি জিলা আয়ুক্তৰ ওছৰত সেই স্মাৰকপত্ৰখন দাখিল কৰে। মনকৰিবলগীয়া এই যে গোলাপাৰাৰ কেন্দ্ৰটোৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা বা হ'বলগীয়া শিক্ষাৰ্থীৰ ভিতৰত অধিকাংশই কীৰ্তনপাৰা, বালাৰচৰ, ছালাবিলা, ভাণ্ডাৰা আৰু গোলাপাৰা অঞ্চলৰ। ইয়াৰে গোলাপাৰাক বাদ দিলে বাকীবোৰ অঞ্চলৰ দুৰত্ব আনুমানিক ৭/৮ কিমি। কিন্তু তেওঁলোকৰ পৰা চাকলা কেন্দ্ৰটোৰ দুৰত্ব অতিকমেও ১০/১৫ কিমি হ'ব। ধৰ্মীয় সংখ্যালঘু ৰাইজৰে ভৰপুৰ গোলাপাৰা বা উপৰিযুক্ত অঞ্চল সমূহৰ অধিকাংশ লোকেই গৰীৱ শ্ৰেণীৰ। সেই লোক সকলৰ অধিকাংশৰ ঘৰত নাই, দুই, তিনি বা চাৰি চকীয়া বাহন। ইয়াৰ উপৰি সেই অঞ্চল সমূহৰ পৰা চাকলা হায়াৰচেকেণ্ডেৰীলৈ আহযাহ কৰা উন্নত বাটপথো নাই। গোলাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত থকা পৰীক্ষা কেন্দ্ৰটোত পৰীক্ষা দিয়া বা দিবলগীয়া শিক্ষাৰ্থীৰ ভিতৰত অধিকাংশই হ'ল ছোৱালী যাৰ বাবে ৰাইজে পৰীক্ষা কেন্দ্ৰ দুটা স্থানান্তৰিত নকৰিবলৈ জিলা আয়ুক্তৰ ওছৰত জনাইছে আবেদন। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে গোলাপাৰা হায়াৰচেকেণ্ডেৰীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰীক্ষা কেন্দ্ৰত ২০২১চনত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা কেন্দ্ৰটো যোৱা ২০২৩ চনত আৰম্ভ হৈছিল। যোৱা বৰ্ষত জিলা প্ৰশাসনে দুগৰাকী কাৰ্যবাহী অভিযন্তা নিয়োজিত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। উক্ত পৰীক্ষাত ৯জন পৰীক্ষাৰ্থীক নকল কৰাৰ বাৰে পৰীক্ষা কেন্দ্ৰটোৰ পৰা বহিষ্কাৰ কৰা হৈছিল ইয়াৰ বিপৰীতে উচ্চতৰ মাধ্যমিক পৰীক্ষাত কাকো বহিষ্কাৰ কৰা হোৱা নাছিল। আনহাতে গোলাপাৰাৰ ৰাইজে দাবী কৰা মতে চাকলা হায়াৰচেকেণ্ডেৰীত থকা হাইস্কুল শিক্ষান্ত পৰীক্ষাত দুজন আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ১৮জনক বহিস্কাৰ কৰিছিল। ৰাইজৰ মতে গোলাপাৰাৰ কেন্দ্ৰৰ পৰা প্ৰাইভেট আৰু ভেন্সাৰ স্কুল সমূহ চাকলাত থকা কেন্দ্ৰটোৰ সতে সংলগ্ন কৰি বাকী বিদ্যালয় সমূহক সামৰি গোলাপাৰাৰ পৰীক্ষা কেন্দ্ৰটো পূৰ্বৰ দৰে ৰাখিব লাগে।

# ৬২তম্ পশ্চিম বড়িগোগ সাৰ্ব্বজনীন শ্ৰীশ্ৰী দুৰ্গাপূজাৰ বৰ্ণিল আয়োজন

**অসম বাৰ্তা, বাহাৰঘাট, ২ ছেপ্তেম্বৰ** ঃ বিগত বছৰ কেইটাৰ দৰে এইবেলিও নলবাৰী জিলাৰ কিচ্‌মৎ গাৱঁত অৱস্থিত পশ্চিম বড়িগোগ সাৰ্ব্বজনীন শ্ৰীশ্ৰীদুৰ্গাপূজা, দেহাৰকুছিৰ ৬২তম্ বৰ্ষৰ বাবে অহা ২৮ চেপ্তেম্বৰৰ পৰা দুই অক্টোবৰলৈ পাচদিনীয়াকৈ অনুষ্ঠিত কৰাৰ আয়োজন কৰিছে। তদুপলক্ষে ২৮ চেপ্তেম্বৰ শ্ৰীশ্ৰী দুৰ্গাষষ্ঠীৰ পুৱা নবজাত শংকৰদেৱ বিদ্যানিকেতন, বাহাৰঘাটৰ ছাত্ৰছাত্ৰী সকলে মংগলচৰণম পৰিৱেশনৰে পূজাৰ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰাৰ পিচতে ৯-১৫ বজাত মণ্ডপৰ পতাকা উত্তোলন কৰিব মণ্ডপৰ সভাপতি ৰজত চন্দ্ৰ শৰ্মাই, ৯-৩০ বজাত স্মৃতিতৰ্পণ কৰিব বশিষ্ঠ নাথ শৰ্মাই, দহ বজাত ভূমিদাতা প্ৰয়াত বশিষ্ঠ নাথ শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব দীনেশ চন্দ্ৰ বৰুৱাই, ১০-৩০ বজাত গছপুলি ৰোপণ, ৰোপক ক্ৰমে মাসন ভট্ট, গিৰীশ কলিতা, বিপিন শইকীয়া, গহিন চন্দ্ৰ কলিতা, আৰু বশিষ্ঠ লহকৰ, ১১-০০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, (ক)শাখা তৃতীয়ৰ পৰা পঞ্চম শ্ৰেনীলৈ (খ)শাখা ষষ্ঠৰ পৰা অষ্টম শ্ৰেনীলৈ, চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ নটৰাজ কলা কৃষ্টি কেন্দ্ৰ, দেহাৰকুছিয়ে অৰ্পণ কৰিব। সন্ধিয়া পাঁচ বজাত বন্তি প্ৰজ্বলন, মূল প্ৰজ্বলক বিশিষ্ট সংস্কৃত পণ্ডিত, গবেষক, কৃষ্ণকান্ত সন্দিকৈ সংস্কৃত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° নৃপেন্দ্ৰ নাথ শৰ্মা, আনহাতে অন্য কেই বাজনো আমন্ত্ৰিত বিশিষ্ট ব্যক্তিয়ে বন্তি প্ৰজ্বলন অনুষ্ঠানত সহযোগ কৰিব, ছয়বজাত বিল্ববোধনৰ বাবে লৰমা গাৱঁৰ প্ৰয়াত কাশীনাথ শৰ্মা আৰু প্ৰয়াত মহামায়া দেৱীৰ বাসভৱনলৈ শোভাযাত্ৰা, সাতবজাত শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ বোধন আমন্ত্ৰণ আৰু অধিবাস, নিশা নবজাত টোপধ্বনি আৰু আটচ্‌বাজী প্ৰদৰ্শন, উদ্বোধন কৰিব বিজেপি কিষানমৰ্চাৰ ৰাজ্যিক কাৰ্য্যনিৰ্বাহ সদস্য পৰাগজ্যোতি চৌধুৰীয়ে। ২৯ চেপ্তেম্বৰ, দেৱীৰ শ্ৰীশ্ৰীমহাসপ্তমী বিহিত পূজা উপলক্ষে পুৱা আঠবজাত দেৱীৰ নৱপত্ৰিকা প্ৰবেশ, ঘটস্থাপন, সপ্তমাদি কল্পাৰম্ভ আৰু সপ্তমীপূজা আৰম্ভ, দহবজাত আয়তীসকলৰ দ্বাৰা নাম প্ৰসংগ, দুপৰীয়া দুই বজাত ৰাজহুৱা ভোগগ্ৰহণ, আবেলি ৩-৩০ বজাত ওজাপালি প্ৰদৰ্শন, ৬-৩০ বজাত দেৱীৰ আৰতি, সাতবজাত আমন্ত্ৰিত পাঠিকা মিতালী বৰুৱা আৰু গীতিকা দেৱী বৰুৱাৰ নাগাৰানাম প্ৰদৰ্শন, উদ্বোধন কৰিব সদৌ অসম নাগাৰা নাম সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক অচ্যুত ডেকাই। ৩০ চেপ্তেম্বৰ পুৱা নবজাত দেৱীৰ মহাষ্টমী বিহিত পূজাৰম্ভ, দহ বজাত আয়তীনাম, দিনৰ ১-২১ বজাত সন্ধিপূজা আৰম্ভ আৰু ২-৩৯ বজাত সন্ধিপূজা সমাপন, দিনৰ ২-৩০ বজাত ৰাজহুৱা ভোগগ্ৰহণ, আবেলি ৩-৩০ বজাত ওজাপালি প্ৰদৰ্শন, সন্ধিয়া সাতবজাত দেৱীৰ আৰতি, নিশা আঠবজাত ৰামপ্ৰযাদ শৰ্মা সোৱঁৰণী সাংস্কৃতিক সন্ধিয়া, উদ্বোধন কৰিব নলবাৰী জিলাৰ অৱসৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক হেমন্ত ভট্টাচাৰ্যই, সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত শিল্পী নিশাৰাণী হালৈ আৰু কাজল কৃষ্ণই গীতমাত পৰিৱেশন কৰিব। এক অক্টোবৰ পুৱা সাতবজাত দেৱীৰ মহানৱমী বিহিত পূজা আৰম্ভ, দহবজাত আয়তী সকলৰ নাম প্ৰসংগ, দিনৰ বাৰবজাত কুমাৰী পূজা, ১-৩০ বজাত ভোগ উছৰ্গা, পূৰ্ণাহুতি আৰু মহাশান্তি প্ৰদান, ২-৩০ বজাত ৰাজহুৱা ভোগ গ্ৰহণ, আবেলি ৩-৩০ বজাত ওজাপালি প্ৰদৰ্শন, সন্ধিয়া সাতবজাত দেৱীৰ আৰতি, নিশা আঠবজাত মণ্ডপ নিৰ্মাণৰ সাহায্যাৰ্থে আমন্ত্ৰিত ভ্ৰাম্যমাণ নাট্যদল বৃন্দাবন থিয়েটাৰৰ নাট প্ৰদৰ্শন, নাট প্ৰদৰ্শনৰ স্থান মা দুৰ্গাক্ষেত্ৰ, দেহাৰকুছি। দুই অক্টোবৰ পুৱা আঠবজাত দেৱীৰ দশমী বিহিত পূজাৰম্ভ, ১১-০০ বজাত অপৰাজিতা পূজা, বাৰবজাত দেৱীৰ স্তোত্ৰ পাঠ আৰু বলয়ধাৰণ, দিনৰ একবজাত দেৱীৰ নৱপত্ৰিকা আৰু ঘট বিষৰ্জন, সন্ধিয়া সাতবজাত বৃন্দাবন থিয়েটাৰৰ নাট প্ৰদৰ্শন আনহাতে তিনি অক্টোবৰ সন্ধিয়া সাতবজাত বৃন্দাবন থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব। ইয়াৰোপৰি ছয় অক্টোবৰ সন্ধিয়া শ্ৰীশ্ৰীলক্ষ্মী পূজা আৰু ২০ অক্টোবৰ সন্ধিয়া শ্ৰীশ্ৰী শ্যামাপূজাৰো আয়োজন কৰিছে। ইতিমধ্যে পূজা পৰিচালনাৰ বাবে ললিত চন্দ্ৰ ডেকাক সভাপতি, ধীৰেন শৰ্মা আৰু পুলিন চন্দ্ৰ লহকৰক উপসভাপতি, ভূষন চন্দ্ৰ শৰ্মাক সম্পাদক, কমল শৰ্মা, মনোজ শৰ্মা আৰু গৌতম শৰ্মাক সহঃসম্পাদক হিচাবে লৈ এখন পূজা পৰিচালনা সমিতি গঠন কৰিছে।

## অসম সাহিত্য সভাৰ হাতে-হাত ধৰি কাম কৰিব আটছাই; সাধাৰণ সম্পাদক জগদীশ বৰাইকৰ ঘোষণা

# চাহ জনগোষ্ঠীৰ ৰাইজক আমি বুকুৰ মাজত ৰাখিব লাগিব, নৱ-প্ৰজন্মক আগবঢ়াই নিব লাগিব সঠিক পথেৰে ঃ ড০ বসন্ত কুমাৰ গোস্বামী

## গোলাঘাটত চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সত্ৰীয়া, লোকনৃত্য, বৰগীতৰ কৰ্মশালাৰ বৰ্ণাঢ্য সামৰণি অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২ ছেপ্তেম্বৰ** ঃ "চাহ জনগোষ্ঠীৰ ৰাইজক আমি বুকুৰ মাজত ৰাখিব লাগিব। চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলৰ অফুৰন্ত প্ৰতিভা আছে। গোলাঘাট জিলাৰ বৰজান চাহ বাগিচাত অনন্য পৰিৱেশ দেখি অভিভূত হৈছোঁ। চাহ বাগিচাৰ চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৰ্বদিশৰ প্ৰতিভা আমি বিকশিত কৰি ৰাজ্যিক, ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰিব লাগিব। তেনে শক্তি আৰু সামৰ্থ্য চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত নিশ্চিতভাৱে বিদ্যমান। অসমীয়া সমাজ জীৱনৰ ভৱিষ্যত সৰূপ এই সকল নৱ-প্ৰজন্মক সঠিক বাটেৰে আগবঢ়াই নিয়াতো সকলোৰে একান্ত দায়িত্ব। অসম সাহিত্য সভাই এনে দায়িত্ব নিষ্ঠাৰে আমি গ্ৰহণ কৰিছোঁ।" অসম সাহিত্য সভাৰ চাহ জনগোষ্ঠী ভাষা-সাহিত্য, সংস্কৃতি বিকাশ উপশমিতিৰ উদ্যোগত, বৰজান চাহ বাগিচা আঞ্চলিক শাখা সাহিত্য সভাৰ সক্ৰিয় সহযোগত আৰু পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ তত্ত্বাবধানত গোলাঘাট জিলাৰ বৰজান চাহ বাগিচাত বহুকেইখন চাহ বাগিচাৰ তিনি শতাধিক চাহ জনগোষ্ঠী ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত সত্ৰীয়া নৃত্য, লোকনৃত্য, বৰগীত, লোকগীতৰ ১২ দিনীয়া কৰ্মশালাৰ আজি সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, ভাষাবিদ, অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এনেদৰে মন্তব্য কৰে। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা বৰাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে প্ৰশিক্ষাৰ্থীসকলৰ পুষ্প বৰ্ষণ আৰু আয়তিৰ উৰুলিৰ গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অসম সাহিত্য সভাৰ সভাপতি ড° গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। অসম সাহিত্য সভাৰ চাহ জনগোষ্ঠী ভাষা-সাহিত্য, সংস্কৃতি বিকাশ উপশমিতিৰ আহ্বায়ক দিগন্ত কুমাৰ ভূঞাৰ নেতৃত্বত বৰজান চাহ বাগিচাত গ্ৰহণ কৰা এনে মহৎ কৰ্মসূচীয়ে অসম সাহিত্য সভাত এক ইতিহাস সূচনা কৰা বুলিও উল্লেখ কৰে। চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, ৰাইজ আদি সকলোকে তেওঁ অভিনন্দন জনায়। সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চাহ জনজাতি ছাত্ৰ সন্থা(আটছা)ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ বৰাইকে চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অসম সাহিত্য সভাই গ্ৰহণ কৰা এনে কাৰ্যসূচী প্ৰশংসনীয় আৰু অতুলনীয় আখ্যা দি আটছাই জাতীয় সংগঠন অসম সাহিত্য সভাৰ লগত হাতে হাত ধৰি আগন্তুক সময়ত কাম কৰি যাব বুলি ঘোষণা কৰে। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, চলচ্চিত্ৰ প্ৰযোজক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া নুৰুল চুলতান, বিশিষ্ট সমাজকৰ্মী পৰেশ গগৈ, গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰসন্ন শৰ্মা, ডাঃ মৃণাল বৰ্মণ, উত্তৰ দক্ষিণহেঙেৰা গাঁও পঞ্চায়ত সভানেত্ৰী পল্লৱী উৰাং, বিশিষ্ট লেখক, শিক্ষক মৌচুম গগৈ, কমাৰবন্ধাৰ শাখা সাহিত্য সভাৰ সম্পাদক মৌচুম তামুলী, ওমপ্ৰকাশ হাজাম আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। কৃতজ্ঞতাসূচক বক্তব্য আগঢ়ায় অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞাই। অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে বৰগীত, লোকগীত, সত্ৰীয়া নৃত্য, কৰ্ষনৃত্য, চালিনৃত্য আলি পৰিৱেশন কৰি পৰিৱেশ মুখৰিত কৰি তোলে। অসম সাহিত্য সভাৰ চাহ জনগোষ্ঠী ভাষা-সাহিত্য, সংস্কৃতি বিকাশ উপশমিতিৰ সহযোগী আহ্বায়ক ৰাজীৱ কৰ্মকাৰ বৰজান চাহ বাগিচা আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি সুভাষ কৰ্মকাৰ আৰু সম্পাদক বিশ্বজিৎ উৰাঙে পৰিচালনা কৰা বিশেষ কৃতজ্ঞতা অনুষ্ঠানত সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক মিণ্টু বৰদলৈ, নয়নমণি শৰ্মা, বৰগীতৰ প্ৰশিক্ষক ত্ৰিবেণী বৰা, মৌচুম হাজৰিকা আৰু লোকগীতৰ প্ৰশিক্ষক জোনালী শইকীয়াক বিশেষভাৱে সম্বৰ্ধনা জনায়।

# নাজিৰাৰ লিগিৰী পুখুৰীস্থিত ১ম অসম আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নাজিৰা, ২ ছেপ্তেম্বৰ ঃ** আজি অসমৰ প্ৰথমটো আৰক্ষী বাহিনীৰ ৭৭তম প্ৰতিষ্ঠা দিৱস। বৃটিছ ৰাজত্ব কালত ১৯৪২ চনত Assam Rail Force নামেৰে প্ৰতিষ্ঠা হোৱাৰ পৰৱৰ্তী সময়ত বিশ্বযুদ্ধ সময়ত Auxiliary Force ৰূপে নিয়োজিত কৰা বাহিনীটোৱে যুদ্ধত অৱতীৰ্ণ হৈছিল। আৰু তাৰ পৰৱৰ্তী সময়ত ১৯৪২ চনৰ ১৫ জুলাই তাৰিখে ১ ম অসম আৰক্ষী বাহিনী হিচাপে নামকৰণ কৰা হয় আৰু ১৯৫২ চনৰ ১ আগষ্ট তাৰিখে অসমৰ প্ৰথম বাহিনী দেৰগাঁৱৰ কপাঁহতলি পথাৰত গঠন হয়। পৰৱৰ্তী সময়ত ১৯৮৩ চনত এই বাহিনী লিগিৰী পুখুৰীলৈ স্থানান্তৰিত কৰা হয়। বাহিনীটোৰ প্ৰথম অধিনায়াক H F G Burbidge চাহাবে দায়িত্ব গ্ৰহণ কৰা পাছৰে পৰা অৰ্থাৎ ১৯৪৮ চনৰ ০১ ছেপ্টেম্বৰ তাৰিখে প্ৰতিষ্ঠা দিৱস হিচাপে ধাৰ্য কৰি আজিৰ এই দিনটোক প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি আহিছে। আজিৰ এই পৱিত্ৰ দিনটোত মুখ্য অতিথি হিচাপে উপস্থিত বাহিনীৰ অধিনায়ক অধিনায়ক মুছলেহ উদ্দিন আহমেদ লগতে ৪ৰ্থ অসম কামাণ্ডো বাহিনীৰ অধিনায়ক মিহিৰজিৎ গায়ন। ভাষণ প্ৰসংগত আৰক্ষী জনগণৰ লগতে দেশৰ নিৰাপত্তা আৰু জনসাধাৰণৰ হিত সাধনাৰ্থে নিষ্ঠা সহকাৰে কৰ্ত্তব্য পালন কৰা উচিত আৰু সেই কৰ্ত্তব্য পালন কৰিবলৈ যাওঁতে অজস্ৰজনে নিজৰ জীৱন উৰ্চগা কৰিব লগা হৈছে। নিজৰ জীৱন উৰ্চগা কৰি দেশ আৰু জনগণৰ নিৰাপত্তাত নিয়োজিত অমৰ জোৱান তথা বীৰ শ্বহীদ সকলৰ ত্যাগ চিৰকাললৈ স্মৰণীয় হৈ থাকিব বুলি মতপোষণ কৰে। উক্ত সভাত বিভিন্ন কৰ্মত পাৰদৰ্শিতা দেখুওৱা কৰ্মৰ বাবে বাহিনীৰ বহু কেইজন জোৱানক এখন প্ৰমাণ পত্ৰৰে পুৰস্কৃত কৰা হয়। পুৱা শ্বহীদ তৰ্পণ, বৃক্ষ ৰোপণেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ বিয়লি প্ৰীতি ফুটবল প্ৰতিযোগিতা আৰু সন্ধিয়া বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে কাৰ্যসূচী সামৰণি পৰে।

## মাত্ৰ ৬৭০ টকা মূলধনেৰে আৰম্ভ কৰা 'বৰা কেন ইণ্ডাষ্ট্ৰী'ৰ জৰিয়তে ভাত মোকলাইছে ২০-২২টা পৰিয়ালে

# নগাঁৱৰ মৰঙীয়াল গাঁওস্থিত বেতৰ উদ্যোগে বজাৰ দখল কৰিছে বহিঃৰাজ্যতো

**অসম বাৰ্তা, বঢ়মপুৰ, ২ ছেপ্তেম্বৰ** ঃ পৰিশ্ৰম, একাগ্ৰতা, সাহস, বুদ্ধিৰ বলত যে একোগৰাকী ব্যক্তিয়ে জীৱনত সফলতাৰ দিশে অগ্ৰসৰ হোৱাত হেঙাৰ হ'ব নোৱাৰে ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত মৰঙীয়াল গাঁও নিবাসী এগৰাকী ব্যক্তিয়ে। বৰ্তমান প্ৰায় ৫২ বছৰীয়া এইগৰাকী ব্যক্তিৰ নাম পদ্মেশ্বৰ বৰা। শৈশৱতে পিতৃহাৰা হোৱা বৰাই মাতৃ, তিনি কনিষ্ঠ ভাতৃকে ধৰি পৰিয়ালটোৰ বোজা কান্ধ পাতি ল'বলৈ যথেষ্ট সংগ্ৰাম কৰিব লগা হৈছিল। স্নাতক ডিগ্ৰীধাৰী পদ্মেশ্বৰ বৰাই সময় থাকোঁতেই চৰকাৰী চাকৰি এটাৰ বাবে বহু চেষ্টা কৰিছিল যদিও সফল হ'ব পৰা নাছিল। ইয়াৰ মাজতে নিজ গাঁৱতে থকা এটি বেতৰ প্ৰতিষ্ঠানত তেওঁ কাম শিকিছিল। কামটোৰ প্ৰতি তেওঁ ইমানেই মনোনিবেশ কৰিলে যে তেওঁৰ ২৩-২৪ বছৰ বয়সতে অৰ্থাৎ ১৯৯৬ চনত ঘৰতে ৬৭০ টকা মান মূলধনেৰে সৰুকৈ বেতৰ প্ৰতিষ্ঠান এখন খুলিবলৈ ল'লে। যথেষ্ট কষ্ট আৰু একাগ্ৰতাৰে জীৱনক এক 'চেলেঞ্জ' হিচাপে গ্ৰহণ কৰি আৰম্ভ কৰা এই ব্যৱসায়ে ক্ৰমান্বয়ে উন্নতি হ'বলৈ ধৰে। ইয়াৰ মাজতে তেওঁ নুমলীগড়ত এখন বেতৰ প্ৰতিষ্ঠান খুলি কিছুদিনৰ পাছত ঘৰতে থিতাপি লাগি 'বৰা কেন ইণ্ডাষ্ট্ৰী' নামেৰে প্ৰতিষ্ঠানটো সবল কৰি তোলে। এই সম্পৰ্কত পদ্মেশ্বৰ বৰাই আমাক জানিবলৈ দিয়া অনুসৰি বৰ্তমান তেওঁৰ প্ৰতিষ্ঠানত নিতৌ ২০-২২জন সুদক্ষ কৰ্মীয়ে কাম কৰি আছে। কেৱল কৰ্মীৰ ওপৰতে নিৰ্ভৰশীল নহৈ বৰাই নিজেও পুৱাৰে পৰা সন্ধিয়া পৰ্যন্ত কাম কৰাৰ লগতে কৰ্মী সকলক তদাৰক কৰি আহিছে। তেওঁ জানিবলৈ দিয়া মতে বেতেৰে নিৰ্মাণ কৰিবপৰা প্ৰায় সকলো সামগ্ৰীয়েই ইয়াত বনোৱা হয়। স্থানীয় লোকৰ প্ৰয়োজনীয় সামগ্ৰীৰ উপৰি বহু সামগ্ৰী এই প্ৰতিষ্ঠানতে বনাই ডিফু, তেজপুৰ, গোলাঘাট আদিৰ উপৰি নাগালেণ্ডৰ ডিমাপুৰলৈ সৰবৰাহ কৰা হয়। ইফালে, অৰুণাচল প্ৰদেশ, কাৰ্বি আংলং আদিৰ পৰা প্ৰধানকৈ প্ৰয়োজনীয় বেত সংগ্ৰহ কৰি বিগত ২৮-২৯ বছৰ ধৰি নীৰৱচ্ছিন্নভাৱে গ্ৰাহকৰ প্ৰয়োজন অনুসৰি সামগ্ৰী নিৰ্মাণ কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে এই প্ৰতিষ্ঠানটিয়ে। কোনো চৰকাৰী আঁচনিৰ সুবিধা লাভ নকৰাকৈয়ে গ্ৰামাঞ্চলত স্থাপিত এই প্ৰতিষ্ঠানটিৰ সম্পত্তিৰ পৰিমাণ দহ লক্ষাধিক। এয়া নিশ্চিতভাৱে যুৱ প্ৰজন্মৰ বাবে, যি সকলে কেৱল চৰকাৰী চাকৰিৰ বাবে হাত সাৰটি বহি আছে সেই সকলৰ বাবে অনুপ্ৰেৰণাৰ উৎস হ'ব পাৰে। এটি থলুৱা ক্ষুদ্ৰ উদ্যোগ স্থাপনেৰে নিজে স্বাৱলম্বী হোৱাৰ লগতে আন দহজনক সংস্থাপিত কৰা পদ্মেশ্বৰ বৰাৰ এই প্ৰচেষ্টা অব্যাহত থাকক আৰু অধিক উন্নতিৰ শিখৰলৈ আৰোহণ কৰক, আমাৰো শুভ কামনা থাকিল।

## নিৰ্মাণৰ এবছৰ পিছতেই বিধ্বস্ত পথটোৰ নহ'ল মেৰামতি, ব্যাহত যাতায়াত

# মন্দিয়াৰ সত্ৰকণৰা ৫ নং খণ্ডৰ পৰা সত্ৰকনৰা ১২ নং খণ্ডলৈ যোৱা ১৪৭৮ লাখ টকীয়া পকী পথ বিধ্বস্ত

**অসম বাৰ্তা, বাঘবৰ, ২ ছেপ্তেম্বৰ ঃ** বৰপেটা জিলাৰ পূৰ্বৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত সত্ৰকনৰা ৫ নং খণ্ডৰ পৰা সত্ৰকনৰা ১২ নং খণ্ডলৈ যোৱা পকী পথটো আজি প্ৰায় তিনিটা বছৰ ধৰি বিধ্বস্ত হৈ থকাত পথটোৰে যাতায়াত ব্যাহত হৈ পৰিছে। প্ৰাপ্ত তথ্য মতে, লোক নিৰ্মাণ বিভাগৰ বৰপেটা সংমণ্ডলৰ অধীনস্থ বৃহত্তৰ অঞ্চলটোৰ অতিকৈ গুৰুত্বপূৰ্ণ পথটো নিৰ্মাণৰ বাবে লোক নিৰ্মাণৰ বিভাগে এ এছ-০১-২২৮ নম্বৰ পেকেজত ১৪৭৮.১১০ লাখ টকা মঞ্জুৰী দিয়ে। ৭.২০০ কিলোমিটাৰ পকী পথ নিৰ্মাণৰ বাবে বিভাগীয়ভাৱে নিবিদা আহ্বান কৰাত উক্ত পকী পথ নিৰ্মাণৰ দায়িত্ব লাভ কৰে শ্ৰী মৃনাল জ্যোতি দাস। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাম্য পথ উন্নয়ন মন্ত্ৰালয়ে আৱণ্টন দিয়া বৃহৎ পুঁজিৰে ঠিকাদাৰ শ্ৰী মৃনাল জ্যোতি দাসে পকী পথটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰে যদিও নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ এবছৰ পিছতেই পকী পথটো বিধ্বস্ত হৈ পৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে।



স্থানীয় লোকে অভিযোগ কৰা মতে, পকী পথটোৰ নিৰ্মাণৰ পিছত 'ছাইটবাম' ভালদৰে নিৰ্মাণ নকৰাৰ ফলত প্ৰথমাৱস্থাত বৰষুণ আৰু পিছত বানপানীয়ে পকী পথটোৰ বিস্তৰ ক্ষতিসাধন কৰে। প্ৰায় দুবছৰ পূৰ্বেই পথটোৰ কেইবাটাও অংশ খহাই নিয়াৰ লগতে পথটোৰ ওপৰৰ পকী অংশ অৰ্থাৎ 'ব্লেক টপিং' উঠি যোৱা পৰিলক্ষিত হৈছে। স্থানীয় লোকে অভিযোগ কৰা মতে, পকী পথটো বিধ্বস্ত হৈ পৰাৰ দুবছৰ পাৰ হোৱাৰ পাছতো ৭.২০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পকী পথটো মেৰামতিৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে লোক নিৰ্মাণ বিভাগে। যাৰ বাবে উক্ত পথেৰে যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। জানিব পৰা মতে, অতিকৈ গুৰুত্বপূৰ্ণ পথেৰে কেইবাখন গাঁৱৰ লোকে কোনোমতে খোজকাঢ়ি, দুচকীয়া বাহনেৰে অহা যোৱা কৰিব পাৰে যদিও নচলে চাৰিচকীয়া বাহন। ১৪৭৮.১১০ লাখ টকা ব্যয় কৰি নিৰ্মাণ কৰা ৭.২০০ কিলোমিটাৰ পথেৰে যদি চাৰিচকীয়া বাহনেই চলাচল কৰিব নোৱাৰে তেন্তে পথটো পকীকৰণ কৰাৰ যুক্তি কি আছিল? বিধ্বস্ত পকী পথটোৰে চাৰিচকীয়া বাহন চলাচল কৰিব নোৱাৰাৰ বাবেই বৃহত্তৰ অঞ্চলটোলৈ নাযায় এম্বুলেঞ্চ সেৱাৰ গাড়ী। যাৰ বাবে বিভিন্ন সময়ত বৃহত্তৰ অঞ্চলটোৰ লোক সকলে চিকিৎসা সেৱাৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছে। বিশেষকৈ গৰ্ভৱতী, প্ৰসূতি মহিলাৰ লগতে শিশু আৰু মুমূৰ্ষু অৱস্থাৰ ৰোগী সকল জৰুৰীকালীন চিকিৎসা লাভৰ পৰা বঞ্চিত হৈছে। প্ৰায় দুবছৰ ধৰি বিধ্বস্ত হৈ থকা গুৰুত্বপূৰ্ণ পকী পথটো মেৰামতি ও পুনঃনিৰ্মাণৰ বাবে স্থানীয় ৰাইজে লোক নিৰ্মাণ বিভাগক অনুৰোধ জনাইছে যদিও আজিলৈকে পকী পথটো মেৰামতি কৰা নহ'ল। লোক নিৰ্মাণ বিভাগৰ অৱহেলাৰ বাবে যাতায়াতৰ নামত জীয়াতু ভুগিব লগীয়া হৈছে অঞ্চলবাসীয়ে। এনে অৱহেলাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে স্থানীয় লোকে। বৃহত্তৰ অঞ্চলটোৰ যাতায়াত ব্যৱস্থা সুচল কৰাৰ বাবে শীঘ্ৰে পকী পথটো মেৰামতি ও পুনঃনিৰ্মাণ কৰিবলৈ বিধায়ক শ্বেৰমান আলী আহমেদ, জিলা আয়ুক্তৰ কৰ্তৃপক্ষক দাবী জনাইছে অঞ্চলবাসীয়ে।

# ধিঙত সাধনা সাংস্কৃতিক একাডেমী নামৰ এটি প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**অসম বাৰ্তা, টুকটুকী, ২ ছেপ্তেম্বৰ** ঃ জিলা ধিঙৰ কলা-সংস্কৃতিৰ উন্নয়নৰ দিশে নতুন এক সাংস্কৃতিক কেন্দ্ৰৰ মুকলি। ধিঙৰ সাংস্কৃতিক যুৱ উদ্যমী ৰূপজ্যোতি কৰৰ উদ্যোগত ধিঙৰ ভকত গাঁৱত 'সাধনা সাংস্কৃতিক একাডেমী' নামেৰে সংগীত, নৃত্য, আৰু শিল্পকলাৰ প্ৰশিক্ষণ প্ৰদানৰ লক্ষ্যৰে স্থাপন কৰা হ'ল এক সাংস্কৃতিক উত্তৰৰ কেন্দ্ৰ। সাধনা সাংস্কৃতিক একাডেমীৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে আৰোগ্য যোগ কেন্দ্ৰৰ সভাপতি ড° জোনাৰাম নাথে। ফিতা কাটি মুকলি কৰে দিলীপ কৰে। বিশেষ অতিথি হিচাপে উপস্থিত থাকে ভৰতনাট্যম প্ৰশিক্ষিকা মন্দিৰা ভট্টাচাৰ্য্য আৰু বিশিষ্ট ব্যক্তি হিচাপে গুৰুদয়াল সিং, লেখক বসন্ত নাথ, দিগন্ত বৰা, সমাজ সেৱক বিমল চন্দ্ৰ দাসৰ লগতে বিভিন্ন শাখাৰ প্ৰতিনিধি আৰু ধিঙৰ প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী অভিভাৱকৰ উপস্থিতিত উক্ত একাডেমীৰ মুকলি কৰা হয়। উক্ত সাধনা সাংস্কৃতিক একাডেমীত ছাত্ৰ-ছাত্ৰীসকলে ভৰতনাট্যম, কথক, বিহু, শাস্ত্ৰীয় সংগীত, লোক সংগীত আদি বিষয়ে প্ৰশিক্ষণ লাভ কৰিব পাৰিব বুলি জনায়। স্থানীয় কণ কণ প্ৰতিভাক শাৰীৰিক, মানসিক আৰু সাংস্কৃতিক দিশত আগবঢ়াই লৈ যাবলৈ এই একাডেমী এক গুৰত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# দেৰগাঁৱৰ নেঘেৰিটিং চাহ বাগিচাৰ বৰলাইন যুৱক সংঘৰ সৌজন্যত প্ৰাইজমণি ফুটবলৰ সফল সমাপ্তি

**অসম বাৰ্তা, দেৰগাঁও, ২ ছেপ্তেম্বৰ** ঃ নেঘেৰিটিং চাহ বাগিচাৰ বৰলাইন যুৱক সংঘৰ সৌজন্যত নেঘেৰিটিং চাহ বাগিচাৰ ৰাইজৰ সহযোগত যোৱা ইংৰাজী ২৪ আগষ্ট তাৰিখৰ পৰা বুধুৱা নায়ক প্ৰাথমিক আৰু নলিন হাজৰিকা মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰ অনুষ্ঠিত প্ৰাইজমণি ফুটবল খেলৰ সফল পৰিসমাপ্তি ঘটে। ৩১ আগষ্ট তাৰিখে চূড়ান্ত খেলখন যোৰহাট জিলাৰ লহপহীয়া চাহ বাগিচা ফুটবল একাদশ বনাম গোলাঘাট জিলাৰ ৰাধাবাৰী চাহ বাগিচাৰ মাজত অনুষ্ঠিত হোৱা খেলত লহপহীয়া চাহ বাগিচা ফুটবল একাদশে ৰাধাবাৰী চাহ বাগিচা ফুটবল একাদশক ১-০ গলত পৰাজিত কৰি বিজয় অৰ্জন কৰিবলৈ সক্ষম হয়। উক্ত খেলত আৰম্ভণিতে মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডম্বাৰাজুমণি হুছেইন। লগতে চূড়ান্ত খেলত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নেঘেৰিটিং চাহ বাগিচাৰ মুখ্য পৰিচালক শ্ৰী হৃদয়জিৎ তালুকদাৰ, সহ পৰিচালক উমাশংকৰ কুৰ্মি আটছা গোলাঘাট জিলা সমিতিৰ উপ সভাপতি শ্ৰীৰাজীৱ চাহু ক্ৰীড়া সম্পাদক জীৱন মিৰ্ধা, আটছা দেৰগাঁও শাখাৰ সভাপতি দয়াৰাম ৰবিদাস, সমাজ কৰ্মী দেৱকান্ত কুৰ্মি, দেৰগাঁও গাঁও পঞ্চায়তৰ সভাপতি ৰিংকু ৰবিদাস, নেঘেৰিটিং গাঁও পঞ্চায়তৰ সভাপতি মধুলাল ৰবিদাস, আটছা নেঘেৰিটিং উপশাখাৰ সভাপতি সুনিল দুচাদ, গাঁৱৰক্ষী বাহিনীৰ সভাপতি জফৰ আলি সম্পাদক ঘনশ্যাম ৰবিদাস, চৰকাৰী গাঁও প্ৰধান গান্ধী ৰবিদাস, নেঘেৰিটিং চাহ বাগিচা সংঘৰ(ACMS )সভাপতি ৰাজকুমাৰ পাচি সম্পাদক পুৰুষোত্তম ঘাটোৱাৰ, ( BSCM)ৰ সভাপতি বিপিন দুচাদ, সম্পাদক বুলু হাও, আটছা দেৰগাঁও শাখাৰ ভাইটি ৰবিদাস, মিণ্টু কুৰ্মি, নেঘেৰিটিং উপশাখাৰ গণেশ ভুঞা, নেঘেৰিটিং চাৰিআলি ব্যৱসায় সন্থাৰ সভাপতি প্ৰেমলাল জয়ছোৱাল, সম্পাদক শ্বৰীফ হুছেইন, লগতে বহু কেইজন বিশিষ্ট অতিথিৰ লগতে নেঘেৰিটিং চাহ বাগিচাৰ প্ৰায় ৫০জন প্ৰাক্তন খেলুৱৈ উপস্থিত থাকে, উক্ত অনুষ্ঠানতে নেঘেৰিটিং চাহ বাগিচাৰ ফুটবল দলটিক একালত প্ৰতিনিধিত্ব কৰা প্ৰায় ৩০ গৰাকী প্ৰাক্তন খেলুৱৈক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। চূড়ান্ত খেলত প্ৰথম পুৰস্কাৰ হিচাপে ২০হাজাৰ টকা ট্ৰফি সহ প্ৰদান কৰা হয়, এইবটা বঁটা প্ৰদান কৰে নেঘেৰিটিং চাহ বাগিচাৰ নিৰ্বাসী শ্ৰী সুৰেন হাজামৰ লগতে পৰিয়াল বৰ্গ। দ্বিতীয় পুৰস্কাৰ নগদ ১৫ হাজাৰ টকাট্ৰফি সহ প্ৰদান কৰা হয়। দ্বিতীয় পুৰস্কাৰ অৰ্থাৎ ট্ৰফি প্ৰদান কৰে দেৱেশ্বৰ চাহুৰ সৈতে পৰিয়াল বৰ্গই। চূড়ান্ত খেলখনত হাজাৰ হাজাৰ দৰ্শক উপস্থিত থাকি সহায় সহযোগিতা আগবঢ়াই বুলি খেল পৰিচালনা সমিতিৰ সভাপতি পিংকু ভূঞা আৰু সম্পাদক চহিদুল আলিয়ে জানিবলৈ দিয়ে।

# গৰৈমাৰীত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় স্থাপনৰ দাবীত জিলা আয়ুক্তক স্মাৰকপত্ৰ

**অসম বাৰ্তা, গৰৈমাৰী, ২ ছেপ্তেম্বৰ** ঃ কামৰূপ জিলাৰ অন্তৰ্গত নৱগঠিত ছমৰীয়া সমষ্টিৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দলৰ বিষয়ববীয়াসকলে গৰৈমাৰীত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় স্থাপনৰ দাবী জনাইছে। উল্লেখ্য যে নৱগঠিত ছমৰীয়া সমষ্টিত প্ৰায় ১৫০খন প্ৰাথমিক বিদ্যালয়, ১০০খন মজলীয়া বিদ্যালয় আৰু চৰকাৰী আৰু বেচৰকাৰী প্ৰায় ১০০খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। কিন্তু সমষ্টিত এখনো খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় নাই। ফলত বিভিন্ন কামত শিক্ষক শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে সুদুৰ ছয়গাঁও, ছমৰীয়া আৰু ৰামপুৰ শিক্ষা খণ্ডৰ কাৰ্যালয় লৈ যাবলগীয়া হয়। নৱগঠিত ছমৰীয়া সমষ্টিৰ এটা বৃহৎ অংশ চৰাঞ্চল আৰু উপযুক্ত যোগাযোগ ব্যৱস্থা নথকাত উক্ত চৰাঞ্চলৰ পৰা উল্লিখিত কাৰ্যালয়লৈ যাবলগীয়া হোৱাত বিদ্যালয়সমূহত পাঠদান কাৰ্য ব্যাহত হয়। ইপিনে ছমৰীয়া সমষ্টিৰ চৌদিশৰ পৰা মাজমজিয়াত অৱস্থিত মফচলীয়া চহৰ গৰৈমাৰী। ইযাৰোপৰি গৰৈমাৰীত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় স্থাপনৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ সম্পূৰ্ণ সুবিধা আছে। জানিব পৰামতে মফচলীয়া চহৰ গৰৈমাৰীত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় স্থাপনৰ দাবীত আজি ছমৰীয়া সমষ্টিৰ বিভিন্ন দল-সংগঠনৰ হৈ জ্যেষ্ঠ নাগৰিক মঞ্চ গৰৈমাৰী পূৱ-ছমৰীয়া, গৰৈমাৰীৰ আঞ্জুমানী চিৰাতুন্নবী লাইব্ৰেৰী, পূৱ ছমৰীয়া ও গৰৈমাৰী শাখা ছাত্ৰ সন্থা আৰু জি কে এছ প্ৰেছ ক্লাবৰ তৰফৰ পৰা কামৰূপ জিলা আয়ুক্ত, কামৰূপ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকক এখন স্মাৰকপত্ৰ প্ৰদান কৰিছে। ইয়াৰ প্ৰতিলিপি শিক্ষামন্ত্ৰী, শিক্ষা সচিব, প্ৰাথমিক শিক্ষা সঞ্চালকালয়লৈ প্ৰেৰণ কৰিছে।

## মধ্য মাজুলী আঞ্চলিক সমিতি গঠন

# সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ অসম, মধ্য মাজুলী আঞ্চলিক সমিতিৰ সাধাৰণ সভা

**অসম বাৰ্তা, উজনী মাজুলী, ২ ছেপ্তেম্বৰ** ঃ সদৌ কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ অসম অন্তৰ্গত মধ্য মাজুলী অঞ্চলৰ এখন বিশেষ সাধাৰণ সভা আজি মাজুলীৰ মাধৱদেৱে কৃষ্টি সংঘৰ খোনাচুক প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। মাজুলী জিলা কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত সভাত মধ্য মাজুলী আঞ্চলিক সমিতিখন গঠন কৰা হয়। কলিতা জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ মাজুলী জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মৃদুল মুদৈয়ে আঁত ধৰা সভা খনৰ সভাপতিত্ব কৰে কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা অসমৰ মাজুলী জিলা সমিতি সভাপতি অনিৰুদ্ধ দত্তই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মাজুলী জিলা সমিতিৰ সাধাৰণ সম্পাদক পৰাণজ্যোতি বৰাই। সভাত কলিতা জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ দৃষ্টি ভংগী সম্পৰ্কে ব্যাখ্যা আগবঢ়াই মাজুলী জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মৃদুল মুদৈয়ে। সভাত কলিতা জনগোষ্ঠীৰ সাংগঠনিক দিশত নামনি মাজুলী জ্যেষ্ঠ মাধ্যমীক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ কুশল হাজৰিকা, পীতাম্বৰ দেৱ বালিকা বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক কমল বৰা, জিলা পুথি ভঁৰালৰ জ্যেষ্ঠ সহায়ক ৰঞ্জন শইকীয়া, অৱসৰ প্ৰাপ্ত শিক্ষক ৰত্নেশ্বৰ বৰা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক মাণিক বৰুৱা, সমাজকৰ্মী মৃদুল বৰুৱা, অৰুণ ভূঞাই ব্যক্ত ৰাখি গঠনমূলক পৰামৰ্শই কলিতা জনগোষ্ঠীটোক আগুৱাই নিয়াৰ লক্ষ ঠিক কৰিবলৈ পৰামৰ্শ দিয়ে। ইয়াৰ পাছতে সভাত সৰ্বসন্মতি অনুসৰি মধ্য মাজুলী কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন হয়। উক্ত, সমিতিত ৰঞ্জন বৰা, কুশল হাজৰিকা, ৰত্নেশ্বৰ বৰা, মাণিক বৰুৱা, মৃদুল বৰুৱা আদিক মুখ্য উপদেষ্টা হিচাপে লৈ পাপুল শইকীয়াক সভাপতিপ্ৰণৱ বৰাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া সদস্যৰে কলিতা জনগোষ্ঠীৰ মধ্য মাজুলীৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন কৰা হয়। কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ মাজুলী জিলা সমিতিৰ উপদেষ্টা ৰাজীৱ ভূঞা পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি দায়িত্ব পালন কৰে। সভাত, আগন্তুক ছেপ্টেম্বৰ মাহৰ ভিতৰত আঞ্চলিক সমিতিৰ অন্তৰ্গত প্ৰতিখন গাঁৱৰ প্ৰতিনিধিক সমৱেত কৰি ৰাজহুৱা সভা অনুষ্ঠিত কৰা, আগন্তক তিনি মাহৰ ভিতৰত শাখা সমিতি গঠনৰ ব্যৱস্থা কৰা, আঞ্চলিক সমিতিৰ অন্তৰ্গত প্ৰতিখন গাঁৱৰ কলিতা জনসংখ্যাৰ জৰীপ কৰি তিনি মাহৰ ভিতৰত জিলা সমিতিক তথ্য দাখিল কৰাৰ বাবে সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আজিৰ উক্ত সভাত সদৌ অসম কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ভবেন শইকীয়া, কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ মাজুলী জিলা সমিতিৰ কাৰ্যকৰী সভাপতি তীৰ্থ ভূঞা, সাংস্কৃতিক সম্পাদক মৃদুপ্ৰৱন ভূঞাকে প্ৰমুখ্য কৰি বিষয়ববীয়া উপস্থিত থাকে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে জিলা সমিতিৰ সাধাৰণ সম্পাদক পৰাণজ্যোতি বৰাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন